# গান্ধী চৰিত।

(ডাণ্ডিযাত্ৰা)

— ৰচোঁতা —

পণ্ডিত কনক চন্দ্ৰ শৰ্ম্মা, কাব্যতীৰ্থ।

নগাওঁ (আসাম)।

প্ৰথম সংস্কৰণ

১৮৬১ শক

—গুৱাহাটী ভাৰতী প্ৰেছত—

শ্ৰীযুত কনক চন্দ্ৰ শৰ্ম্মাৰ দ্বাৰা

মুদ্ৰিত আৰু প্ৰকাশিত।

## —শুধৰণি—

নিজে সকলোবোৰ প্ৰুফ চাই দিব নোৱাৰাৰ কাৰণে ছপাত বহুত ভুল হৈ গৈছে, পঢ়াৰ সময়ত যেন পাঠক সকলে ভুল শুধৰণি চাই লয়। ইতি—

| পৃষ্ঠা | শাৰী | হৈছে | হবলাগে |
|---|---|---|---|
| ৫ | ২০ | অনু | অণু |
| ৬ | ৩ | কঙ্কন | কঙ্কণ |
| ১৯ | ১২ | কষ্ট | কৰ্ম্ম |
| ২৩ | ৩ | সূত্য | সূৰ্য্য |
| ২৩ | ৭ | দুবে | দূৰে |
| ২৩ | ১২ | তুল্যাসনে | তুল্যাসনে |
| ৩৪ | ৩ | তপোবলে | তপোবনে |
| ৩৬ | ১৫ | পৰষে | পৰশে |
| ৪২ | ৫ | অমিল, জন | অনিল, জল |
| ৪৭ | ২০ | আৰ্শ্বস্ত | আশ্বস্ত |
| ৪৮ | ১০ | লিখি | নিশি |
| ৪৮ | ২২ | কৰাৰ | কাৰাৰ |
| ৮০ | ১৪ | ভাৰ | ভীৰ |
| ৮৩ | ৪ | ভৰষা | ভৰশা |
| ৮৩ | ১৫ | আপুনি | হৃদয়ে |
| ৮৯ | ২০ | বেইনেলাড | বেইনেল্ড |
| ১৩৮ | ৯ | মন্ত্ৰে | মন্ত্ৰে • |
| ১৪৪ | ১৫ | মোহা | নোহা |

# পাতনি।

সাত বছৰ কাল আন্ধাৰত পৰি থাকি 'গান্ধী চৰিতে" সম্প্ৰতি বাইজৰ আগলৈ ওলোৱাৰ অধিকাৰ পাইছে। "গান্ধী চৰিত"ক সময়ৰ সুযোগ লবলৈ দিয়া নহল। সাত বছৰৰ আগৰ ৰাজনৈতিক পৰিস্থিতি আজি দেশত নাই, আজিৰ দিনত এনে ধৰণৰ পুথিলৈ ৰাইজৰ সাগ্ৰহ দৃষ্টি পৰেনে নপৰে ফল নেদেখাকৈ অনুমান কৰা টান। ১৯৩১ চনতে গুৱাহাটীৰ নিউ প্ৰেছত ইয়াক ছপাবলৈ দিয়া হৈছিল, এহাজাৰ খন পুথি ছপা হৈ গৈছিল, বন্ধাবলৈ মাত্ৰ বাকী আছিল এনেতে পুলিচ হঠাৎ প্ৰেছৰ পৰা গোটেই বোৰ পুথি লৈ গুচি গল। "গান্ধী চৰিতত" আচলতে এনে কোনো আসোঁৱাহ থকা কথা লিখা হোৱা নাই যাক প্ৰকাশ কৰিলে জন সমাজত শান্তি, শৃঙ্খলা ভঙ্গৰ কিবা সম্ভাৱনা থাকিব পাৰে। তাকে কাৰণ দৰ্শাই পুথিবোৰ ফিৰৎ দিবৰ কাৰণে শাসন কৰ্ত্তৃপক্ষক আবেদন কৰা হল, আবেদনৰ ফল নধৰিলে, ১৯৩২ চনৰ এপ্ৰিলত গৱৰ্ণমেণ্টে "গান্ধী চৰিত' বাজে আপ্ত কৰিলে। তাৰ পিছৰে

পৰা ৰাজনৈতিক পৰিস্থিতিত ক্ৰমে পৰিবৰ্ত্তনে দেখা দিলে। ১৯৩৭ চনত ব্যৱস্থাপক সভাৰ নতুন সংস্কৰণ হল। দেশৰ শান্তি, শৃঙ্খলা ৰক্ষাৰ দায়িত্ব তেনেই নহলেও বহুপৰিমাণে নিজৰ মানুহৰ কান্ধলৈ আহিল, গতিকে লগে লগে গৱৰ্ণমেণ্টে আগৰদৰে উড়া বাতৰিত আতঙ্কিত হৈ হঠাৎ অঘটন ঘটো ৱাৰ আশঙ্কাও কমি আহিল। এই সুযোগতে "গান্ধী চৰিত"ৰ বিষয়ে পুনঃ বিচাৰ কৰি চাবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰা হল, গৱৰ্ণমেণ্টে দয়া কৰি পুথিখন পঢ়ি চালে, পঢ়ি চাই তাত প্ৰকাশ বন্ধ কৰি ৰখাৰ কোনো যুক্তি নেদেখি আগৰ বাজে আপ্তৰ আদেশ তুলি ললে। কিন্তু বৰ দুঃখৰ কথা যে ইয়াৰ ভিতৰতে পুলিচে গোটেই বোৰ পুথি পুৰি নষ্ট কৰিলে।

"গান্ধী চৰিতৰ" বন্ধন মোচন হবলৈ পালে ঘাইকৈ ভূতপূৰ্ব্ব ৰাজস্ব মন্ত্ৰী শ্ৰীযুত ৰোহিণী কুমাৰ চৌধুৰী ডাঙৰীয়া আৰু বন্ধুবৰ শ্ৰীযুত মহাদেৱ শৰ্ম্মা এম্ এল্ এ ডাঙৰীয়াৰ যত্নৰ ফলত। তাৰবাবে সিবিলাক দুয়োজনৰ ওচৰত মই কৃত-জ্ঞতা প্ৰকাশ কৰিছোঁ। শ্ৰীযুত চৌধুৰী ডাঙৰীয়াৰ ওচৰত বিশেষ ৰূপে কৃতজ্ঞ থকাৰ আৰু এটি কাৰণ এই যে তেখেতে প্ৰথমে নিজৰ ডিস্ক্ৰেচনৰী গ্ৰাণ্টৰ পৰা ১০০৲ টকাৰ সাহায্য দি কিতাপখন পুনঃ ছপা কৰি উলিয়াবলৈ মোক উৎসাহিত কৰিছিল। তেখেতৰ সহায়তা নোপোৱা হলে "গান্ধী চৰিত" প্ৰকাশত বহু বিলম্ব হল হেঁতেন। বৰ্ত্তমান গৱৰ্ণমেণ্টে দয়া কৰি কিতাপ ছপোৱাৰ খৰচৰ অংশস্বৰূপে ২/০৲ দুশ টকা

দি সহায়তা কৰিছে, সেইবাবে বৰ্ত্তমান প্ৰধান মন্ত্ৰী শ্ৰীযুত গোপীনাথ বড়দলৈ ডাঙৰীয়াৰ ওচৰত মোৰ অন্তৰৰ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। দুঃখ দাৰিদ্ৰ্যৰ মাজেদি নিজৰ ভৰিৰ ওপৰত ঠিয় হৈ কেনেকৈ উন্নতি সাধন কৰিব পাৰি তাৰে আদৰ্শ দেখাওঁতা অসমীয়া ডেকা শ্ৰীমান মোহিনী মোহন গোস্বামীয়ে মোৰ অৰ্থ সঙ্কটৰ কথা জানি "গান্ধী চৰিত" সোন কালে ছপাই উলিয়াবৰ কাৰণে নিজৰ পৰা ২০০৲ দুশ টকা দি সাহায্য কৰিছে, তেওঁৰ ওচৰতো মই চিৰকৃতজ্ঞতা পাশত আবদ্ধ থাকিলোঁ।

মহাপুৰুষ সকলৰ জীৱন কাহিনী সৰল পদ্য ছন্দত গাঁথি জন সমাজত প্ৰচাৰ কৰা এটা পূৰণি কালৰ পূৰণি প্ৰথা। তেতিয়াৰ দিনত মানুহৰ ভাব সৰল, ভাষা সৰল, জীৱনৰ সমস্যা সৰল, সকলো সৰল আছিল বুলিয়েই তেনে প্ৰথাই স্থান পাইছিল। নতুন যুগৰ নতুন শিক্ষা সভ্যতাৰ দুৰ্ব্বহ ভাৰত আক্ৰান্ত, সন্মান সমৃদ্ধিৰ বিবিধ প্ৰতিযোগিতাত অন্ধ, লাভ লোকচানৰ কৰা ক্ৰান্তি গণনাত অতিমাত্ৰ ব্যস্ত নব্য জগতত তেনে পূৰণি প্ৰথাই নোকচে। অগ্ৰগতিৰ অভিমানী নব্য জগতৰ আজি জীৱনৰ সমস্যা জটিল, ভাব জটিল, ভাষা জটিল, ছন্দ জটিল, সকলো জটিলতা পূৰ্ণ। আজিৰ এনে দিনত কেতিয়াবাই এৰি থৈ অহা পূৰণি প্ৰথাৰ অনুসৰণ কৰি মহাত্মা গান্ধীৰ কীৰ্ত্তি কলাপ বৰ্ণণা কৰিবলৈ কিয় প্ৰবৃত্তি জন্মিল তাকে এই খিনিত জনাই থলোঁ।

কংগ্ৰেছৰ বাণী, "মহাত্মা গান্ধীৰ" উপদেশ গাৱেঁ-ভুঁএঃ প্ৰচাৰ

কৰি ফুৰোঁতে গাৱঁলীয়া ৰাইজৰ লগত মোৰ বিশেষ ৰূপে ঘনিষ্ঠতা জন্মিছিল আৰু তেওঁলোকৰ অন্তৰ্নিহিত শক্তি বুজিবৰ সুযোগ ঘটিছিল। তথা কথিত শিক্ষিত সম্প্ৰদায়ে যি বিলাকক পিচ পৰি থকা হোজা গাৱঁলীয়া বুলি সদায় অৱজ্ঞাৰ চকুৰে চাই আহিছে প্ৰচাৰ কাৰ্য্যৰ সম্পৰ্কত দেখিলোঁ সেই বিলাক আচলতে অৱজ্ঞাৰ পাত্ৰ নহয়। তেওঁলোকৰ গুণ গ্ৰহণৰ ক্ষমতা অতি প্ৰশংসনীয়, অন্তৰ্নিহিত শক্তি সম্পূৰ্ণ সজীৱ, যেন জাতিক জীৱন্ত আৰু উন্নত কৰি তোলাৰ উদ্দেশ্যে কিবা এটা সুযোগলৈ বাট চাই ৰৈছে। গাৱঁলীয়া প্ৰজাৰ স্বভাব-নিৰ্ম্মল চিন্তাধাৰা তেতিয়াও বাহিৰৰ আবৰ্জ্জনা পৰি পঙ্কিল হৈ উঠা নাছিল। অহিংস অসহযোগ নীতিৰ মৰ্ম্ম বুজিবলৈ তেওঁলোকে অলপো টান নাপালে। বিলাসিতাত নতুনকৈ মেলি দিয়া মন চপাই লৈ, স্বাৱলম্বনত উৎসাহ আৰু উৎকৃষ্ট আদৰ্শ গ্ৰহণত তৎপৰতা দেখুৱাই জাতিৰ সজীৱতা প্ৰমাণ কৰিলে। মহাত্মাৰ ত্যাগ, দুঃখ বৰণ আৰু তেওঁৰ ওপৰেদি যোৱা অত্যাচাৰ বোৰৰ মৰ্ম্মভেদী বিবৰণ শুনি অনেকে চকু লো টুকিলে, তেওঁৰ আদেশ উপদেশ পালিবলৈ মন বান্ধিলে। মহাত্মাই কংগ্ৰেচৰ প্ৰাণ প্ৰতিষ্ঠা কৰি দিছিল বুলিয়েই কংগ্ৰেচক জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলোৱে শ্ৰদ্ধা কৰিলে আৰু গঠন মূলক কাৰ্য্যসূচী সাদৰে গ্ৰহণ কৰি তাক শক্তিশালী বিৰাট জাতীয় প্ৰতিষ্ঠানত পৰিণত কৰি তুলিলে। এই বিলাক দেখি শুনি ভাবিছিলোঁ যে কথা প্ৰসঙ্গত কোৱা

মহাত্মাৰ দুটি এটি কথাই যদি গাৱঁলীয়া ৰাইজৰ প্ৰাণত এনে অনুপ্ৰেৰণা দিব পাৰে তেনেহলে তেওঁৰ আদৰ্শ জীৱনৰ ঘটনাৱলী সাহিত্যৰ আকাৰে ৰাইজৰ হাতত দিব পাৰিলে তাৰ দ্বাৰা তেওঁলোকে অভ্যুত্থানৰ পথত যথেষ্ট সহায়তা পাব ।

বিষম সঙ্কট কালত ভাৰতক মুক্তিৰ সুগম পথ দেখুৱাবলৈ বুলি ভাৰতমাতাই অতীতৰ কত মহাকীৰ্ত্তি, কত পুণ্যস্মৃতি, কত তপোবল, কত অশ্ৰুজলৰ মহা উপাদান লৈ তপস্যা নিৰত সন্ন্যাসীৰ অৰ্দ্ধনগ্ন মূৰ্ত্তিটি গঢ়ি ভাৰত বাসীৰ আগত ঠিয় কৰি দিছে । মহাত্মা গান্ধীৰ এই অৰ্দ্ধনগ্ন মূৰ্ত্তিটিত অপূৰ্ব্ব সাত্বিকী শক্তি কেন্দ্ৰীভূত হৈছেহি । ইয়াৰ অঙ্গুলী সঞ্চালনত আজি পৃথিবীৰ চিন্তা ৰাজ্যত বিজুলী খেলিছে, জীৱন-সঞ্চাৰী আহ্বানত ভাৰতৰ কোটি কোটি অৰ্দ্ধমৃত নৰ-নাৰীয়ে বহু শতাব্দীৰ ধূলি মাকটি জাৰি জোকাৰি ঠিয় দিছে, ঐন্দ্ৰজালিক ইঙ্গিতত কথা কব নজনা কোটি কোটি ভাৰত বাসীয়ে জগতৰ আগত মুখ তুলি নিজৰ লুপ্ত সৰ্ব্বস্বৰ দাবী কৰিবলৈ শিকিছে । লাজত বা অভিমানত মুখ ফুটাই নকব পাৰে কিন্তু যুদ্ধ প্ৰতিযোগিতাত পৰিশ্ৰান্ত পৃথিবীৰ জাতি সমূহেও এই অৰ্দ্ধনগ্ন মূৰ্ত্তিৰ পৰাই শান্তিৰ কিবা অভিনৱ পন্থা বিচাৰি বাট চাই ৰৈছে ।

মহাত্মাই তপস্যালব্ধ জ্ঞানৰ দিব্য দৃষ্টিৰে মানব-জাতিৰ দুঃখ নিবৃত্তিৰ প্ৰকৃত উপায়বোৰ দেখে আৰু সেই বোৰ মানব জাতিৰ সেৱাত খটাবলৈ জীৱনব্যাপী সাধনা কৰে । ৰাজনীতিৰ অতি সূক্ষ্ম তত্ত্বও তেওঁৰ তীক্ষ্ণ দৃষ্টিৰ পৰা সাৰি

যাব নোৱাৰে। নিজে আদৰ্শ স্থলত থাকি নিজে কৰি দেখুৱাই হে আনক কোনো কাম কৰিবলৈ উপদেশ দিয়ে। ৰাজনীতিৰ অতি কঠিন সমস্যা বোৰবো সৰল সমাধান কৰিব জানে আৰু সেইবোৰ সহজবোধ্য কৰি সৰ্ব্বসাধাৰণৰ আগত ডাঙ্গি ধৰিব পাৰে। মহাত্মাই ঈশ্বৰত অটল বিশ্বাস ৰাখে, নিজক ঈশ্বৰৰ অদৃশ্য হাতৰ যন্ত্ৰস্বৰূপ মাত্ৰ বুলি ভাবি কোনো কামতে কৰ্তৃত্বাভিমান নকৰে আৰু অসীম ধৈৰ্য্য সহকাৰে, নিৰ্ভীক চিত্তে সকলো কঠোৰ পৰীক্ষাৰ সম্মুখীন হৈ পাৰ হব পাৰে। শত্ৰু, মিত্ৰ সকলোৰে প্ৰতি তেওঁৰ সমভাব. ভাৰতবৰ্ষ যদিও সাধনাৰ ক্ষেত্ৰ, সমস্ত পৃথিবীতে শান্তি স্থাপন কৰা তেওঁৰ মহৎ জীৱনৰ মহান্ ব্ৰত। এইবিলাক অনন্যসাধাৰণ গুণৰ বলতে মহাত্মাৰ ব্যক্তিত্বৰ আসন আজি জগতৰ সুধী সমাজত সৰ্ব্বশ্ৰেষ্ঠ হৈ উঠিছে ইয়াৰ প্ৰভাবতে তেওঁ আজি বিশাল ভাৰতবৰ্ষত বিভিন্ন ধৰ্ম্ম, বিভিন্ন কৃষ্টি, বিভিন্ন ভাষা বিভিন্ন স্বাৰ্থৰ শিক্ষিত অশিক্ষিত কোটি কোটি নৰ-নাৰীৰ অপ্ৰতিদ্বন্দ্বী নায়ক হব পাৰিছে।

আধ্যাত্মিকতাৰ লীলা ভূমি ভাৰতবৰ্ষত এনে ধৰণৰ সৰ্ব্বসাধাৰণে ঢুকি পোৱা ৰাজনৈতিক চৰ্চ্চা বা ব্যাপক আন্দোলন কৰিবলৈ গলে এয়ে প্ৰথম। ইয়াৰ ভিতৰত মদ, কানি প্ৰভৃতি মাদক দ্ৰব্য বৰ্জ্জন কৰা, পাপাসক্তি পৰিত্যাগ কৰি আত্মশুদ্ধি কৰা, হিংসা, ঘৃণা, বৃথা অভিমান, ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি মানব সমাজত ভ্ৰাতৃভাব স্থাপন কৰা, বচনে, মননে, কৰ্ম্মে বিপক্ষৰ প্ৰতি হিংসা ভাব নাৰাখা বিপক্ষৰ অত্যাচাৰ নিপী-

ড়ন নীৰৱে সহ্য কৰি ধৰ্ম্মপথত অবিচলিত থকা ইত্যাদি সকলো বোৰেই আধ্যাত্মিক ৰাজ্যৰ পুৰণি কথা। কিন্তু সেই বোৰৰ জীৱন্ত অনুশীলন কৰি বিশুদ্ধ শক্তি সঞ্চয় কৰা আৰু তাৰ বলেৰে দেশত স্বৰাজ প্ৰতিষ্ঠা কৰি তাক ৰক্ষা কৰা ইত্যাদি সম্পূৰ্ণ নতুন কথা। মহাত্মা গান্ধীয়ে আধ্যাত্মিকতা মিশ্ৰিত এই নতুন আন্দোলন পৰিচালনা কৰি ভাৰতত নতুন যুগৰ প্ৰবৰ্ত্তন কৰিছে।

এই নতুন আন্দোলনত কেইটা মান বিশেষত্ব আছে যাৰ কাৰণে ই ইমান ব্যাপক হব পাৰিছে আৰু গোটেই সভ্য জগতৰে দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। প্ৰথমতঃ নিজৰ নিজৰ ধৰ্ম্ম, ভাষা কৃষ্টি অতুট ৰাখি আবাল বৃদ্ধ বণিতা সকলোৱে নিয়মানুবৰ্ত্তিতাৰ অধীন হৈ ইয়াত আত্মনিয়োগ কৰিব পাৰে। স্বেচ্ছাচাৰিতা বা কপটতাৰ স্থান ইয়াত নাই। দ্বিতীয়তঃ— কায়মনোবাক্যে এই আন্দোলনত আত্মনিয়োগ কৰা সকলৰ আত্ম শুদ্ধি লাভ হয়, আত্মশুদ্ধি হলে তেওঁলোকৰ প্ৰাণলৈ অসীম শক্তি আহে যাৰ বলত দুঃখ বিপদ, অত্যাচাৰ নিপীড়ন সকলো সহ্য কৰি সত্যৰপথত, কৰ্ত্তব্যৰ পথত অচল অটল হৈ ৰব পাৰে। তৃতীয়তঃ— আন্দোলন সক্ৰান্ত কাৰ্য্য সূচী যদিও ভাৰতবাসীৰ উপযোগী কৰি ভাৰতত স্বৰাজ স্থাপনৰ উদ্দেশ্যেই ৰচিত হৈছে তথাপি ইয়াৰ সাধাৰণ অংশ দেশ কাল পাত্ৰ নিৰ্ব্বিশেষে সকলোতে প্ৰযোজ্য হব পাৰে, মনুষ্যৰ অবিসংবাদিত চৰম উদ্দেশ্য সাধনত ই গোটেই জগতকে সাহায্য কৰিব পাৰে। জাতিবিশেষৰ সাময়িক উদ্দেশ্য সাধনতে ইয়াৰ

প্ৰয়োজনীয়তা সীমাবদ্ধ নহয়। এই আন্দোলনৰ আৰু এটা চকুত লগা বিশেষত্ব এই যে মহাত্মাৰ জীবনৰ কাৰ্য্যবলীয়েই ইয়াৰ প্ৰকৃত ব্যাখ্যা। যিমানেই তেওঁৰ কাৰ্য্য সমালোচনা কৰি বুজিবৰ চেষ্টা কৰা যায় সিমানেই আন্দোলনৰ স্বৰূপ বোধ গম্য হয় আৰু সিমানেই তালৈ আসক্তি বাঢ়ে। আন-ফালেদি ইয়াত বিঘিনৰ আশঙ্কাও কম নহয়। ভাৰতৰ এই ৰাজনৈতিক আন্দোলনে কেতিয়া কি গঢ় লয় গৈ এতিয়াই কোৱা টান। হয়তো মহাত্মাই নিজেই এসময়ত ৰাজনৈতিক ক্ষেত্ৰৰ পৰা আতৰি পৰিব পাৰে। ভাৰতবাসীৰ প্ৰাণত তেওঁ চৈতন্য সঞ্চাৰ কৰি দিলে, লক্ষ্যত উপস্থিত হবলৈ সুগম পথ চকুৰ আগত দেখুৱাই দিলে, ভাৰতবাসীয়ে যদি সেই পথ ধৰি আগুৱাব নোৱাৰে, অথবা পথভ্ৰষ্ট হয় তেনেহলে আন্দো-লনৰ এই ঢৌ আপোনা আপোনি কালত মাৰ যাবগৈ আৰু আন্দোলনৰ ক্ষেত্ৰ তৈয়াৰ হৈ গৈছে যেতিয়া তাৰ স্থান বেলেগ আন্দোলনে অধিকাৰ কৰিব পাৰে।

হাতে হাতে ফল লাভৰ আশাত অনেকে আত্মভাব গোপন কৰি আন্দোলনত নামি পৰিছিল। হয়তো সেই বিলাকে বেছিদিন ধৈৰ্য্য ধৰিব নোৱাৰি নিয়মানুবৰ্ত্তিতাৰ শৃঙ্খল ছিঙ্গি আতৰি যাব পাৰে আৰু তাৰ দ্বাৰা আন্দোলনলৈ সৰ্ব্বসাধাৰণৰ আস্থা কমিব পাৰে। সুবিধাবাদী চতুৰ লোকে ছেগ বুজি কালত দেশৰ নায়ক সাজিব পাৰে আৰু নিজৰ মনে গঢ়া ব্যাখ্যাৰে আন্দোলনৰ বিশুদ্ধতা নষ্ট কৰি তাক বেলেগ গঢ় দিব পাৰে। ইত্যাদি নানা প্ৰকাৰৰ আশঙ্কাই

ইয়াৰ পৰিণাম সংশয়াপন্ন কৰি তোলে। কিন্তু আন্দোলনৰ পৰিণাম যেতিয়াই যি নহওক গৈ, জগতে নিঃসন্দেহে স্বীকাৰ কৰিব যে মহাত্মাৰ সাধনা ব্যৰ্থ হোৱা নাই ই কেতিয়াও ব্যৰ্থ হব নোৱাৰে। বহুকালৰ জড়তা নাশ কৰি বিশাল ভাৰতত জীবন সঞ্চাৰ কৰিলে, জাগ্ৰত ভাৰতক মুক্তিৰ পথত খোজ দিবলৈ শিকালে, সমগ্ৰ জগতকে মনুষ্যৰ চৰম লক্ষ্য পৰিষ্কাৰকৈ বুজালে, এই বিলাকতে তেওঁৰ সাধনাৰ প্ৰকৃত সাৰ্থকতা। জগতৰ সৰ্ব্বশ্ৰেষ্ঠ মানৱ মহাত্মাৰ জীৱনী অনন্ত কাললৈ পৃথিবীৰ অমূল্য সম্পদ হৈ ৰব, তেওঁৰ আদৰ্শ জীৱনৰ কাৰ্য্যাবলীয়ে অনন্ত কাললৈ ধ্ৰুৱ তাৰাৰ দৰে জিলিকি থাকি ব্যক্তি আৰু জাতিক অন্ধকাৰত পথ দেখুৱাব।

নানাদেশৰ নানা ভাষাত মহাত্মাৰ জীৱনী ওলাবই লাগিছে আগলৈকো ওলাই থাকিব। আমাৰ অসমীয়া ভাষাতো তাৰ অভাব নহব। মোৰ "গান্ধী চৰিত" আচলতে মহাত্মাৰ জীৱনী নহয়, জীৱনীৰে অংশবিশেষক ৰাজনৈতিক সাহিত্যৰ গঢ় দি সৰ্ব্বসাধাৰণৰ হৃদয়গ্ৰাহী কৰিবলৈ ইয়াত চেষ্টা কৰা হৈছে। সমাজ বা জাতিক কোনো নতুন ভাবত উদ্বুদ্ধ কৰি তুলিবলৈ হলে সেই ভাবৰ উদ্‌বোধক সাহিত্যৰ প্ৰভাব আৰু প্ৰয়োজনীয়তা কিমান তাক জাতীয় জীৱনৰ খবৰ ৰাখোঁতা সকলে ভাল দৰে বুজে। মানুহৰ জীৱন চৰিতে, কাৰ্য্যকাৰণৰ সম্বন্ধ দেখুৱাই জীৱনৰ ঘটনাবলীৰ আনুপূৰ্ব্বিক বিবৃতি মাত্ৰ দিয়ে কিন্তু সাহিত্যে ঘটনাবোৰৰ লগত মনুষ্য হৃদয়ৰ সম্বন্ধ বিশ্লেষণ কৰি দেখুৱায়, আনৰ হৃদয়ত সেই সম্বন্ধৰ অনুভূতি

জন্মায়, আৰু আনৰ হৃদয় কৰ্ষণ কৰি তাত অভীপ্সিত ভাব ফুটাই তুলিবলৈ প্ৰয়াস কৰে। এই কাৰণেই বুৰঞ্জীতকৈ সাহিত্যৰ প্ৰভাব জনসমাজত অধিক। সৰল পদ্য সাহিত্যৰ প্ৰভাব সৰ্ব্বসাধাৰণৰ মাজত তাতকৈও অধিক দেখা যায়।

একে ভাবৰ একে বাক্যকে ছন্দত গাঁথি দিলে সি অধিক প্ৰাণস্পৰ্শী হয় কিন্তু ইয়াৰ কাৰণ ব্যাখ্যা কৰিবলৈ মানুহৰ অসম্পূৰ্ণ ভাষা এতিয়াও অক্ষম। ই অনুভূতিৰ বিষয়। সকলো অনুভূতি প্ৰকাশ কৰি কবলৈ মানুহৰ ভাষাই যে কেতিয়াবা পূৰ্ণতা পাবলৈ তাতো সন্দেহ। বিধাতাই ছন্দৰ লগত মনুষ্যৰ হৃদয় অনিৰ্ব্বচনীয় মধুৰ সম্বন্ধ সূত্ৰেৰে গাঁথি দিছে। মানুহে যে গান শুনি আনন্দ লাভ কৰে, অৰ্থহীন ৰাগ ৰাগিনীতো যে মানুহৰ মন আকৃষ্ট হয় তাৰো মূলত সেই নৈসৰ্গিক মধুৰ সম্বন্ধ। ইয়াকে হেতু কৰিয়েই প্ৰাচীন যুগত দেবতাৰ স্তৱ, স্তুতি, মহাপুৰুষ সকলৰ জীবন কাহিনী সংহিতা, নীতিশাস্ত্ৰ চিকিৎসা-শাস্ত্ৰ আদি সকলো বিবিধ ছন্দত ৰচিত হৈছিল। বাস্তবতাৰ পথত দ্ৰুতগামী নতুন যুগৰ নব্য সম্প্ৰদায়ৰ আগত আজি কালি নতুন নতুন সমস্যাই দেখা দিছে, নতুন আকাঙ্ক্ষা নতুন ভাবে তেওঁলোকৰ আগৰ ৰুচি বদলাই দিছে কিন্তু তথাপি লগে লগে কাব্য, সঙ্গীতৰ নতুন সাধনাই সেই স্বাভাবিক মধুৰ সম্বন্ধটি সদাই সজীব কৰি ৰাখিছে! গদ্যৰ কথাৰে কবলৈ গলে বাহ্যজগতৰ লগত মানব হৃদয়ৰ যে অবিৰত সম্বন্ধ ঘটিব লাগিছে সেই সম্বন্ধ ছন্দই বহন কৰে, এই বিশ্বজগৎ ছন্দত আৰোহণ কৰিয়েই বাহিৰলৈ

ওলাইছে আৰু ছন্দত আৰোহণ কৰিয়েই ই অবশ্যম্ভাবী পৰিণতিৰ ফালে গতি কৰিছে।

পূৰাব নোৱাৰা আকাঙ্ক্ষা, পাৰ হব নোৱাৰা প্ৰতিযোগিতা আৰু সমাধান কৰিব নোৱাৰা সমস্যাই যদি কোনো হৃদয়ৰ কোমলতা নষ্ট কৰিছে তেনেহলে তেনে কঠিন হৃদয়ত ছন্দৰ লাহৰী স্পন্দন অনুভূত নোহোৱাটো একো আচৰিত নহয়। ইয়াৰ দৃষ্টান্ত গাঁৱৰ সমাজত কৈ নগৰৰ নতুন শিক্ষা সভ্যতাৰ ভৰত গধূৰ নব্য সমাজত হে বেছি দেখা যায়। গাওঁ আৰু নগৰ দুয়োতে সম্পৰ্ক ৰখা লোক সকলে ইয়াৰ সত্যতা উপলব্ধি কৰিবলৈ অলপো টান নাপাব। আমাৰ দেশৰ গাঁৱলীয়া সমাজত বুঢ়া, ডেকা, বোৱাৰী, জীয়াৰীয়ে ললিত ছন্দত নাম নাগালে বিয়া, সবাহ অসম্পূৰ্ণ হয়, দেব-দেবীৰ স্তুতি প্ৰাৰ্থনা হৈ নুঠে। পদ গাই ভকত সকলে প্ৰসঙ্গ কৰে, তাঁলোৱা পথৰোৱাই দুঃখ ভাগৰ মাৰে আৰু গোৱাল, গৰখীয়াই বং ধেমালী কৰে। সৰল গাঁৱলীয়া ৰাইজৰ লঘু হৃদয়ত সৰল ছন্দৰ প্ৰতি অনুৰাগ অতি প্ৰবল। ছন্দত ৰচিত বুলিয়েই কীৰ্ত্তন ঘোষা, ৰামায়ণ মহাভাৰত অসমীয়া ৰাইজৰ মুখে মুখে। সমান শ্ৰেষ্ঠ গ্ৰন্থ হৈও কথাগীতা, কথাভাগৱতে গাওঁ এৰি নগৰৰ পুথি ভড়ালৰ শোভা বৰ্দ্ধন কৰিছে অথবা বিশ্ববিদ্যালয়ৰ পাঠ্যতালিকা ভুক্ত হৈ আত্মৰক্ষা কৰিছে। এই বোৰ ভাবি চিন্তিয়েই মহাত্মা গান্ধীৰ আদৰ্শ জীৱনৰ কাহিনী গাঁৱলীয়া ৰাইজৰ অন্তৰত স্থায়ীভাৱে বহুৱাৰ আশা কৰি এই কাৰ্য্যত প্ৰবৃত্ত হোৱা গল।

উদ্দেশ্য সজ হলেই সজ কাম হৈ নুঠে তাৰ কাৰণে উপযুক্ত যোগ্যতাৰ প্ৰয়োজন। কেবল আখৰ মিলালেই কবিতা নহয় কবিতা সাধনাৰ বস্তু। যৌবনৰ প্ৰথম উন্মেষতে যেতিয়া নবীন যুবকৰ চকুত গোটেই জগতে মোহন বেশ ধৰি উঠে, গোটেই জগৎ কবিতাৰ সম্পদৰে ভৰপূৰ হৈ পৰে তেতিয়াই ভাগ্যবান যুবকে কবিতাৰ সাধনা আৰম্ভ কৰে আৰু একাগ্ৰ সাধনাৰ ফলত কালত গৈ তেওঁ তাত সিদ্ধ হস্ত হয়। সকলোৰে জীৱনত তেনে এটা শুভ মুহূৰ্ত্ত আছে কিন্তু সকলোৱে তাৰ উচিত ব্যৱহাৰ নকৰে। যি হতভাগ্যৰ যৌবন সুলভ উৰ্দ্ধমুখী কল্পনা শক্তিক, অকাল চিন্তা নানা দায়িত্ব, নানা সাৱধানতাই বলেৰে দমন কৰি ৰাখিছে সি প্ৰৌঢ় অবস্থাত গৈ যেতিয়া কালৰ হাতুৰিৰ ওপৰা ওপৰি কোবত তাৰ দেহৰ পাচোঁখন বেৰৰ গাঁথি ঢিলা পৰে, ন ও খন ভুৱাৰৰ ধ্বনী লৰে, কালে যেতিয়া দেহৰ সকলো অঙ্গতে বান-প্ৰস্থীৰ সাজ পিন্ধাই তাক সংসাৰৰ পৰা উলিয়াই দিব খোজে, সিকালে সংসাৰে প্ৰত্যেকটি ত্ৰুটি, বিচ্যুতিৰ উপযুক্ত কৈফিয়ৎ নিদিয়ালৈকে এৰি দিব নোখোজি তাক জলাকলা কৰি তোলে তেতিয়া তেনে অবস্থাত হঠাৎ কবিতা লিখিবলৈ গলে সেই কবিতাৰ স্বৰূপ যেনে হোৱাৰ সম্ভৱ, মোৰ এই গান্ধী চৰিতৰ কবিতা ঠিক তেনে হৈছে বুলিয়েই ধৰি লৈছোঁ। জানি বুজিও বলে নোৱাৰা কামত হাত দিয়াৰ অপৰাধ জ্ঞানী সকলে ক্ষমা কৰিব।

**গান্ধী চৰিত পঢ়িব কোনে?**

আমাৰ দেশত এনে লোকৰ অভাব নাই যি বিলাকে

কোনো কালে পঢ়া শুনাৰ লগত সম্বন্ধ নাৰাখে। তাতত কিতাপ তুলি দিয়া আৰু বলিলৈ আগ বঢ়াই নিয়া তেওঁলোকৰ মানত সমান দুঃখৰ কথা। তেওঁলোকৰ শুভ দৃষ্টি আকর্ষণ কৰিবলৈ গান্ধী চৰিতৰ এনে জাদুশক্তি নাই।

যি সকলে জীৱনৰ এটী মুহুর্ত্তকো তুল্য মূল্য ধৰি নৰখাকৈ এনেয়ে যাবলৈ নিদিয়ে অথবা নিদিয়ে বুলি অভিমান কৰে সেই সকল সময়ৰ মিতব্যয়ী বা মিতব্যয়িতাৰ অভিমানী লোকে অজ্ঞাতনামা লিখকৰ গ্রন্থ পঢ়ি সময় খৰছ নকৰে।

যি সকল পাঠক পাঠিকাই সাহিত্য সম্পদ্ বিচাৰি গ্রন্থত মনোনিবেশ কৰে, ভাষা, ছন্দ, অর্থবাহী শব্দবোৰৰ যথাস্থানত সন্নিবেশ, অলঙ্কাৰ, ৰস, ভাব, অনুভাব প্রভৃতিৰ সামান্য ত্রুটি, বিচ্যুতি ও যি সকলৰ চকুত লুকাই থাকিব নোৱাৰে সেই সকল মাজ্জিত ৰুচিৰ পাঠক পাঠিকাই "গান্ধী চৰিত" মেলি চাই সোনকালে জপাই থব বুলি আশঙ্কা কৰোঁ, কাৰণ তাত উপাদেয় সাহিত্য সম্পদ্ দিব পৰা নাই, ত্রুটি, বিচ্যুতিও তাত অপৰিমিত।

যি সকল মোৰদৰে অতিমাত্র ভাব প্রৱণ, দোষ ত্রুটি বিচাৰ কৰাৰ অভ্যাস যি সকলৰ কম, ভাৱপ্রৱণ হৃদয়ৰ উদ্দাম ভাবৰাশি গতানুগতিক ৰীতি পদ্ধতিৰ শৃঙ্খল ছিঙি ভাঙি হলেও প্রকাশ পোৱা দেখিলে যি সকল পৰিতৃপ্ত হয় সেই সকল পাঠকে গান্ধী চৰিত আগৰ পৰা শেষলৈ পঢ়ি চাব বুলি মই আশা কৰোঁ।

আৰু আশা কৰোঁ প্ৰধানকৈ যি সকলৰ উদ্দেশ্যে গ্ৰন্থ লিখা হৈছে গাৱঁৰ সেই সকল ভাই ভনীয়ে ইয়াক পঢ়িব বা পঢ়াই শুনিব। মহাত্মা গান্ধীৰ প্ৰতি গাৱঁলীয়া ৰাইজৰ অশেষ শ্ৰদ্ধা। মহাত্মাৰ চৰিত পুথি বুলি ভাবিয়েই তেওঁলোকে দোষ ত্ৰুটিলৈ চকু নিদি আগ্ৰহ দেখুৱাব।

গ্ৰন্থৰ পাতনি লিখা হয় আচলতে পাঠক সকলক গ্ৰন্থত বৰ্ণিত বিষয়ৰ পূৰ্ব্বাভাস দিবৰ নিমিত্তে, কিন্তু "গান্ধী চৰিত"ৰ পাতনি দীঘলীয়া হৈ গল বাহিৰা কথা লেয়ে। ইয়াৰ বৰ্ণিত বিষয় একেবাৰে নতুন আৰু সহজ বোধ্য, সেই কাৰণেই পাতনিত তাৰ পূৰ্ব্বভাস দিয়াৰ প্ৰয়োজনীয়তা মই অনুভব কৰা নাই, কেৱল প্ৰচলিত ৰীতি ৰক্ষা কৰি সংক্ষেপে অলপ উল্লেখ কৰিলো।

মহাত্মাগান্ধীৰ গোটেই জীবনৰ ঘটনাৱলীকে এই দৰে বৰ্ণনা কৰি গৈ "গান্ধী চৰিত" নামত বেলেগ বেলেগ খণ্ডত প্ৰকাশ কৰাৰ সংকল্প মনত ৰাখিছিলোঁ। ১৯৩০ চনত কংগ্ৰেচৰ আইন লঙ্ঘন আন্দোলনৰ সংস্ৰৱত কাৰাবাসত বন্দী হৈ থাকোঁতে প্ৰথমে "গান্ধী চৰিত" লিখিবলৈ আৰম্ভ কৰা হৈছিল, সেই সময়ত আইন লঙ্ঘনৰ কথাইহে মনত বেছিকৈ লাগিছিল সেই কাৰণে আন আন ঘটনা পিচলৈ থৈ লৱণ আইন লঙ্ঘনৰ উদ্দেশ্যে মহাত্মাৰ ডাণ্ডি যাত্ৰাকে অবলম্বন কৰি লিখিবলৈ আৰম্ভ কৰা হল। সেই হিচাবে এই গান্ধী চৰিত (ডাণ্ডিযাত্ৰা) সম্পূৰ্ণ গান্ধী চৰিতৰ এটা মাজৰ অংশ মাত্ৰ। গবৰ্ণমেণ্টে ইয়াক বাজে আপ্ত কৰি উৎসাহ ভঙ্গ নকৰা হলে এতিয়া

মানে আৰু কেইটামান অংশ প্ৰকাশ হৈ গল হেঁতেন।

লাহোৰত বহা ভাৰতীয় কংগ্ৰেচত আইন লঙ্ঘন প্ৰস্তাব গৃহীত হোৱাৰ পিচত সেই প্ৰস্তাবানুযায়ী কাৰ্য্য পৰি-চালনাৰ উপায় আলচ কৰিবৰ উদ্দেশ্যে সাবৰ্ম্মতী আশ্ৰমত কাৰ্য্য নিৰ্ব্বাহক সভাৰ অধিবেশন হৈছিল। তাত সভ্য সকলে কোনো উপায় নিৰ্দ্ধাৰণ কৰিব নোৱাৰি মহাত্মাৰ ওপৰত আইন লঙ্ঘনৰ আৰম্ভনি ভাৰ দি দিহা দিহি গুচি গল। এই গুৰু ভাৰ মূৰত লৈ মহাত্মা কি দৰে চিন্তান্বিত হৈ পৰিছিল সেই সময়ৰ ইয়ংইণ্ডিয়া কাকতৰ এটি প্ৰবন্ধ দেখি বুজিব পাৰা গৈছিল। মহাত্মাই লিখিছিল যে অহিংস পথত থাকি আইন লঙ্ঘনৰ দৰে এটা গুৰুতৰ কাৰ্য্যৰ আৰম্ভনি ভাৰ মূৰত লৈ মই বিবুদ্ধি হৈ পৰিছোঁ। চাৰিও দিক্ অন্ধকাৰ দেখিছোঁ। ঈশ্বৰে এই অন্ধকাৰৰ মাজত পোহৰ পেলাই মোক বাট দেখুৱাই নিদিলে মই নিৰুপায় দেখিছোঁ ইত্যাদি। সাবৰ্ম্মতী আশ্ৰমত মহাত্মা এই দৰে চিন্তান্বিত অবস্থাত থাকোঁতে কৰ্ম্মৰ পথ নিৰ্দ্দেশকে উপলক্ষ্য কৰি মই প্ৰথম আধ্যায়ত মহাত্মাৰ সম্মুখত ভাৰতৰ অধিষ্ঠাত্ৰী দেৱতাৰ আবিৰ্ভাৱৰ এটা কল্পনা কৰি দেখুৱাইছোঁ। এই কল্পনাৰ সাৰ্থকতা কি সুধী সকলে তাক বিচাৰ কৰি চাব মই সেই সম্বন্ধে নিজে একো নকওঁ। প্ৰথম সাধনাৰ ক্ষেত্ৰ দক্ষিণ আফ্ৰিকাত মহাত্মাই যিবোৰ কীৰ্ত্তি ৰাখি থৈ আহিছে সেইবোৰৰ বৰ্ণনাৰে গান্ধী চৰিতৰ এটা স্বতন্ত্ৰ খণ্ড হব, ইয়াত অতি সংক্ষেপ যৎকিঞ্চিত মাত্ৰ উল্লেখ কৰা হৈছে।

ইউৰোপৰ মহাসমৰৰ অন্তত পঞ্জাবত প্ৰচাৰ কৰা ৰৌলত আইন, জালিয়ান ৱালা বাগৰ দুৰ্ঘটনা, অসহযোগ আন্দোলন আৰু তৎসংক্ৰান্ত ঘটনাবলী, গবৰ্ণমেণ্টৰ দমননীতি, স্বৰাজ দল গঠন, মহাত্মাৰ অনশন, নেহৰু ৰিপোৰ্ট আৰু তৎসংক্ৰান্ত ঘটনা, লৰ্ডআৰউইনৰ ওচৰলৈ সমাধানৰ বাবে একাদশ সমস্যা-প্ৰেৰণ, লৱণ আইন লঙ্ঘনৰ আগতে লৰ্ডআৰউইনলৈ শেষ পত্ৰ প্ৰেৰণ সাবৰ্মতী আশ্ৰম ত্যাগ, ডাণ্ডিযাত্ৰা প্ৰভৃতিৰ যি বোৰ বৰ্ণনা গান্ধী চৰিতত দিয়া হৈছে সেইবোৰৰ বুৰঞ্জী মূলক সত্যতাত সন্দেহ উপস্থিত হলে পাঠক সকলে অনুগ্ৰহ কৰি ১৯২১ চনৰ পৰা ১৯৩০ চনলৈ কংগ্ৰেচৰ বুৰঞ্জী আৰু মহাত্মা গান্ধীৰ জীৱনী আলোচনা কৰি সন্দেহ দূৰ কৰি লব। ৰাজনীতিৰ গধূৰ বিষয় বোৰক আৰু বুৰঞ্জী মূলক ঘটনা সমূহক সৰল সাহিত্যৰ গঢ় দিবলৈ যাওঁতে অনেক কথা যোগ দিবৰ দৰকাৰ হৈছে, আৰু সেই কাৰণেই গান্ধী চৰিতত দোষ ত্ৰুটি থকাৰ সম্ভাৱনা, সুধী পাঠক সকলে দয়া কৰি সেই বোৰ উন্নুকীয়াই দিলে উপকৃত হম। ইতি—

বিনীত—

—গ্ৰন্থকাৰ—



মহাত্মা গান্ধী

# গান্ধী চৰিত।

## ( ডাণ্ডিযাত্ৰা )

## প্ৰথম অধ্যায়।

সাবৰ্ম্মতী আশ্ৰমত চিন্তান্বিত মহাত্মা গান্ধীৰ
আগত ভাৰতৰ অধিষ্ঠাত্ৰী
দেবীৰ আবিৰ্ভাব।

---

অনন্ত ব্ৰহ্মাণ্ডে যাৰ অনন্ত মহিমা।
প্ৰকাশি অনন্ত ৰূপে নাহি পায় সীমা ॥ ১
বিচিত্ৰ সৃষ্টিত দেখি যাৰ যশচয়।
নৰৰ সমস্ত গৰ্ব্ব লাজে খৰ্ব্ব হয় ॥ ২
সেহি বিশ্বকবিৰ চৰণে ৰাখি মন।
মহাত্মা গান্ধীৰ কীৰ্ত্তি কৰিবো বৰ্ণণ ॥ ৩
গুৰ্জ্জৰ প্ৰদেশে সাবৰ্ম্মতী নদী তীৰে।
স্নিগ্ধ সমীৰণ যথা বহে সদা ধীৰে ॥ ৪

গান্ধী চৰিত

শ্যামল বিটপী লতা গণ মনোৰম ।
পৰম নিৰ্ম্মল যিটো স্থান অনুপম ॥ ৫
তপস্যাৰ হেতু তাত গান্ধী মহামতি ।
স্থাপিলে আশ্ৰম এক যত্ন কৰি অতি ॥ ৬
সাবৰ্ম্মতী আশ্ৰম বিশ্ৰুত তাৰ নাম ।
ভুবন মণ্ডলে এক শ্ৰেষ্ঠ পুণ্য ধাম ॥ ৭
চতুৰ্দ্দিশ হন্তে তথা আসি নৰনাৰী ।
তপক আচৰে আত্মশুদ্ধি ব্ৰত ধৰি ॥ ৮
অহিংসা অস্তেয় ধৃতি ইন্দ্ৰিয়-বিজয় ।
ভূত-দয়া সত্য-নিষ্ঠা ক্ষমা নিৰভয় ॥ ৯
কাটন যঁতৰে সূতা ঈশ্বৰ চিন্তন ।
মহাত্মাৰ আদৰ্শে অভ্যাসে সৰ্ব্বজন ॥ ১০
তপৰ প্ৰভাবে অতি পবিত্ৰ আশ্ৰম ।
প্ৰবেশিলে লভে যাত শান্তি নিৰুপম ॥ ১১
তথাতে থাকিয়া গান্ধী সৰ্ব্ব গুণাকৰ ।
জনম ভূমিৰ মুক্তি চিন্তে নিৰন্তৰ ॥ ১২
ছাগ দুগ্ধ ফলাহাৰে ক্ষীণ কলেবৰ ।
পৰম গম্ভীৰ মূৰ্ত্তি সৰল অন্তৰ ॥ ১৩
চন্দ্ৰমা বাসৰে ধৰে সদা মৌন ব্ৰত ।
মুবুলি বচন কৰে নিত্য কৰ্ম্ম যত ॥ ১৪
বজ্ৰতো কঠিন চিত্ত প্ৰতিজ্ঞা পালনে ।
কুসুমতো সুকোমল দীন হীন জনে ॥ ১৫

অচল-প্ৰতিষ্ঠ জিতেন্দ্ৰিয় সত্য-ব্ৰত ।
ভুবনে বিদিত মহাত্মাৰ গুণ যত ॥ ১৬
স্বদেশ প্ৰজাৰ হিত সাধি বাৰম্বাৰ ।
ৰাজৰোষে কাৰাবাসে ভুঞ্জিলে নিকাৰ ॥ ১৭
তথাপিতো নোহে ক্ষান্ত নাহি প্ৰাণে ভয় ।
কিৰূপে সাধিব কাৰ্য্য সদা চিন্তি ৰয় ॥ ১৮
ত্যাজি আপোনাৰ গৃহ সৰ্ব্ব ৰত্ন ধন ।
জায়া পুত্ৰ সমন্বিতে কৰি প্ৰাণ পণ ॥ ১৯
বিশ্বব্ৰহ্মাণ্ডৰ নাথ অগতিৰ গতি ।
বিভুৰ চৰণে ৰাখি একান্ত ভকতি ॥ ২০
তপক আচৰে মহাসত্ত্ব তপোধন ।
জনম ভূমিৰ দুঃখ কৰিব মোচন ॥ ২১
এহিৰূপে কতকাল কৰন্তে যাপন ।
দৈব যোগে ঘটিলেক অদ্ভুত ঘটন ॥ ২২
একদিনা অধিষ্ঠাত্ৰী দেৱী ভাৰতৰ ।
মহাত্মাৰ চিন্তা-ভাৰ বুজি অন্তৰৰ ॥ ২৩
নিভৃতে সমীপে তাৰ আত্মপ্ৰকাশিয়া ।
আদেশিলে কৰ্ম্মপন্থা সংশয় ছেদিয়া ॥ ২৪
শুনা সৰ্ব্বজনে ইটো অপূৰ্ব্ব আখ্যান ।
বাঢ়িব স্বদেশ প্ৰীতি পাবা দিব্য জ্ঞান ॥ ২৫

*    *    *

পুণ্যভূমি পঞ্জাবৰ লাহোৰ নগৰে ।
ভাৰত জাতীয় মহাসভাৰ ভিতৰে ॥ ২৬
কৰিলে সিদ্ধান্ত যেবে সভাসদগণ ।
দেশ কাল পাত্ৰ সব কৰি আলোচন ॥ ২৭
অহিংসাৰ পথ ধৰি ৰাখি শুদ্ধমন ।
শাসকৰ হাতে সহি দুঃখ নিৰ্য্যাতন ॥ ২৮
শাসন দুৰ্নীতি যত কৰি উল্লঙ্ঘন ।
কৰিব ভাৰতভূমে স্বৰাজ স্থাপন ॥ ২৯
তাত পৰে কাৰ্য্যনিৰ্ব্বাহক সভ্য যত ।
আলচিলে গৈয়া সাবৰ্ম্মতী আশ্ৰমত ॥ ৩০
ভেদ-নীতি-দক্ষ সুচতুৰ বৃটিশৰ ।
সুদৃঢ় শাসন বিধি লঙ্ঘন দুষ্কৰ ॥ ৩১
ইহেন দুঃসাধ্য হব কিমতে সাধন ।
নেদেখি উপায় চিন্তাকুল সুধি-গণ ॥ ৩২
নোৱাৰি কৰিব কোনো পন্থা নিৰূপণ ।
গান্ধীক সম্বোধি শেষে বুলিলে বচন ॥ ৩৩
আৰম্ভিও কাৰ্য্য নিজে কৰি সুবিচাৰ ।
তব অনুগামী হবো প্ৰতিজ্ঞা সবাৰ ॥ ৩৪
দেশ—সেৱা ব্ৰতী গণ ৰব পথ চাই ।
তোমাৰ আদিষ্ট কৰ্ম্মে প্ৰবৰ্ত্তিব যাই ॥ ৩৫
এতেক কহিয়া সবে কৰিলে প্ৰস্থান ।
চিন্তিয়া ৰহিল তথা গান্ধী মতিমান ॥ ৩৬

ভাৰত কংগ্ৰেচে লভি উপদেশ তাৰ।
কঠোৰ সাধনা কৰি আছে অঙ্গীকাৰ ॥ ৩৭
বিলম্বত হব নষ্ট উদ্যম সবাৰ।
ব্যাকুল হইল চিত্ত চিন্তি মহাত্মাৰ ॥ ৩৮
একদা ইৰূপে চিন্তান্বিত মহামতি।
ৰজনীৰ নিত্যকৰ্ম্ম কৰি যথাৰীতি ॥ ৩৯
স্মৰি ভক্তিভৰে ভগৱন্তৰ চৰণ।
নিশি প্ৰহৰান্তে গৈয়া কৰিলে শয়ন ॥ ৪০
ঘুমায়া সকলো দীপ আশ্ৰমৰ জন।
নিদ্ৰাৰ আবেশে সবে হল অচেতন ॥ ৪১
তৃতীয় প্ৰহৰ শেষে গম্ভীৰ ৰজনী।
সুপ্ত জীৱ লৈয়া যবে নিস্তব্ধ ধৰণী ॥ ৪২
মহাত্মাৰ শয়ন গৃহক প্ৰকাশিয়া।
আচম্বিতে দেৱী মূৰ্ত্তি আবিৰ্ভূত হয়া ॥ ৪৩
উঠা দুখুনীৰ পুত্ৰ বুলিলে বচন।
নিদ্ৰা ভঙ্গ হল গান্ধী মেলিলে নয়ন ॥ ৪৪
দেখিয়া আশ্চৰ্য্য মূৰ্ত্তি বিস্ময় মানিলে।
উঠি প্ৰণমিয়া ধীৰ পুনঃ নিৰখিলে ॥ ৪৫
পৰম সুঠাম পুণ্যময় দেৱতনু।
পাণ্ডুবৰ্ণ যেন শোণিতৰ নাহি অনু ॥ ৪৬
শৃঙ্খল জড়িত দুটী কমল চৰণ।
নাহি অলক্তৰ ৰাগ নুপুৰ ভূষণ ॥ ৪৭

ককালে কিঙ্কিনি নাহি গলে হেমহাৰ ।
মলিন বসন খানি শত ছিদ্ৰ তাৰ ॥ ৪৮
বাহুত নোশোভে বাজু কৰত কঙ্কন ।
সুন্দৰ অঙ্গুলীচয় শূন্য আভৰণ ॥ ৪৯
লৌহৰ শৃঙ্খলে বদ্ধ হস্তপদ্ম দুটি ।
লৰচৰ কৰিলে বহয় ৰক্ত ফুটি ॥ ৫০
কৰ্ণত কুণ্ডল নাহি ক্ষীণ গণ্ডস্থল ।
মূৰত মুকুট নাহি ধূষৰ কুন্তল ॥ ৫১
উন্নত ললাটে নাহি সিন্দুৰৰ বিন্দু ।
বিৰস বদন যেন প্ৰভাতৰ ইন্দু ॥ ৫২
বুকুত বিন্ধিয়া ৰহে শেল তীক্ষ্ণধাৰ ।
ৰুধিৰ ছিটিকি পৰে সৰ্ব্ব অঙ্গে গাৰ ॥ ৫৩
শত্ৰুপদাঘাতৰ কষ্টত কঁপে শিৰ ।
নয়ন যুগল ফাটি ধাৰে বহে নীৰ ॥ ৫৪
ৰাখিয়া ব্যাকুল দৃষ্টি ওপৰত তাৰ ।
দেৱীমূৰ্ত্তি নিঃশ্বাস ত্যাজিলে বাৰম্বাৰ ॥ ৫৫
দেখিয়া ইৰূপ গান্ধী মনত গুণিলে ।
ভাৰত জননী মূৰ্ত্তি ধৰি দেখা দিলে ॥ ৫৬
শোকৰ অগনি তাৰ পৰাণে জ্বলিল ।
নয়ন সলিল বহি বসন তিতিল ॥ ৫৭
পুনঃ প্ৰণমিয়া ধৰি মাতৃৰ চৰণ ।
নিস্তব্ধ হইয়া পৰি ৰহে কতক্ষণ ॥ ৫৮

বস্ত্ৰৰ অঞ্চলে মছি লোতক উঠিয়া।
বুলিবে লাগিল জ্ঞানী কৃতাঞ্জলী হৈয়া ॥ ৫৯
তোমাৰ যিৰূপ মাতৃ ভাবো সদা মনে।
দেখিলোঁ সিৰূপ আজি কিবা পুণ্যগুণে ॥ ৬০
ভুবন বিজয়ী মহাবীৰৰ জননী।
যাৰ যশগীতি গালে সমগ্ৰ ধৰণী ॥ ৬১
প্ৰথমে প্ৰকাশ যৈত জ্ঞানৰ মহিমা।
জগতে বিদিত যাৰ গুণৰ গৰিমা ॥ ৬২
ধনে ৰত্নে পৰিপূৰ্ণ আছিলে আগাৰ।
মানিলে জগৎ বাসী আদেশক যাৰ ॥ ৬৩
পৃথিবীৰ ৰাজাৰ মুকুট ৰত্নপ্ৰভা।
যাৰ চৰণত পৰি কৰিছিলে শোভা ॥ ৬৪
সেহি জননীৰ আজি এনুৱা বিলায়।
কোটি কোটি সন্তানে আগতে আছে চায় ॥ ৬৫
সসাগৰা ধৰিত্ৰীৰ আছিলা পূজিতা।
কোনে বন্দী কৰে আজি হৰি স্বাধীনতা ॥ ৬৬
কোনেনো বান্ধিয়া ৰাখে তব হস্ত পদ।
কোন লোভী হৰি নিলে সমস্ত সম্পদ ॥ ৬৭
কোন জনে কাঢ়ি নিলে কিৰীটি কুণ্ডল।
কোনে ৰক্ত পীয়ে তব হানি বক্ষঃস্থল ॥ ৬৮
কাৰ পদাঘাতে শিৰ কঁপে থৰথৰ।
কিবা শোকে লোতক বহিছে জৰ জৰ ॥ ৬৯

ধৰ্ম্মে জলাঞ্জলি দিয়া কোন পাপমতি ।
কৰিলে তোমাক হায় এনুৱা দুৰ্গতি ॥ ৭০
কোনে বান্ধি দিলে অগ্নি বস্ত্ৰৰ অঞ্চলে ।
অধৰ্ম্মৰ ফল নাভাবিয়া গৰ্ব্ববলে ॥ ৭১
কিয় হেন কাপুৰুষে জনম ধৰয় ।
জননীৰ দুঃখে যাৰ নোপোৰে হৃদয় ॥ ৭২
ইসব চিন্তাত মাতৃ দহে সদা প্ৰাণ ।
তোমাৰ মঙ্গল বিনে নিচিন্তোহোঁ আন ॥ ৭৩
বিপক্ষ সম্বন্ধ ত্যাজি সহি নিৰ্য্যাতন ।
অহিংস নীতিত সুসংযত ৰাখি মন ॥ ৭৪
ঘুচাব দাসত্ব দুঃখ ছিঙ্গিব বন্ধন ।
নিবেদিলোঁ বহুৰূপে আপোনাৰ জন ॥ ৭৫
নোৱাৰিলোঁ তথাপি সাধিব কোনো কাজ ।
জগত সমাজে মাত্ৰ পালোঁ বহু লাজ ॥ ৭৬
নুবুজিলে মোহে অন্ধ তব পুত্ৰগণ ।
বিফল সকলো যত্ন নোহে একমন ॥ ৭৭
আইন লঙ্ঘন পুনঃ কৰাইলোঁ পণ ।
নেদেখি উপায় তাৰ স্থিৰ নোহেমন ॥ ৭৮
দিবস ৰজনী প্ৰাৰ্থি আছোঁ ঈশ্বৰক ।
কোননো উপায়ে কৰো জীৱন সাৰ্থক ॥ ৭৯
যদি দেখা দিলা মাতৃ পুত্ৰক স্নেহত ।
উচিত আদেশ আজি কৰিয়ো ৰেকত ॥ ৮০

এতেক কহিয়া গান্ধী সুধীৰ সুমতি ।
নীৰবে ৰহিলে চাই জননীৰ প্ৰতি ॥ ৮১
গান্ধীৰ চৰিত অতি পবিত্ৰ আখ্যান ।
ধৰ্ম্মত প্ৰবৃত্তি হোৱে যদি দিয়ে কাণ ॥ ৮২
কাৰাগাৰে বিৰচিলোঁ মই মন্দমতি ।
ক্ষমিব দোষক সন্তে কৰিলোঁ মিনতি ॥ ৮৩
ভাৰতৰ নৰ-নাৰী হোৱা এক মন ।
গান্ধীৰ আদেশে কৰা কৰ্ত্তব্য সাধন ॥ ৮৪
হিংসাক নিদিবা কদাচিতো মনে স্থান ।
নাৰাখিবা অন্তৰত বৃথা অভিমান ॥ ৮৫
ত্যাজিবা মাদক নলঙ্ঘিবা ধৰ্ম্ম-নীতি ।
নিঘিণাবা জীৱক বঢ়াবা দয়াপ্ৰীতি ॥ ৮৬
হিংসা কপটতা স্বাৰ্থ কৰি বিসৰ্জ্জন ।
দেশ-সেৱা মহাব্ৰত কৰিবা গ্ৰহণ ॥ ৮৭
ঈশ্বৰ চৰণে কৰি আত্ম সমৰ্পণ ।
ৰিপুগণ দমিবা ৰাখিবা শুদ্ধমন ॥ ৮৮
ৰবা ধৰ্ম্মকৰ্ম্মে ৰত আত্মশুদ্ধি কৰি ।
দেশৰ কল্যাণ হব নিজে যাবা তৰি ॥ ৮৯

# দ্বিতীয় অধ্যায় ।

## মহাত্মা গান্ধীৰ প্ৰতি ভাৰত মাতাৰ উক্তি (১)

মহাত্মাৰ বাণী শান্তি বাৰি ধাৰা
পৰশি মৰম স্থান ।
শোক তাপ শমি ভাৰত মাতৃৰ
শীতল কৰিলে প্ৰাণ ॥ ১

পিচে জননীয়ে গান্ধীক আশীষি
গদগদ ভাষে কলে ।
নকৰিবা শোক মোৰ এহি দশা
কৰ্ম্মবন্ধনৰ ফলে ॥ ২

কোনোবা পুণ্যত তোমাহেন পুত্ৰ
দয়া কৰি দিলে বিধি ।
নিদান কালত ভুৰ্ভাগিনী মোৰ
তুমি অঞ্চলৰ নিধি ॥ ৩

মুক্তিৰ কাৰণে নিকাৰ ভুঞ্জিছা
সহিছা কতনো দুঃখ ।
ধন ৰত্ন গল দেহা ক্ষীণ হল
তথাপি নোহা বিমুখ ॥ ৪

ইসন তপস্যা বৃথা নাভাবিবা
ফল দৰশাব কালে ।
তোমাৰ যত্নেসে মৃতপ্ৰায় সবে
সঞ্জীবনী শক্তি পালে ॥ ৫
কৰিব আদেশ সুবিজ্ঞ তোমাক
কিবা আছে প্ৰয়োজন ।
মুক্তি সাধনৰ কালোচিত পন্থা
চিন্তি আছা অনুক্ষণ ॥ ৬
ভাবি পূৰ্ব্বাপৰ দেখি কালপাত্ৰ
কৰি সবে একমত ।
শাসন কুনীতি লঙ্ঘনৰ তুমি
ধৰিছা কঠোৰ ব্ৰত ॥ ৭
নকৰা বিলম্ব আছে অপেক্ষিয়া
সমস্ত সেবক গণে ।
শীঘ্ৰে সি সবক দেখাবা আদৰ্শ
নিদিবা উৎকণ্ঠা মনে ॥ ৮
আশ্ৰমৰ হন্তে লৈয়া সঙ্গীগণ
যাবা সমুদ্ৰৰ পাৰ ।
লবণ আইন লঙ্ঘিবা সি থানে
নীতি ধৰি অহিংসাৰ ॥ ৯
লভিছে চেতন ভাই ভনী গণ
ধৰিব তোমাৰ পথ ।

## গান্ধী চৰিত

নানা নিৰ্য্যাতন দুঃখ ভোগ অন্তে
সিদ্ধ হব মনোৰথ ॥ ১০
জগত স্ৰষ্টাৰ আছে আশীৰ্ব্বাদ
লভিবা শেষত জয় ।
বহু বৰষৰ বন্ধন ছিঙিব
পশুশক্তি পাব লয় ॥ ১১
ইদৰে আদেশি ভাৰত জননী
স্মৰি যত পূৰ্ব্ব কথা ।
মনৰ আবেগে কহিলে বিবৰি
জুৰাব দাৰুণ ব্যথা ॥ ১২
জীৱন ব্যাপিয়া একনিষ্ঠ মনে
আছা উগ্ৰতপ কৰি ।
পৰম যতনে সেৱিছা মাতৃক
আত্ম সুখ পৰিহৰি ॥ ১৩
সিদিনা বৃটিশে আফ্ৰিকা দেশক
কত নৰনাৰী নিলে ।
আগে আশা দিয়া পিচে প্ৰবঞ্চিয়া
অশেষ যাতনা দিলে । ১৪
সি সবৰ দুঃখ কৰিব মোচন
গৃহত্যাজি গৈলা তাত ।
আপোন প্ৰভাবে যি কাৰ্য্য সাধিলা
সিটো জগততে খ্যাত ॥ ১৫

জ্ঞান সভ্যতাৰ বৃথা অভিমানী
শ্বেতাঙ্গ তুৰাবে মাগি।
উচিত বিচাৰ নাপায়া তোমাৰ
পৌৰুষ উঠিলে জাগি ॥ ১৬
কোনোবা স্বৰ্গৰ প্ৰেম পৰশাই
পশুক কৰিলা নৰ।
অসাধ্য সাধনে সাধু প্ৰশংসিলে
শত্ৰুৰ লাগিলে ডৰ ॥ ১৭
ভীৰু কাপুৰুষ হল মহাবীৰ
তব মহামন্ত্ৰ বলে।
নতুন উৎসাহে আসি ঠিয় দিলে
জাতীয় পতাকা তলে ॥ ১৮
পুৰুষ ৰমণী হাঁহি শাস্তিললে
তোমাক আদৰ্শ মানি।
বিপক্ষ হৃদয় কঁপালে সঘনে
উচ্চাৰি বিজয় বাণি ॥ ১৯
সাত সাগৰৰ ঢৌৱে গৈ বাগৰি
প্ৰতিধ্বনি হল তাৰ।
ইংলণ্ড সভাত গৰ্ব্বী বৃটিশৰ
ম্লান কৰি অহঙ্কাৰ ॥ ২০
দক্ষিণ আফ্ৰিকা উপনিবেশত
হীৰুক আকৰ লুব্ধ।

বুয়ৰৰ সঙ্গে বৃটিশ সৈন্যৰ
ঘটিলে সিকালে যুদ্ধ ॥ ২১
বিষম বিপদ দেখি বৃটিশৰ
সঙ্গীগণ সহ তব ।
আহত জনৰ সেৱাত লাগিলা
ভুলি অত্যাচাৰ সব ॥ ২২
যি সব দুৰ্জ্জনে তোমাক হিংসিলে
মাৰিবে বুদ্ধি চিন্তিলে ।
কৰি নানা ফন্দি কাৰাবাসে ৰাখি
বিবিধ যন্ত্ৰণা দিলে ॥ ২৩
সি সবকো তুমি সঙ্কট কালত
দেখিয়া বিপন্ন অতি ।
দয়াত দ্ৰবিয়া যতনে তাৰিলা
দেখালা ধৰ্ম্মৰ গতি ॥ ২৪
সি দেশত আজি দৰিদ্ৰ কুটীৰ
ধনীৰ প্ৰাসাদ জুৰি ।
তোমাৰ অপূৰ্ব্ব যশক ঘোষিছে
সহস্ৰ পতাকা উৰি ॥ ২৫
ভূধৰে সাগৰে নগৰে প্ৰান্তৰে
তোমাৰ কীৰ্ত্তিৰ কথা ।
আকাশে পৱনে তৰুলতাগণে
আছে সকলোতে গথা । ২৬

কতদিন পৰে গৃহক আসিলা
সাঁচি লৈয়া ইটো জ্ঞান ।
পৰে আশা বৃথা পাৰে কৰিবাক
নিজেহে নিজক ত্ৰাণ ॥ ২৭

* * *

পৰস্পৰ স্পৰ্দ্ধী য়ুৰোপ শক্তিয়ে
লগালে যেতিয়া যুদ্ধ ;
আকাশ ভূতল জলধি কপিল
হল পৃথ্বীবাসী স্তব্ধ ॥ ২৮

অতুল প্ৰতাপ জাৰ্ম্মান বীৰৰ
অদ্ভুত যুদ্ধ কৌশল ।
কঁপালে হৃদয় বৃটিশ সিংহৰ
তুটালে বাহুৰ বল ॥ ২৯

সাম্ৰাজ্য গৌৰব হোৱে ভাবি খৰ্ব্ব
অধিপতি ইংলণ্ডৰ ।
আদেশিলে মোক বিবিধ সম্ভাৰ
পঠাইবে সংগ্ৰামৰ ॥ ৩০

পৰাধীনা মই ধৰ্ম্মে লক্ষ্য কৰি
ৰজাৰ আদেশ পালি ।
কোটি কোটি ধন সৈন্য অগণণ
দিলোঁ যুদ্ধানলে ঢালি ॥ ৩১

বিধিৰ বিধানে যবে শান্তৰণ
ৰহিল বৃটিশ মান ।
লাজে দুঃখে মৰো মুখে প্ৰকাশিব
পালো৺ যিটো প্ৰতিদান ॥ ৩২
পূৰ্ব্ব প্ৰতিশ্ৰুতি এৰিলে ইংৰাজে
পাই বিপদৰ পাৰ ।
ৰক্ত দি বুকুৰ বিশ্বাস নাপালো৺
হল বিপৰীত তাৰ ॥ ৩৩
পঞ্জাবে লভিলে ৰৌলত আইন
চৰ্চ্চা বন্ধ ৰাজনীতি ।
হৃদয় বেদনা ফুটাব নোৱাৰে
এনে শাসনৰ ৰীতি ॥ ৩৪
পঞ্চনদ বাসী ইটো দুঃখ লাজ
নোৱাৰি থাকিব সহি ।
আলচি কৰ্ত্তব্য থাকোতে এদিনা
জানিলা বাগত বহি ॥ ৩৫
শ্বেতাঙ্গ সেনানী ডায়াৰ দুৰ্ম্মতি
কৃতান্তৰ মূৰ্ত্তি ধৰি ।
অৱৰোধি পথ গুলি বৰষিলে
জনতাক লক্ষ্য কৰি ॥ ৩৬
বিনা অপৰাধে বহু শত লোক
বধিও ক্ষান্ত নুহিলে ।

নগৰৰ যত সম্মানী জনক
অকথ্য লাঞ্চনা দিলে ॥ ৩৭
দাম্ভিক ইংৰাজে ইটো দুষ্কৰ্ম্মৰ
নকৰিলে সুবিচাৰ ।
গৌৰব বঢ়ালে নৃশংসক দিয়া
সম্মানৰ পুৰস্কাৰ ॥ ৩৮
দাৰুণ বিধাতা মোক সমৰ্পিলে
এনে শাসকৰ কৰে ।
হিয়াৰ বেদনা মুখে প্ৰকাশিলে
শিৰে পদাঘাত পৰে ॥ ৩৯
ইটো মৰ্ম্মভেদী অত্যাচাৰ তৰ
অন্তৰে হল দুঃসহ ।
চিন্তি প্ৰতিকাৰ তুমি মহামতি
আৰম্ভিলা সত্যাগ্ৰহ ॥ ৪০

* * *

সম্মান সমৃদ্ধি সুখ স্বাধীনতা
পৰহস্তে দিয়া তুলি ।
মোহনিদ্ৰাবশে যত নৰনাৰী
আছে আপোনাকে ভুলি ॥ ৪১
মুক্তি মহামন্ত্ৰে সঞ্চাৰি চেতনা
সবাকে জাগ্ৰত কৰি

মোক উদ্ধাৰিবে কৰিলা সংকল্প
অভিনব পথ ধৰি ॥ ৪২
মধ্যভাৰতৰ ৰাষ্ট্ৰীয় সভাত
পিচে হুয়া উপগত ।
অনেক প্ৰবন্ধে যুক্তি প্ৰদৰ্শীলা
সমৰ্থিবে তব মত ॥ ৪৩
নিজ কৰ্ম্মদোষে ঘটে নিজ দুঃখ
নিজকৰ্ম্মে খণ্ডি যায় ।
পৰ প্ৰাৰ্থনাত নিফিৰে সৌভাগ্য
আত্মশক্তি লোপ পায় ॥ ৪৪
এৰি ভিক্ষাবৃত্তি যতনে ধৰিলে
আত্মনিৰ্ভৰৰ পথ ।
যত বাধা বিঘ্ন ক্ৰমে আতৰিব
সিদ্ধহব মনোৰথ ॥ ৪৫
আলস্য বিসৰ্জ্জি হাতে সূতা কাটি
কৰিললে নিজ বস্ত্ৰ ।
গুচিব দাৰিদ্ৰ্য মুক্তি সংগ্ৰামত
জিকিব নধৰি অস্ত্ৰ ॥ ৪৬
ত্যাগে মাদকৰ অৰ্থ স্বাস্থ্যৰব
বাঢ়িব চৰিত্ৰ বল ।
দুঃখ নিৰ্য্যাতন সহিলে নৰব
দণ্ডবিধানৰ ছল ॥ ৪৭

হিংসা প্ৰতিহিংসা নাৰাখি মনত
ধৰ্ম্মে ৰাখি শুদ্ধমতি ।
সত্যে প্ৰবৰ্ত্তিলে নাপাৰিবা কেহ
ৰোধিব মুক্তিৰ গতি ॥ ৪৮
ঘৃণা অভিমান ক্ষুদ্ৰ স্বাৰ্থত্যাজি
মিলিগলে পৰস্পৰ ।
একতাৰ বলে অসাধ্য সাধিব
দূৰে যাবে শত্ৰু ডৰ ॥ ৪৯
দীন দুৰ্ব্বলৰ অৰ্থ বুদ্ধি বল
অহিংস পৰম ধৰ্ম্ম ।
নিষ্কপট চিত্তে তাত মতিদিলে
সিজিব সকলো কৰ্ম্ম ॥ ৫০
শাসন কাৰ্য্যৰ সহযোগ ত্যাগে
ভাঙ্গিব শাসন যন্ত্ৰ ।
সুধি-গণ মিলি ধৰ্ম্মৰ ভেটিত
গঢ়িব নতুন তন্ত্ৰ ॥ ৫১
জাতীয় কংগ্ৰেছ হব শক্তিশালী
প্ৰজা সহযোগ পাই ।
পুৰুষ ৰমণী ৰঙ্গে প্ৰবেশিব
উদ্দেশ্য বিচাৰি চাই ॥ ৫২
অষ্টাদশ বৰ্ষ উৰ্দ্ধে বয়সৰ
নীতি মানি যথাযথ ।

ধৰ্ম্ম জাতি কুল নিৰ্ব্বিশেষে সবে
লভিব প্ৰবেশ পথ ॥ ৫৩
ছাত্ৰগণ যাব বিদ্যালয় হন্তে
বিদ্যাশিক্ষা বন্ধ কৰি।
দেশৰ সেৱাত আত্ম নিয়োগিৰ
কংগ্ৰেছৰ নীতি ধৰি ॥ ৫৪
বন্দী ভাৰতৰ শাসন সংস্কাৰ
দুঃখ অপমান মুক্তি।
হইব ইৰূপে জগতে দেখিব
অহিংস ধৰ্ম্মৰ শক্তি ॥ ৫৫
ত্যাগ সহনৰ মহিমাত যাব
বৃটিশৰ গৰ্ব্ব তুটি।
দাস প্ৰভু ভেদ ভাব আতৰিব
হব পৰস্পৰে প্ৰীতি ॥ ৫৬
ইটো সাৰ যুক্তি ৰাষ্ট্ৰীয় সভাত
ললে সৰ্ব্বজনে মানি।
নিৰস্ত্ৰ দুৰ্ব্বল মোৰ সন্তানৰ
উদ্ধাৰ উপায় জানি ॥ ৫৭
ত্যাগী গুণীজন সঙ্গে কৰি তুমি
ত্যাজি গৃহ সুখ ভোগ।
অদম্য উৎসাহে প্ৰচাৰিলা নীতি
অহিংস অসহযোগ ॥ ৫৮

জাতীয় প্ৰেমৰ অমৃতৰ ধাৰা
শতমুখে বহি গল ।
মোৰ শ্মশানত কোটি কঙ্কালত
জীৱন সঞ্চাৰ হল ॥ ৫৯
নৱ উৎসাহৰ উদ্দীপন ধ্বনি
উঠিলে ব্যোম কঁপাই ।
প্ৰবেশিয়া কাণে বিদৰ্ভ আজমীৰ
গুৰ্জ্জৰ কচ্চ বোম্বাই ॥ ৬০
সিন্ধু পঞ্চনদ অযোধ্যা মগধ
আসাম উড়িষ্যা বঙ্গ ।
ব্ৰহ্ম মদ্ৰ অন্ধ্ৰ কৰ্ণাট সবাৰ
হল মোহ নিদ্ৰা ভঙ্গ ॥ ৬১
হিমাদ্ৰি কুমাৰী সদিয়া কৰাচী
ব্যাপিলে একেটি কথা ।
নৱ প্ৰেৰণাত শিশু যুবা বৃদ্ধ
গাহিলে মুক্তিৰ গাথা ॥ ৬২
জগতৰ দৃষ্টি কৰি আকৰ্ষণ
উড়িল জাতীয়ধ্বজা ।
দলে দলে আহি ভক্তি নত শিৰে
সম্মানিলে কোৰ প্ৰজা ॥ ৬৩ মোত
জাতিৰ সঙ্কেতে ত্ৰিবৰ্ণ ৰঞ্জিত
মধ্যত শোভে যতঁৰ ।

হিন্দুৰ ৰক্তিম মুস্লিমৰ নীল
শুভ্ৰবৰ্ণ অপৰৰ ॥ ৬৪
আকাশ বুকুত পতাকা অঞ্চল
বায়ুতৰঙ্গত নাচি।
বুজালে সবাক নাচনৰ ছন্দে
মুক্তিৰ কবিতা ৰচি ॥ ৬৫
তব উপদেশে ধৰি মহাব্ৰত
হল বহুজন শুদ্ধ।
জননী সেৱাৰ পবিত্ৰ প্ৰেমত
লক্ষ লক্ষ জন মুগ্ধ ॥ ৬৬
বিদেশী বসন পুৰি ভস্ম কৰি
যঁতৰ যঁতৰী ললে।
মাদক দ্ৰব্যৰ ব্যৱহাৰ এৰি
যোৱা ধন সাঁচি থলে ॥ ৬৭
অস্পৃশ্যক ললে বুকুত সাবটি
ত্যাজি ঘৃণা অভিমান।
নিৰ্ভীক হৃদয়ে কাৰা কৰি ললে
দুঃখলৈ নকৰি কান ॥ ৬৮
ধৰ্ম্ম জাতি কুল স্বাৰ্থ ভেদ ভুলি
ভ্ৰাতৃভাবে গল মিলি।
মুক্তিৰ সংগ্ৰাম ৰঙ্গে আৰম্ভিল
তোমাৰ আদেশ পালি ॥ ৬৯

ভাবিছিলোঁ মোৰ অমানিশা ঘোৰ
আতৰি যাবৰ হল।
সৌভাগ্যৰ সূৰ্য্য মোৰ আকাশত
উদয় হবলৈ গল ॥ ৭
বন্ধন ছিঙ্গিব হৃদয় জুৰাব
শুকাব অশ্ৰুৰ ধাৰ।
অন্নৰ বস্ত্ৰৰ দুঃখ দুৰে যাব
পাম ৰাজ অলঙ্কাৰ ॥ ৭১
বৃটন ভগিণী আদৰিব মোক
সন্মানি কৰিব ধন্যা।
বসুমতী আই দেখি শান্ত হব
তুল্যাসনে দুটী কন্যা ॥ ৭২
কিন্তু নিয়তিৰ গতি নিফিৰিল
নোপোৱালে দুঃখ নিশা।
আশাৰ সপোন নিমিষে ভাঙ্গিল
থাকিল একেটি দশা ॥ ৭৩
ভয়ে অভিমানে চতুৰ বৃটিশে
আলচিলে নানা ফন্দি।
জাতীয় যুদ্ধৰ সেনানী তোমাক
কিৰূপে কৰিব বন্দী ॥ ৭৪
দাৰিদ্ৰ্য ক্লেশৰ ভয়ে বা মোহত
ৰাজকৰ্ম্মচাৰী গণে।

নেৰিলে দাসত্ব গুচালে আতঙ্ক
বিদেশী প্ৰভুৰ মনে ॥ ৭৫
স্বাৰ্থলোভে অন্ধ বিদেশী শাসকে
ধৰ্ম্মক উলঙ্ঘা কৰি।
চল্লিশ সহস্ৰ কাৰাবাসে দিলে
বিনা অপৰাধে ধৰি ॥ ৭৬
হিংসা দ্বেষ শূন্য জগতৰে বন্ধু
তোমাৰ বন্ধন হল।
চন্দ্ৰ সূৰ্য্য বায়ু পৃথিবী অম্বৰ
অন্তৰ্য্যামী সাক্ষী বল ॥ ৭৭
উৎসাহ উদ্যম কাৰো নাথাকিল
হেৰাল মুখৰ মাত।
অতৃপ্ত বাসনা হৃদয়তে বল
সুদিনৰ প্ৰতীক্ষাত ॥ ৭৮
এতেক কহিয়া দুঃখৰ কাহিনী
ক্ষণেক নিস্তব্ধ থাকি।
পুনঃ আৰম্ভিলে ভাৰত জননী
গান্ধীক মৰমে ডাকি ॥ ৭৯
গান্ধীৰ চৰিত জগতে অতুল
শুনা সবে কৰ্ণ ভৰি।
কাৰাগাৰে বসি ৰচিলোঁ যতনে
কীৰ্ত্তি কথা মনে স্মৰি ॥ ৮০

ভাৰতৰ প্ৰজা নহবা হতাশ
ধৈৰ্য্য ধৰি কৰা কাম ।
মহাত্মাৰ বাক্যে কৰ্ত্তব্য সমাধি
ৰাখা স্বদেশৰ নাম ॥ ৮১
কদাপি নিদিবা হিংসাক আশ্ৰয়
বচনে মননে কৰ্ম্মে ।
মুক্তি সংগ্ৰামত লভিবা বিজয়
অহিংসাৰ মহাধৰ্ম্মে ॥ ৮২

# তৃতীয় অধ্যায়।

## মহাত্মা গান্ধীৰ প্ৰতি ভাৰত মাতাৰ উক্তি (২)

তুমি মহাজ্ঞানী জানা সমস্তকে
মোৰ দুৰ্গতিৰ কথা।
তথাপি তোমাক প্ৰকাশি জুৰাম
দাৰুণ হৃদয় ব্যথা॥ ১

ৰুদ্ৰ শাসনৰ তীব্ৰ বিভীষিকা
ৰুধিলে মুক্তিৰ পথ।
নবীন যাত্ৰীৰ পৰি বল হায়
সাৰথি-বিহীন ৰথ॥ ২

সঙ্গীগণ সহ ৰাষ্ট্ৰ নেতা তুমি
বলা কাৰা গৃহে ৰুদ্ধ।



দেশবন্ধু চিত্তরঞ্জন দাস

কৰ্ত্তব্য বিমূঢ় হতাশ প্ৰজাৰ
থামিল জাতীয় যুদ্ধ ॥ ৩
ত্যাগ সংযমৰ কঠোৰ সাধনা
এৰিলে বিষাদ ভৰে।
স্বৰাজ বাসনা মনতে লুকাল
দমন নীতিৰ ডৰে ॥ ৪
তামস ভোগৰ আকাঙ্ক্ষা অগনি
জ্বলিল চৌদিশ জুৰি।
মোহান্ধ সন্তানে নামানি বাৰণ
আত্মাহুতি দিলে উড়ি ॥ ৫
ঘোৰ অন্ধকাৰে ঢাকিলে আকাশ
হেৰাল বাটৰ চিন।
আকুল পৰাণে অপেক্ষি থাকিলোঁ।
কেতিয়ানো আহে দিন ॥ ৬

* * *

জননী সেৱাৰ ব্ৰতী পুত্ৰ গণে
লভি কাৰাবাস মুক্তি।
গয়া নগৰৰ জাতীয় সভাত
কৰিলে বিবিধ যুক্তি ॥ ৭
কৌন্সিল প্ৰবেশ সমস্যা উঠিল
হল মতভেদ সৃষ্টি।

তৰ্ক বিতৰ্কত কাল কাটি গল
কামত নবল দৃষ্টি ॥ ৮
চিত্তৰঞ্জনক কৌন্সিলী সকলে
সাৰথি মানিয়া ললে ।
স্বৰাজীৰ দল কৰিলে গঠন
তৰ্ক যুক্তি বুদ্ধি বলে ॥ ৯
সঙ্গত মিলিল নেহেৰু পেটেল
আজমল মহাকীৰ্ত্তি ।
মুঞ্জী জয়াকাৰ আলম কেলকাৰ
গয়াসিংহ সত্যমূৰ্ত্তি ॥ ১০
ভাৰ্গব, চৈত্ৰাম টি প্ৰকাশম
লালা লাজপত ৰয় ।
সুভাষ যতীন তৰুণ নবীন
শ্ৰীনিবাস মহাশয় ॥ ১১
মিলি সাঙ্গো পাঙ্গে ভোট সংগ্ৰহৰ
তুল্য প্ৰতিদ্বন্দ্বী যুদ্ধ ।
লগালে অবোধ প্ৰজাগণে হুয়া
প্ৰতিযোগিতাত অন্ধ ॥ ১২
তোমাৰ পথক অনুসৰি বল
কৌন্সিলক পিঠি দিয়া ।
সৰ্দ্দাৰ বল্লভ ৰাজেন্দ্ৰ প্ৰসাদ
ৰাজা গোপালাচাৰিয়া ॥ ১৩



৺কৰ্ম্মবীৰ নবীন চন্দ্ৰ বড়দলৈ।



৺দেশভক্ত তৰুণ ৰাম ফুকন

ইটো ভেদ বুদ্ধি আছিলেক চান্দি
সুদক্ষ বৃটিশ জাতি ।
লভিয়া সুচল কৰিব দুৰ্ব্বল
বন্ধন ধৰিলে আটি ॥ ১৪

* * *

মুক্তি সংগ্ৰামৰ সেনানী তোমাক
ৰাখিলে আবদ্ধ কৰি ।
বন্দীশালে থাকি লভিলা বিশ্ৰাম
কালৰ কৰ্ত্তব্য স্মৰি ॥ ১৫

হৰষে বিষাদে সদা সমভাব
প্ৰশান্ত অন্তৰে তব ।
জনসম্মোহন চৰিত্ৰমাহাত্ম্যে
মুগ্ধ কাৰাবাসী সব ॥ ১৬

কত দিন পৰে পাইলোঁ বাৰতা
তোমাৰ শৰীৰে ৰোগ ।
আৰু নো কতনা আছে কপালত
দুঃখ যন্ত্ৰনাৰ ভোগ ॥ ১৭

চঞ্চল হইলো অঞ্চল পাতিয়া
মাগিলো জীৱন ভিক্ষা ।
দয়াময় প্ৰভু সুপ্ৰসন্ন হল
কৰিলে সিবাৰ ৰক্ষা ॥ ১৮

জগতৰে শান্তি সাধনা তোমাৰ
মহান উদাৰ প্ৰাণ।
কোন সতে বান্ধি ৰাখিলে বুটিশে
হেকৰাই ধৰ্ম্ম জ্ঞান ॥ ১৯

আপোন প্ৰতিষ্ঠা কৰিয়া সুস্থিৰ
অবশেষে দিলে এৰি।
জগতৰ নিন্দা স্বৰগৰ শাপ
নিজ পৰিণাম ডৰি ॥ ২০

বাহিৰত দেখি মৰ্ম্মাহত হলা
সহকৰ্ম্মি গণে ভেদ।
সূক্ষ্মদৰ্শী তুমি তত্ত্বক বুজিয়া
সম্বৰিলা মনঃ খেদ ॥ ২১

নামানি নিষেধ দক্ষকৰ্ম্মিগণে
কৌঞ্চিলত প্ৰবেশিলে।
ভাবিলা অৱশ্যে হুইব বিমুখ
আপুনি বুজিয়া নিলে ॥ ২২

নিজ নিজ পথে চলিবে বুলিলা
মোৰ হিতে ৰাখি মন।
আপোন কৰ্ম্মেহে আপোনাৰ হব
জ্ঞান চক্ষু উন্মীলন ॥ ২৩

স্বৰাজী দলক সমৰ্পিয়া দিলা
ৰাষ্ট্ৰনীতি কাৰ্য্যভাৰ।

বস্ত্ৰ অস্পৃশ্যতা দুটী সমস্যাক
তুমি কৰি ললা সাৰ ॥ ২৪
জেতা বিজিতৰ বিষম সংঘৰ্ষ
অবিৰাম চলি ৰল ।
ভুঞ্জি নানা ক্লেশ মূঢ় সন্তানৰ
নয়ন মুকলি হ'ল ॥ ২৪

*  *  *

পৰৰ অধীনা মোৰ দুৰ্গতিৰ
কোন দিনা হব শেষ ।
দুঃখৰ উপৰি দুঃখ ভুঞ্জি আছোঁ
নলভিলো সুখলেশ ॥ ২৬
হিন্দু মুছলমান দুটি ভায়ে মিলি
নোৱাৰে বঞ্চিব কাল ।
নিজক নিচিনি আত্ম-দ্ৰোহ কৰি
দিয়ে নানা আহুকাল ॥ ২৭
ভেদ নীতি দক্ষ শাসকৰ মন্ত্ৰে
ভুলি আপোনাৰ জ্ঞান ।
মিছা জেদ ধৰি পৰস্পৰে হিংসি
জননীৰ দহে প্ৰাণ ॥ ২৮
কোহাটৰ হন্তে দাৰুণ সংবাদ
পশিল তোমাৰ কাণে ।

অলেখ হিন্দুৰ ধন প্ৰাণ হৰে
ক্ৰুদ্ধ মুছলমানগণে ॥ ২৯
বহুবিধ যত্নে নোৱাৰি সাধিব
উভয়ৰ মিল প্ৰীতি ।
একবিংশ দিন অনশনে থাকি
কৰিলা ঈশ্বৰ স্তুতি ॥ ৩০
নিছিগিলে মোৰ অধীনতা পাশ
নাছিলে স্বাধীন মান ।
ঘুচুছিলে দুঃখ অন্নৰ বস্ত্ৰৰ
নিফিৰিলে ধৰ্ম্মজ্ঞান ॥ ৩১
অধীন দৰিদ্ৰ মূঢ় সন্তানৰ
নাযায় মনৰ ভ্ৰান্তি ।
বিদ্ৰোহ অনল জ্বলিয়ে থাকিব
নাপায় মনত শান্তি ॥ ৩২
ক্ষীণ শৰীৰত মোৰ ত্ৰাণ হেতু
আছা উগ্ৰতপ কৰি ।
দিবস ৰজনী তোমাৰ মুখক
চাই ৰৈছোঁ প্ৰাণ ধৰি ॥ ৩৩
পূৰ্ব্ব পুণ্য স্মৃতি অন্তৰত ৰাখি
কৰি বিশ্বপতি ধ্যান ।
মই দুৰ্ভাগিনী বাট চাই আছোঁ
কেতিয়ানো পাও ত্ৰাণ ॥ ৩৪

বসুধা মাতৃৰ বুকুত উজ্জ্বলি
আছিলোঁ স্নেহৰ কন্যা ।
ধনে অন্নে জ্ঞানে সন্তোষি জগত
মানিছিলোঁ মই ধন্যা ॥ ৩৫
হায় অকৃতজ্ঞ জগতৰ জন
ভুলিলে পূৰ্ব্বৰ দিন ।
যাৰ জ্ঞান বলে মনুষ্যত্ব পালে
তাৰ নুশুজিলে ঋণ ॥ ৩৬
এয়ে সভ্যতাৰ অভিমান হায়
এয়ে বল বুদ্ধি জ্ঞান ।
আগতে দেখিছে মোৰ এই দশা
তথাপি নকৰে কাণ ॥ ৩৭
অজ্ঞান আন্ধাৰে ঢাকি ৰাখিছিলে
জ্ঞান দীপ্তি দিলে কোনে ।
কাৰ সুমুখৰ উপদেশ বাণি
আগ্ৰহে প্ৰথমে শুনে ॥ ৩৮
বিশ্ব প্ৰকৃতিত মহিমা বিশ্লেষি
কোনে উলিয়ালে মূল ।
তাৰ তত্বজ্ঞান জগতে প্ৰচাৰি
কোনে গুচুৱালে ভুল ॥ ৩৯
সমুদ্ৰক মথি অমৃতক লভি
কোনে বিতৰিলে ভবে ।

পৃথ্বী দোহনৰ সাৰবস্তু দানে
কোনে সন্তোষিলে সবে ॥ ৪০
কাৰ তপোবলে সামগান ৰবে
হল ধৰা পুলকিত ।
কাৰ যজ্ঞাহুতি স্বৰ্গ পৃথিবীৰ
সমানে সাধিলে হিত ॥ ৪১
ভূতলে মানৱ ব্যোমে গ্ৰহ তাৰা
গুপ্ত সম্বন্ধক ভেদি ।
কোনে প্ৰকাশিলে ভাগ্যৰ গণনা
মনৰ সংশয় ছেদি ॥ ৪২
কাৰ অৰণ্যত মুনি গণ বহি
চৰ্চ্চিলে পূৰাণ কথা ।
আয়ুৰ্ব্বেদ শাস্ত্ৰ প্ৰণয়ন কৰি
চলালে চিকিৎসা প্ৰথা ॥ ৪৩
পৃথিবীৰ যত শ্ৰেষ্ঠ উপাদানে
কাক বিৰচিলে বিধি ।
কাৰ ভড়ালত মিলিছিল আহি
সাত সাগৰৰ নিধি ॥ ৪৪
ছয়টি ঋতুৰে বিলাস ভবন
আৰু আছে কোন স্থানে ।
কাৰ বননীত মলয় পবনে
স্বৰ্গৰ উৎসব আনে ॥ ৪৫

কাৰ শিতানত হিমাদ্ৰী শিখৰী
সগৰ্ব্বে প্ৰহৰী ৰয় ।
কাৰ চৰণক সমুদ্ৰে সাবতি
প্ৰেমত উতলা হয় ॥ ৪৬
কাৰ আশ্ৰমত শিখী ভুজঙ্গৰ
মৃগ শাৰ্দ্দূলৰ প্ৰীতি ।
কাৰনো আছিল বিশ্বক সাবোটা
উদাৰ ধৰ্ম্মৰ নীতি ॥ ৪৭
কাৰ সমাজত বৰ্ণাশ্ৰম্ ধৰ্ম্ম
প্ৰকৃতিৰ গঢ়ে বান্ধা ।
কত এনে শ্ৰেষ্ঠ গৃহস্থৰ কৰ্ম্ম
চতুৰ্ব্বৰ্গ ফল সাধা ॥ ৪৮
কাৰ মন্দিৰৰ শঙ্খ ঘণ্টা ৰব
উঠিলে গধূলি পুৱা ।
কাৰ মহাতীৰ্থে পাতকীৰ হল
সহস্ৰ পাতক ধোৱা ॥ ৪৯
নাট মহাকাব্য চৌষষ্টিটি কলা
দৰ্শন সংহিতা যত ।
বেদ ৰামায়ণ ভাৰত গীতাৰ
অপূৰ্ব্ব ৰহস্য কত ॥ ৫০
কবি কালিদাস ব্যাস বাল্মীকিৰ
বীণাৰ ঝঙ্কাৰ ধ্বনি ।

ক'ত পশু পক্ষী দেবতা মানব
হল বিমোহিত শুনি ॥ ৫১
কতনো ৰজাই প্ৰজাৰঞ্জনত
প্ৰাণক উৎসৰ্গি দিলে ।
ঋষিত্ব বিচাৰি সিংহাসন এৰি
বাকলি বসন নিলে ॥ ৫২
ৰাম যুধিষ্ঠিৰ জনক অশোক
কতনো আছিল ৰজা ।
স্বৰ্গতো অধিক সুখ উপভোগ
কত কৰিছিলে প্ৰজা ॥ ৫৩
কত বান্ধিছিলে সমুদ্ৰত সেতু
আনিছিলে ভাগীৰথী ।
কত দধিচিৰ হাড়ে বজ্ৰ হল
কত ভীষ্ম মহাৰথী ॥ ৫৪
কাক কৰিছিল পৰষে পবিত্ৰ
অগস্তি অত্ৰি বশিষ্ঠ ।
ভৃগু ভৰদ্বাজ কপিল কনাদ
বিশ্বামিত্ৰ জ্ঞাননিষ্ঠ ॥ ৫৫
কত জন্মিছিল সাবিত্ৰী গৌতমী
গাৰ্গী সীতা অৰুন্ধতী ।
কুন্তী সত্যবতী চিন্তা দময়ন্তী
লীলাবতী জয়মতী ॥ ৫৬

কাৰভাগ্যে লাভ পুৰুষ প্ৰধান
হল শ্ৰীকৃষ্ণৰ দৰে।
অমৃত বৰষা সংস্কৃত ভাষা
কাৰনো আছিল ঘৰে ॥ ৫৭
কাৰ উড়িছিল প্ৰথমে বিমান
আছিল আশ্চৰ্য্য অস্ত্ৰ।
কাৰ সমুদ্ৰত দেশ বিদেশলৈ
জাহাজে গৈছিল বস্ত্ৰ ॥ ৫৮
কাৰ বোধিদ্ৰুম তলত গৌতমে
লভিলে পৰম জ্ঞান।
তাৰ বিতৰণে জগত মুহিলে
কৰি অধৰ্ম্মক ম্লান ॥ ৫৯
কাৰ নদী তীৰে দণ্ডামিশ পদে
নোৱাঁলে উন্নত শিৰ।
যোগ মহিমাত হইয়া বিস্মিত
পৃথ্বীজয়ী গ্ৰীক বীৰ ॥ ৬০
অদ্ভুত মেধাবী আচাৰ্য্য শঙ্কৰে
কতনো জনম ললে।
যাৰ প্ৰতিভাই বেদ প্ৰবৰ্ত্তাই
বৌদ্ধ ধৰ্ম্ম দূৰে থলে ॥ ৬১
মনু, যাজ্ঞবল্ক্য পৰাশৰ শঙ্খ
শাস্ত্ৰ প্ৰবৰ্ত্তক কাৰ।

যোগ সাধনাৰ আশ্চৰ্য্য মহিমা
ক'ত হল আবিষ্কাৰ ॥ ৬২
কাৰ বুৰঞ্জীত নাছিল কলঙ্ক
পৰধৰ্ম্ম গ্নানি কৰা ।
বল বুদ্ধি ছলে পৰস্ব লুণ্ঠনে
আপোন উদৰ ভৰা ॥ ৬৩
কাৰনো সভ্যতা ঈশ্বৰৰ প্ৰেমে
যম সংযমেৰে পুণ্য ।
পূৰ্ণতা, সন্তোগ সত্য সাধনাৰে
কৰিলে মানব ধন্য ॥ ৬৪
বহুমুখী জ্ঞান মহতী প্ৰতিভা
আছিল প্ৰথমে মোৰ ।
হায় নিদাৰুণ কালৰ গতিত
এবে মহানিশা ঘোৰ ॥ ৬৫
চন্দ্ৰ সূৰ্য্য বংশী বীৰগণ গল
গৌৰবৰ ৰবি অস্ত ।
যি সবৰ গুণে মুগ্ধা বসুমতী
আছিল বিপক্ষ ত্ৰস্ত ॥ ৬৬
ইসবৰ সাক্ষী বিন্ধ্য হিমালয়
পূৰ্ব্বাপৰ ছুটি গিৰি ।
অতীতৰ কীৰ্ত্তি গাত লিখি লৈ
উঠে আকাশক ছিৰি ॥ ৬৭

## গান্ধী চৰিত

সিন্ধু ভাগীৰথী ব্ৰহ্মাৰ তনয়
নদনদী তীৰ্থ যত।
স্তম্ভ সাৰি সাৰি অতীতৰ যশ
ঘোষি আছে অবিৰত ॥ ৬৮

অতুল ঐশ্বৰ্য্য আছিল গৃহত
সবাকে সন্তোষি দিলোঁ।
পৰহাতে বন্দী ধন-ৰত্ন হীনা
এবে ভিক্ষাৰিণী হলোঁ ॥ ৬৯

মলিন বসন তাতো শতছিদ্ৰ
নোৱাৰো ঢাকিব দেহ।
লাজে অপমানে অনশনে মৰো
ৰাখে কোনে কৰি স্নেহ ॥ ৭০

ভয়ে সম্মানেৰে জগতৰ জনে
পূজিছিল পদ ধৰি।
অসহ্য বেদনা আজি পুৰি মাৰে
শিৰে পদাঘাত পৰি ॥ ৭১

ইটো দুঃখ কথা নোৱাৰো ফুটাব
ৰুদ্ৰ শাসনৰ ডৰে।
শোকৰ অগণি ভিতৰতে জ্বলি
নীৰৱে নয়ন ঝৰে ॥ ৭২

নিষ্ঠুৰ বিধাতা এনুৱা দুৰ্গতি
দিলে কোন পাপফলে।

নোৱাৰোঁ সহিব কিয় বুৰুবায়
অতল জলধি জলে ॥ ৭৩
এতেক কহিয়া ভাৰত জননী
ক্ষণেক নিস্তব্ধ হল।
শোকৰ আবেগ উছলি হৃদয়ে
কণ্ঠ অবৰোধি ৰল ॥ ৭৪
ভাৰতৰ প্ৰজা আৰু কতকাল
মোহটোপনিত পাৰ।
জনমভূমিক পৰৰ হাতত
ৰাখিবা গোলাম কৰি ॥ ৭৫
সহস্ৰ বৎসৰ লুণ্ঠনৰ ফলে
গৃহে গৃহে অনশন।
ৰোগে শোকে মোহে পীড়নে দাৰিদ্ৰ্যে
নাহি কাৰো স্থিৰ মন ॥ ৭৬
মহাত্মাৰ বাক্য কৰি শিৰোগত
ধৰা উদ্ধাৰৰ পথ।
অধীনতা যাব সৌভাগ্য ফিৰিব
সিদ্ধ হব মনোৰথ ॥ ৭৭

# চতুৰ্থ অধ্যায়।

## মহাত্মা গান্ধীৰ প্ৰতি ভাৰত মাতাৰ উক্তি (৩)

শোকৰ আবেগ সম্বৰি জননী
পুনঃ আৰম্ভিলে কথা।
দুখৰ কাহিনী নকলে বিবৰি
নাযায় মনৰ ব্যথা॥ ১
বৃটন ভগিনী বৰ ভাগ্যৱতী
আজি তাৰ শুভ দিন।
সাগৰে পৰ্ব্বতে নগৰে প্ৰান্তৰে
জ্বলে গৌৰবৰ চিন॥ ২
বৃটন সন্তানে ৰাখিছে প্ৰভাৱ
সমগ্ৰ জগত জুৰি।
আকাশ ভূতল মেৰু মৰুস্থল
বীৰদৰ্পে ঘূৰি ফুৰি॥ ৩

বহু পুৰুষাৰ্থে আৰ্জ্জিছে সম্পদ
ভুঞ্জিছে অপূৰ্ব্ব সুখ।
যশ মান বলে উচ্চে শিৰ উঠে
আনন্দে উজ্বল মুখ ॥ ৪
অনল অনিল জল বিদ্যুতক
কৰিলৈছে নিজ বশ।
ভূগৰ্ভ বিদাৰি খনিজক তুলি
প্ৰকাশিছে মহাযশ ॥ ৫
তন্নতন্ন কৰি ভুবনে বিচাৰি
মহাৰত্ন আনে ঘৰে।
ধনে মানে জ্ঞানে অপ্ৰতুল আজি
সমগ্ৰ সংসাৰে ভৰে ॥ ৬
মানব সমাজে আছিল কলঙ্ক
চিৰদাস ৰাখা ৰীতি!
হীন দৰিদ্ৰৰ নাছিল ভৰষা
আপোন জীৱন প্ৰতি ॥ ৭
শান্তি স্বাধীনতা মান মনুষ্যত্ব
সকলো বিসৰ্জ্জি হায়।
পুৰুষানুক্ৰমে প্ৰভুৰ গৃহত
আছিল পশুৰ প্ৰায় ॥ ৮
অনেক প্ৰবন্ধে গুচালে সি ৰীতি
দাসত্ব শৃঙ্খল কাটি।

কোটিহৃদয়ৰ জুৰালে বেদনা
ৰাখিলে অতুল খ্যাতি ॥ ৯
উদাৰ মহান্ মনীষি সকল
সিদেশে জনম ধৰি ।
বৃটিশ প্ৰতিষ্ঠা ধৰাত থাপিলে
সবাতো উজ্বল কৰি ॥ ১০
যিদিনা বিধাতা মোক সমৰ্পিলে
বৃটন ভগিণী কৰে ।
ভাবিছিলোঁ মোৰ সম্মান থাকিব
নোৱাৰে নিন্দিব পৰে ॥ ১১
পূৰ্ব্বৰ গৌৰব স্মৰি আদৰিব
নকৰিব হীন জ্ঞান ।
দান প্ৰতিদানে দুয়ো সুখী হম
জগতত ৰব স্থান ॥ ১২
কিন্তু মোৰ ভাগ্যে নফলিলে আশা
বিপৰীত হল তাৰ ।
মোহে অন্ধ আজি বৃটন সন্তান
নকৰিলে সুবিচাৰ ॥ ১৩
লোভে অভিমানে ঢাকিলে বিবেক
নুবুজে আনৰ ব্যথা ।
পূৰ্ব্বৰ চৰিত্ৰে লেপিলে কলঙ্ক
নামানে ধৰ্ম্মৰ কথা ॥ ১৪

শ্বেতকৃষ্ণ ভেদ প্ৰকৃতিৰ ধৰ্ম্ম
বুজিও অবুজ সৰ্ব্বে ।
কৃষ্ণবৰ্ণ বুলি মোৰ সন্তানক
ঘৃণা কৰে মিছা গৰ্ব্বে ॥ ১৫
নিৰস্ত্ৰী কৰণ আইনৰে বান্ধি
হীনবল কৰি প্ৰজা ।
ধৰ্ম্মক উলঙ্ঘি পৰৰ গৃহত
তুলিছে বিজয়-ধ্বজা ॥ ১৬
বণিক বুদ্ধিৰে সৰ্ব্বস্বক শোষি
আপোন উদ্দেশ্য পূৰে ।
তাৰ ফলে আজি দৰিদ্ৰ ৰায়তে
দুখে অনশনে মৰে ॥ ১৭
প্ৰাৰ্থি ঈশ্বৰক তোমাক লভিছোঁ৷
পাম বিপদৰ পাৰ ।
দুঃখিনীত বাজে পূৰ্ব্ব পুণ্য ফল
আৰু এনে আছে কাৰ ॥ ১৮
সমুদ্ৰে গাম্ভীৰ্য্য ধৰাত সহন
হৃদয়বিস্তাৰ ব্যোমে ।
তুলনা তোমাৰ ধীৰ মতিমান
অদ্বিতীয় তুমি ভূমে ॥ ১৯
সাধনা তোমাৰ জগতে সুবাৰ
গুচাৰ দুঃখৰ ভাৰ ।

স্বাৰ্থ লোভে অন্ধ বিদেশী শাসকে
নুবুজিলে মোল তাৰ ॥ ২০
অদূৰ ভবিষ্য পৰিছে চকুত
হুইব জগত ভ্ৰান্ত।
মায়া মৰীচিকা পিচে ঘূৰি ফুৰি
অলস বিবশ শ্ৰান্ত ॥ ২১
অকুল সাগৰে পথ হেৰুৱাব
আন্ধাৰে ধৰিব ঢাকি।
সিবেলা তোমাৰ আদৰ বুজিব
নৰব আজিৰ ফাকি ॥ ২২
তব পুণ্য কীৰ্ত্তি ধ্ৰুব তাৰা হব
গুচাব পথৰ ভ্ৰান্তি।
বৃথা অভিমান দূৰে আতৰিব
লভিব পৰম শান্তি ॥ ২৩
তোমাৰ হস্তৰ স্পৰ্শ লাভ কৰি
পশুগুচি হল নৰ।
তোমাৰ মন্ত্ৰত মোহ দূৰে গল
মোৰ মূঢ় সন্তানৰ ॥ ২৪
ভীৰু হীন বল পুৰুষ ৰমণী
বীৰবেশে আজি সাজে।
নতুন উৎসাহে শুনা চতুৰ্দ্দিশে
বিজয় দুন্দুভি বাজে ॥ ২৫

অহিংস যুদ্ধৰ জয় মহাশঙ্খ
হাতে লোৱা বৎস তুলি ।
বীৰ পুত্ৰগণে বাট চাই আছে
সেনানী তোমালৈ বুলি ॥ ২৬
বিলম্ব নকৰি উঠা শীঘ্ৰ কৰি
উচ্চাৰা মুক্তিৰ মন্ত্ৰ ।
হিংসা ঘৃণা ভুলি সকলোৱে মিলি
ভাঙ্গক শাসন যন্ত্ৰ ॥ ২৭
স্বৰ্গৰ দেবতা পৃথিবীৰ নৰে
চাই আছে একে থৰে ।
নিৰস্ত্ৰ দুৰ্ব্বল সন্তানে কিৰূপে
মাতৃক উদ্ধাৰ কৰে ॥ ২৮
তোমাৰ আদৰ্শে শিৰ পাতি লক
দুঃখনিৰ্য্যাতন যত ।
শত বাধা বিঘ্ন কৰি অতিক্ৰম
সাধক আপোন ব্ৰত ॥ ২৯
ৰুদ্ৰশাসনৰ দমন কৌশল
সমস্ত হউক পণ্ড ।
মোৰ বন্ধনৰ কঠিন শৃঙ্খল
ছিঙ্গি হক খণ্ডখণ্ড ॥ ৩০
কিন্তু মহামতি ৰাখিবা সুদৃষ্টি
অনুগামী সকলত ।

সঙ্কট কালত নকৰে বিঘাত
ভুলি যাতে মহাব্রত ॥ ৩১
অহিংস নীতিৰ অসীম শক্তিত
অসাধ্য সাধন হয় ।
যদি মহাধৈৰ্য্যে ব্রতী কৰ্ম্মিগণ
সদা সুসংযত ৰয় ॥ ৩২
স্বভাবে চঞ্চল মানবৰ মন
যদিবা ভ্ৰমত পৰে ।
স্মৰি নিজব্রত শোধৰাই যাতে
কৰ্ত্তব্য সাধন কৰে ॥ ৩৩
ভুৰ্গম পথত নতুন যাত্ৰীৰ
কিজানি পিচলে ভৰি ।
আঁচল পাতিয়া ৰম দিবা নিশি
বিভু চৰণত পৰি ॥ ৩৪
ঈশ্বৰ ইচ্ছাত জনম লভিছা
হুইব সফল কাম ।
চন্দ্ৰদিবাকৰ বসুমতী আই
থাকে মানে ৰব নাম ॥ ৩৫
বহু শতাব্দীৰ বেদনা গুচিল
আশ্বস্ত অস্থিৰ প্ৰাণ ।
তোমাৰ সেৱাত ইবাৰ নিশ্চয়
হব মোৰ পৰিত্ৰাণ ॥ ৩৬

কৰিব আশীষ আহিলোঁ তোমাক
যাত্ৰা নিৰাপদ হুক ।
যাওঁ মই বৎস দয়াময় প্ৰভু
সদা সুপ্ৰসন্ন হক ॥ ৩৭

এতেক শুনিয়া গান্ধী ভক্তি ভৰে
চৰণে প্ৰণাম কৰে ।
উঠিয়া দেখিলে জননী অদৃশ্য
ৰজনী আঁতিৰি পৰে ॥ ৩৮

পক্ষীৰ প্ৰভাত সঙ্গীত সঙ্কেতে
নিমি লিখি যবনিকা খানি ।
সোণালী ৰশ্মিৰ ৰেখা জৰি ধৰি
অৰুণে তুলিলে টানি ॥ ৩৯

হৰষ বিষাদ যত লীলা খেলা
অতীতে সামৰি থলে ।
নব নাটকৰ আৰম্ভণি ভাৰ
দিবসে হাতত ললে ॥ ৪০

মই মন্দমতি ৰচিলোঁ আখ্যান
নকৰোঁ যশৰ লোভ ।
নিন্দিলে পণ্ডিতে কিবা দোষ দেখি
নাপাম মনত ক্ষোভ ॥ ৪১

পঢ়িলে স্নেহৰ ভাই ভণী সবে
গুচালে কাৰ্য্যত ভ্ৰম ।
স্বদেশত প্ৰীতি জন্মিলে মানিম
সফল কৰাৰ শ্ৰম ॥ ৪২

# চতুৰ্থ অধ্যায়।

## মহাত্মা গান্ধীৰ প্ৰতি ভাৰত মাতাৰ উক্তি (৩)

শোকৰ আবেগ সম্বৰি জননী
পুনঃ আৰম্ভিলে কথা।
দুখৰ কাহিনী নকলে বিবৰি
নাযায় মনৰ ব্যথা॥ ১

বৃটন ভগিনী বৰ ভাগ্যৱতী
আজি তাৰ শুভ দিন।
সাগৰে পৰ্ব্বতে নগৰে প্ৰান্তৰে
জ্বলে গৌৰৱৰ চিন॥ ২

বৃটন সন্তানে ৰাখিছে প্ৰভাব
সমগ্ৰ জগত জুৰি।
আকাশ ভূতল মেৰু মৰুস্থল
বীৰদৰ্পে ঘূৰি ফুৰি॥ ৩

বহু পুৰুষার্থে আৰ্জ্জিছে সম্পদ
ভুঞ্জিছে অপূৰ্ব্ব সুখ।
যশ মান বলে উচ্চে শিৰ উঠে
আনন্দে উজ্বল মুখ ॥ ৪
অনল অনিল জল বিদ্যুতক
কৰিলৈছে নিজ বশ।
ভূগৰ্ভ বিদাৰি খনিজক তুলি
প্ৰকাশিছে মহাযশ ॥ ৫
তন্নতন্ন কৰি ভুবনে বিচাৰি
মহাৰত্ন আনে ঘৰে।
ধনে মানে জ্ঞানে অপ্ৰতুল আজি
সমগ্ৰ সংসাৰে ডৰে ॥ ৬
মানব সমাজে আছিল কলঙ্ক
চিৰদাস ৰাখা ৰীতি!
হীন দৰিদ্ৰৰ নাছিল ভৰষা
আপোন জীৱন প্ৰতি ॥ ৭
শান্তি স্বাধীনতা মান মনুষ্যত্ব
সকলো বিসৰ্জ্জি হায়।
পুৰুষানুক্ৰমে প্ৰভুৰ গৃহত
আছিল পশুৰ প্ৰায় ॥ ৮
অনেক প্ৰবন্ধে গুচালে সি ৰীতি
দাসত্ব শৃঙ্খল কাটি।

কোটিহৃদয়ৰ জুৰালে বেদনা
ৰাখিলে অতুল খ্যাতি ॥ ৯
উদাৰ মহান্ মনীষি সকল
সিদেশে জনম ধৰি ।
বৃটিশ প্ৰতিষ্ঠা ধৰাত থাপিলে
সবাতো উজ্বল কৰি ॥ ১০
যিদিনা বিধাতা মোক সমৰ্পিলে
বৃটন ভগিণী কৰে ।
ভাবিছিলোঁ মোৰ সম্মান থাকিব
নোৱাৰে নিন্দিব পৰে ॥ ১১
পূৰ্ব্বৰ গৌৰব স্মৰি আদৰিব
নকৰিব হীন জ্ঞান ।
দান প্ৰতিদানে দুয়ো সুখী হম
জগতত ৰব স্থান ॥ ১২
কিন্তু মোৰ ভাগ্যে নফলিলে আশা
বিপৰীত হল তাৰ ।
মোহে অন্ধ আজি বৃটন সন্তান
নকৰিলে সুবিচাৰ ॥ ১৩
লোভে অভিমানে ঢাকিলে বিবেক
সুবুজে আনৰ ব্যথা ।
পূৰ্ব্বৰ চৰিত্ৰে লেপিলে কলঙ্ক
নামানে ধৰ্ম্মৰ কথা ॥ ১৪

শ্বেতকৃষ্ণ ভেদ প্ৰকৃতিৰ ধৰ্ম্ম
বুজিও অবুজ সৰ্ব্বে।
কৃষ্ণবৰ্ণ বুলি মোৰ সন্তানক
ঘৃণা কৰে মিছা গৰ্ব্বে ॥ ১৫
নিৰস্ত্ৰী কৰণ আইনৰে বান্ধি
হীনবল কৰি প্ৰজা।
ধৰ্ম্মক উলঙ্ঘি পৰৰ গৃহত
তুলিছে বিজয়-ধ্বজা ॥ ১৬
বণিক বুদ্ধিৰে সৰ্ব্বস্বক শোষি
আপোন উদ্দেশ্য পূৰে।
তাৰ ফলে আজি দৰিদ্ৰ ৰায়তে
দুখে অনশনে মৰে ॥ ১৭
প্ৰাৰ্থি ঈশ্বৰক তোমাক লভিছোঁ।
পাম বিপদৰ পাৰ।
দুঃখিনীত বাজে পূৰ্ব্ব পুণ্য ফল
আৰু এনে আছে কাৰ ॥ ১৮
সমুদ্ৰে গাম্ভীৰ্য্য ধৰাত সহন
হৃদয়বিস্তাৰ ব্যোমে।
তুলনা তোমাৰ ধীৰ মতিমান
অদ্বিতীয় তুমি ভূমে ॥ ১৯
সাধনা তোমাৰ জগতে সবাৰ
গুচাৰ দুঃখৰ ভাৰ।

স্বার্থ লোভে অন্ধ বিদেশী শাসকে
সুবুজিলে মোল তাৰ ॥ ২০
অদূৰ ভবিষ্য পৰিছে চকুত
হুইব জগত ভ্রান্ত ।
মায়া মৰীচিকা পিচে ঘূৰি ফুৰি
অলস বিবশ শ্রান্ত ॥ ২১
অকুল সাগৰে পথ হেৰুৱাব
আন্ধাৰে ধৰিব ঢাকি ।
সিবেলা তোমাৰ আদৰ বুজিব
নবব আজিৰ ফাকি ॥ ২২
তব পুণ্য কীর্ত্তি ধ্রুব তাৰা হব
গুচাব পথৰ ভ্রান্তি ।
বৃথা অভিমান দূৰে আতৰিব
লভিব পৰম শান্তি ॥ ২৩
তোমাৰ হস্তৰ স্পর্শ লাভ কৰি
পশুগুচি হল নৰ ।
তোমাৰ মন্ত্রত মোহ দূৰে গল
মোৰ মূঢ় সন্তানৰ ॥ ২৪
ভীৰু হীন বল পুৰুষ ৰমণী
বীৰবেশে আজি সাজে ।
নতুন উৎসাহে শুনা চতুর্দ্দিশে
বিজয় দুন্দুভি বাজে ॥ ২৫

অহিংস যুদ্ধৰ জয় মহাশঙ্খ
হাতে লোৱা বৎস তুলি ।
বীৰ পুত্ৰগণে বাট চাই আছে
সেনানী তোমালৈ বুলি ॥ ২৬
বিলম্ব নকৰি উঠা শীঘ্ৰ কৰি
উচ্চাৰা মুক্তিৰ মন্ত্ৰ ।
হিংসা ঘৃণা ভুলি সকলোৱে মিলি
ভাঙ্গক শাসন যন্ত্ৰ ॥ ২৭
স্বৰ্গৰ দেৱতা পৃথিবীৰ নৰে
চাই আছে একে থৰে ।
নিৰস্ত্ৰ দুৰ্ব্বল সন্তানে কিৰূপে
মাতৃক উদ্ধাৰ কৰে ॥ ২৮
তোমাৰ আদৰ্শে শিৰ পাতি লক
দুঃখনিৰ্য্যাতন যত ।
শত বাধা বিঘ্ন কৰি অতিক্ৰম
সাধক আপোন ব্ৰত ॥ ২৯
ৰুদ্ৰশাসনৰ দমন কৌশল
সমস্ত হউক পণ্ড ।
মোৰ বন্ধনৰ কঠিন শৃঙ্খল
ছিঙ্গি হক খণ্ডখণ্ড ॥ ৩০
কিন্তু মহামতি ৰাখিবা সুদৃষ্টি
অনুগামী সকলত ।

সঙ্কট কালত নকৰে বিঘাত
ভুলি যাতে মহাব্ৰত ॥ ৩১
অহিংস নীতিৰ অসীম শক্তিত
অসাধ্য সাধন হয় ।
যদি মহাধৈৰ্য্যে ব্ৰতী কৰ্ম্মিগণ
সদা সুসংযত ৰয় ॥ ৩২
স্বভাবে চঞ্চল মানবৰ মন
যদিবা ভ্ৰমত পৰে ।
স্মৰি নিজব্ৰত শোধৰাই যাতে
কৰ্ত্তব্য সাধন কৰে ॥ ৩৩
দুৰ্গম পথত নতুন যাত্ৰীৰ
কিজানি পিচলে ভৰি ।
আঁচল পাতিয়া ৰম দিবা নিশি
বিভু চৰণত পৰি ॥ ৩৪
ঈশ্বৰ ইচ্ছাত জনম লভিছা
হুইব সফল কাম ।
চন্দ্ৰদিবাকৰ বসুমতী আই
থাকে মানে ৰব নাম ॥ ৩৫
বহু শতাব্দীৰ বেদনা গুচিল
আশ্বস্ত অস্থিৰ প্ৰাণ ।
তোমাৰ সেৱাত ইবাৰ নিশ্চয়
হব মোৰ পৰিত্ৰাণ ॥ ৩৬

কৰিব আশীষ আহিলোঁ তোমাক
যাত্ৰা নিৰাপদ হক।
যাওঁ মই বৎস দয়াময় প্ৰভু
সদা সুপ্ৰসন্ন ৰক ॥ ৩৭
এতেক শুনিয়া গান্ধী ভক্তি ভৰে
চৰণে প্ৰণাম কৰে।
উঠিয়া দেখিলে জননী অদৃশ্য
ৰজনী আঁতৰি পৰে ॥ ৩৮
পক্ষীৰ প্ৰভাত সঙ্গীত সঙ্কেতে
লিখি যৱনিকা খানি।
সোণালী ৰশ্মিৰ ৰেখা জৰি ধৰি
অৰুণে তুলিলে টানি ॥ ৩৯
হৰষ বিষাদ যত লীলা খেলা
অতীতে সামৰি থলে।
নৱ নাটকৰ আৰম্ভণি ভাৰ
দিবসে হাতত ললে ॥ ৪০
মই মন্দমতি ৰচিলোঁ আখ্যান
নকৰোঁ যশৰ লোভ।
নিন্দিলে পণ্ডিতে কিবা দোষ দেখি
নাপাম মনত ক্ষোভ ॥ ৪১
পঢ়িলে স্নেহৰ ভাই ভনী সবে
ঘুচালে কাৰ্য্যত ভ্ৰম।
স্বদেশত প্ৰীতি জন্মিলে মানিম
সফল কৰাৰ শ্ৰম ॥ ৪২

# পঞ্চম অধ্যায়।

## মহাত্মা গান্ধীৰ আত্মচিন্তা (১)

প্ৰভাতৰ নিত্যকৰ্ম্ম কৰি সমাপন।
একান্তে বসিয়া গান্ধী কৰিলে চিন্তন ॥ ১
দেখিলো সাক্ষাতে অদভুত দেবমায়া।
বুলিলে বচন ধৰি ভাবময় কায়া ॥ ২
অচিন্ত্য-স্বৰূপ বিশ্ব-ব্ৰহ্মাণ্ডৰ পতি।
তাহাৰ মহিমা বুজে কাহাৰ শকতি ॥ ৩
আপোনাৰ দৈবী মহা সত্তাৰ ওপৰ।
অধিষ্ঠিত ৰাখিছে সমস্ত চৰাচৰ ॥ ৪
সেই সত্তা হন্তে ধৰি বিবিধ বিগ্ৰহ।
শৰণাগতক প্ৰভু কৰে অনুগ্ৰহ ॥ ৫
জানি দয়াময় মোৰ চিন্তাকুল মন।
ভাৰত জননী বেশে দিলে দৰশন ॥ ৬

শুনালে করুণ বাণী বর্ণিয়া বিস্তৰ ।
আশীষ বচনে শান্ত কৰিলে অন্তৰ ॥ ৭
সমুদ্রৰ তীৰে যায়া সহ সঙ্গীগণ ।
লবণ আইন তথা কৰিব লঙ্ঘন ॥ ৮
আদেশিয়া মোক প্রদর্শালে কর্ম্মপথ ।
যাতে হন্তে সিদ্ধ হব মম মনোৰথ ॥ ৯
দেবাদেশ শিৰে ধৰি কৰিবোঁ গমন ।
অহিংস যুদ্ধৰ ইথে হব আৰম্ভণ ॥ ১০
প্রস্তাব অহিংস পথে আইন লঙ্ঘন ।
ভাৰত জাতীয় সভা কৰিলে গ্রহণ ॥ ১১
সিদিনা আশ্রমে আসি ৰাষ্ট্রনেতৃগণ ।
কার্য্যআৰম্ভণ-ভাৰ কৰিলে অর্পণ ॥ ১২
বিলম্বে ঘটিব বহু অনর্থ নিশ্চয় ।
চিন্তি অনুক্ষণ মোৰ ব্যাকুল হৃদয় ॥ ১৩
নিদিলে সামর্থ্য মোক জগতৰ পতি ।
সাধিব দুষ্কৰ কার্য্য কি আছে শকতি ॥ ১৪
ঈশ্বৰ ইচ্ছাত শুভকার্য্য সিদ্ধ হয় ।
অনিচ্ছাত মনোবাঞ্ছা মনে পাৰে লয় ॥ ১৫
সুবুদ্ধি ই সাৰতত্ত্ব মোহে অন্ধ নৰে ।
আপোন শক্তিৰ বৃথা অভিমান কৰে ॥ ১৬
আলেকজেণ্ডাৰ গ্রীস দেশৰ নৃপতি ।
ভুবন বিজয় হেতু কৰিছিলে মতি ॥ ১৭

প্ৰচণ্ড-প্ৰতাপ দিগ্বিজয়ী মহাবীৰ ।
যাৰ নামে কঁপিছিলে ৰাজা পৃথিৱীৰ ॥ ১৮
নাপালে ঈশ্বৰ ইচ্ছা সংকল্প সাধনে ।
অতুল উদ্যম তাৰ পণ্ড সিকাৰণে ॥ ১৯
বিজয় বাসনা মনে অপূৰ্ণ ৰহিল ।
ত্যাজি দেহ অভিমানী অকালে চলিল ॥ ২০
ফৰাচী গৌৰৱ ৰবি বীৰ বোনাপাৰ্টি ।
ভূতলে ৰহিল যাৰ অপ্ৰতুল কীৰ্ত্তি ॥ ২১
কৰিছিলে আশা মনে প্ৰতিষ্ঠা আপোন ।
সমগ্ৰ য়ুৰোপ ভূমে কৰিব স্থাপন ॥ ২২
অনিচ্ছাত ঈশ্বৰৰ নুপূৰিল আশ ।
আট্‌লাণ্টিক সমুদ্ৰৰ দ্বীপে হল বাস ॥ ২৩
আছুক স্থাপিব নিজ সাম্ৰাজ্য বিশাল ।
বন্দীহুয়া অভিমানী বঞ্চিলেক কাল ॥ ২৪
বিখ্যাত কৈজাৰ জাৰ্ম্মানিৰ অধিপতি ।
অসীম প্ৰভাবে যাৰ ত্ৰস্ত বসুমতী ॥ ২৫
ভাবিছিলে পদে তাৰ হুইয়া অস্থিৰ ।
সমগ্ৰ জগতবাসী নোৱাইব শিৰ ॥ ২৬
কিন্তু ইটো অভিপ্ৰেত প্ৰভুৰ নাছিল ।
সিহেতু হেৰালে ৰাজ্য যত্ন নফলিল ॥ ২৭
অভিমানী ৰাজা আজি অতিথি পৰৰ ।
সদা সঙ্কুচিত ৰহে দুঃখত মনৰ ॥ ২৮

কতকাল ইটালিক ৰাখি পদতলে ।
অষ্ট্ৰিয়া ভুঞ্জালে দুঃখ পশুশক্তিবলে ॥ ২৯
বিধাতাৰ কৃপা লভি গ্যাৰিবল্ডী বীৰ ।
মেজিনিৰ উপদেশে বুদ্ধি কৰি স্থিৰ ॥ ৩০
জন্মভূমি ইটালিক কৰিলে উদ্ধাৰ ।
গুচালে জাতিৰ দুঃখ-অপমান-ভাৰ ॥ ৩১
বালক ধ্ৰুবৰ হ'ল সফল সাধনা ।
উত্তম লোকক লভি পূৰালে কামনা ॥ ৩২
পৰীক্ষাত উত্তৰিয়া বিপদ সঙ্কুল ।
ভকত প্ৰহ্লাদে উদ্ধাৰিলে দৈত্যকুল ॥ ৩৩
শুভাশুভ কৰ্ম্ম যত ঘটে জগতত ।
সকলোতে হয় তাৰ মহিমা বেকত ॥ ৩৪
যন্ত্ৰৰূপে লৈয়া মোক যদি দয়াময় ।
মোত হস্তে কাৰ্য্য ইটো সাধন কৰয় ॥ ৩৫
তেবেসে সংকল্প সিদ্ধি হুইব মনৰ ।
গুচিব বিষম দুঃখ বন্দী ভাৰতৰ ॥ ৩৬
এতেক চিন্তিয়া মহামতি ভক্তিভৰে ।
কৰিলে প্ৰাৰ্থনা ভগৱন্তক অন্তৰে ॥ ৩৭
বিশ্বৰ নিয়ন্তা সৰ্ব্বসাক্ষী প্ৰেমময় ।
কৃপা কৰি দিয়া মোক চৰণে আশ্ৰয় ॥ ৩৮
থাপি মোৰ হৃদি পদ্মে তব সিংহাসন ।
পবিত্ৰ পৰশ ৰাখা সদা শুদ্ধমন ॥ ৩৯

তোমাৰ বিপুল সৃষ্টি কৰি নিৰীক্ষণ ।
সেৱা ব্ৰত মহাধৰ্ম্ম কৰিলোঁ গ্ৰহণ ॥ ৪০
যত দেখোঁ স্থাবৰ জঙ্গম অগণণ ।
সেবাই পৰম ধৰ্ম্ম ঘোষে অনুক্ষণ ॥ ৪১
সেবাৰ মন্ত্ৰত কৰি সবাকে দীক্ষিত ।
প্ৰেম-লীলা দেখা নিজে আপোন সৃষ্টিত ॥ ৪২
চন্দ্ৰ সূৰ্য্য গ্ৰহ তাৰা আকাশ পবন ।
নদ-নদী পশুপক্ষী তৰু লতা বন ॥ ৪৩
পৰস্পৰে পৰস্পৰ সেৱাত তৎপৰ ।
দেখিলে জুৰায় চকু দৃশ্য মনোহৰ ॥ ৪৪
ৰূপ.ৰস গন্ধস্পৰ্শ শবদ পঞ্চম ।
পূজা উপচাৰ সবে দিলা অনুপম ॥ ৪৫
যাৰ যিবা আছে তাক সমৰ্পি আনক ।
সেবিয়া আনন্দ লভে মানয় সাৰ্থক ॥ ৪৬
এক‍ে ৰূপৰস দিয়া আনে গন্ধস্পৰ্শ ।
অপৰে শবদে সেবি লভে মহা হৰ্ষ ॥ ৪৭
উত্তাপ কিৰণ বিতৰণে দিবাকৰ ।
সেবি মহানন্দে ৰহে যত চৰাচৰ ॥ ৪৮
আকাশত তুলি নিয়া জলধিৰ জল ।
বৰষি সন্তপ্ত ধৰা কৰে সুশীতল ॥ ৪৯
নিশি অন্ধকাৰ ঠেলি অমৃত-দীধিতি ।
জ্যোৎস্না সুধাধাৰা ঢালি সাধয় তৃপিতি ॥ ৫০

জীৱজন্তু তৰুলতা ওষধি নিচয় ।
মধুৰ কিৰণ স্পৰ্শে পুলকিত ৰয় ॥ ৫১
প্ৰফুল্ল কুসুম ৰাশি সৰোবৰে বনে ।
সেৱে জগতক ৰূপৰস গন্ধদানে ॥ ৫২
জলকণিকাত স্নাত সেৱক পৱন ।
কুসুম সৌৰভভাৰে মন্থৰ গমন ॥ ৫৩
সুগন্ধে মধুৰ স্পৰ্শে হৰি ক্লান্তি যত ।
সবাকে সন্তোষি হয় উতলা প্ৰেমত ॥ ৫৪
পৰ্ব্বত সমুদ্ৰ হ্ৰদ নদী প্ৰস্ৰৱন ।
পশু পক্ষী তৃণ-তৰু-লতা অগণণ ॥ ৫৫
তোমাৰ মঙ্গলস্পৰ্শে সাজিয়া সুন্দৰ ।
অমৃত অঞ্জলি ধৰি যাচে পৰস্পৰ ॥ ৫৬
ৰচিলা জগত কিনো নয়নাভিৰাম ।
বিমল আনন্দ সৰ্ব্ব সুখ-শান্তি ধাম ॥ ৫৭
ইহেন আনন্দ পুৰে জ্বলায়া অগণি ।
কিয় তোলে নৰে হায় হাহাকাৰ ধ্বনি ॥ ৫৮
জীৱশ্ৰেষ্ঠ মানৱৰ দেখি আচৰণ ।
লাজে দুঃখে অপমানে ক্ষুব্ধ হয় মন ॥ ৫৯
সৰ্ব্বকৰ্ম্মক্ষম ইন্দ্ৰিয়েৰে বিভূষিয়া ।
অনন্তবিকাশমুখী জ্ঞান-বীজ দিয়া ॥ ৬০
পঠালা ভুঞ্জিবে ভোগ ভৱে মনুষ্যক ।
কৃপানিধি তৱ সৃষ্টি কৰিব সাৰ্থক ॥ ৬১

প্ৰকৃতিয়ে উপচাৰে তাক আদৰিলে।
আপোন ভাণ্ডাৰে যত সমৰ্পিয়া দিলে ॥ ৬২
আছিলে অঞ্চলে ঢাকা বহুতত্ত্ব-ধন।
যোগ্যতা দেখিয়া ক্ৰমে কৰিলে অৰ্পণ ॥ ৬৩
লুকাইয়া ৰাখিছিলে নিধি অসংখ্যাত।
ভূগৰ্ত্তে সমুদ্ৰতলে আকাশৰ গাত ॥ ৬৪
জ্ঞানোৎকৰ্ষ সাধি হোৱে যেয়ে যোগ্য যত।
কামনা পূৰায়া নিধি তাক দিলে তত ॥ ৬৫
নাহিকে অভাব দুঃখ মহানন্দ ধাম।
চলিলে আচৰি ধৰ্ম্ম হোৱে পূৰ্ণকাম ॥ ৬৬
প্ৰকৃতিত প্ৰকাশি ৰাখিছা নীতি-চয়।
নৰক দেখাব ধৰ্ম্মপথ দয়াময় ॥ ৬৭
তথাপিতো পঠোৱা পৰম যোগী জ্ঞানী।
মূঢ়জনে শুনাইব ধৰ্ম্মতত্ত্ব বাণী ॥ ৬৮

*　　　*　　　*

সেৱাধৰ্ম্ম মহাব্ৰত কৰিয়া গ্ৰহণ।
ক্ৰমোন্নতি পথ ধৰি কৰিলে গমন ॥ ৬৯
সত্যত প্ৰবৰ্ত্তি সাধি উৎকৰ্ষ জ্ঞানৰ।
নিজপৰ মঙ্গল চিন্তিলে পৰস্পৰ ॥ ৭০
পাৰ্থিব সম্ভোগ ভুগি নৰ ধন্য হয়।
তোমাৰ চৰণে লভে অন্তিমে আশ্ৰয় ॥ ৭১

নধৰি ই পুণ্যপথ মোহে অন্ধ নৰে।
নিজকৰ্ম্মদোষে হায় কষ্ট ভুঞ্জি মৰে॥ ৭২
শ্ৰেষ্ঠ জীৱ মনুষ্যক পাপে পৰশিলে।
এনুৱা আনন্দপুৰী বিষাদে পূৰিলে॥ ৭৩
ভুলিলে তোমাৰ দয়া লঙ্ঘিলে ধৰ্ম্মক।
ঠেলি শান্তি সুখ দূৰে লভিছে দুঃখক॥ ৭৪
হিংসাৰ অনল জ্বালি তোলে চতুৰ্দ্দিশে।
আত্মজাহ দিয়া তাত মৰে অহৰ্নিশে॥ ৭৫
জ্ঞানৰ সাধনা ললে হিংসাপথে গতি।
ধ্বংসৰ সজুলি সাজি কৰে নানা ক্ষতি॥ ৭৬
সবলে হীনক ৰাখে নিজ পদতলে।
পৰৰ সৰ্ব্বস্ব লুটি নিয়ে ছলে বলে॥ ৭৭
একে তোলে উচ্চে শিৰ ফুৰে গৰ্ব্বভৰে।
আনে শোকে অশ্ৰু টুকে অনশনে মৰে॥ ৭৮
দুষ্পূৰ আকাঙ্ক্ষা অগ্নি অন্তৰে জ্বলায়।
আনক বিনাশি তাতে নিজে জাহ যায়॥ ৭৯
পৰক সংহৰি লোভে মোহে অন্ধজনে।
নিজৰ সমাধি ৰচে নাহিবুজে মনে॥ ৮০
অসংযতগতি সবে মৃত্যুপথে ধায়।
নামানে ধৰ্ম্মৰ বাণি কি আছে উপায়॥ ৮১
সৰল ভাৰত প্ৰজা নাজানে ছলনা।
পৰৰ সম্পদে কদা নকৰে কামনা॥ ৮২

ধৰ্ম্মত বিশ্বাস ৰাখি আপোন গৃহত ।
জ্ঞানৰ উৎকৰ্ষ সাধি আছিলে সুখত ॥ ৮৩
সহস্ৰ বৎসৰ ধৰি বৈদেশিক গণ ।
পশুশক্তিবসে লুটি সৰ্ব্ব ৰত্ন-ধন ॥ ৮৪
কৰিলে ভাৰত ভূমি শ্মশানৰ প্ৰায় ।
দেখিলে প্ৰজাৰ দুঃখ বুকু ফাটি যায় ॥ ৮৫
দ্বিশত বৎসৰ বৃটিশৰ শাসনত ।
সবাৰ ভাঙ্গিলে বল বুদ্ধি হল হত ॥ ৮৬
প্ৰাৰ্থিয়া দেখিলোঁ শাসকক বহুবাৰ ।
নকৰিলে দুঃখৰ কিঞ্চিতো প্ৰতিকাৰ ॥ ৮৭
নোহে যদি ই সময়ে শাসন সংস্কাৰ ।
শাসক শাসিত কাৰো নহব নিস্তাৰ ॥ ৮৮
উভয়ৰ কল্যাণ চিন্তিয়া অন্তৰত ।
অহিংস অসহযোগ ললোঁ মহাব্ৰত ॥ ৮৯
পুনৰপি স্থিৰ কৰি আইন লঙ্ঘন ।
চিন্তিছোঁ কিমতে হয় দুঃসাধ্য সাধন ॥ ৯০
তুমি নাহিদিলে শক্তি প্ৰভো দয়াময় ।
মোৰ মনোৰথ মনে পাইব বিলয় ॥ ৯১
কৰা অনুগ্ৰহ দীন ভাৰতৰ প্ৰতি ।
তোমাৰ প্ৰসাদে যত খণ্ডোক দুৰ্গতি ॥ ৯২
ইৰূপে প্ৰাৰ্থিয়া ঈশ্বৰক মহামতি ।
থন্তেক কৰিলে মন আনকৰ্ম্ম প্ৰতি ॥ ৯৩

## গান্ধী চৰিত্ৰ

মহাত্মা গান্ধীৰ কীৰ্ত্তিকথা অনুপম ।
শুনি নৰনাৰী দূৰ কৰা নিজভ্ৰম ॥ ১৪
মোহনিদ্ৰা পৰিহৰি ধৰা ধৰ্ম্মপথ ।
আপোন কৰ্ম্মেহে হব সিদ্ধ মনোৰথ ॥ ১৫
লবা সেবা মহাব্ৰত আত্মশুদ্ধি কৰি ।
দেশৰ কল্যাণ হব নিজে যাবা তৰি ॥ ১৬

# ষষ্ঠ অধ্যায়।

## মহাত্মা গান্ধীৰ আত্মচিন্তা (২)

বিষম দুৰ্গতি আজি ভাৰত প্ৰজাৰ।
কতনো সহিব দুৰ্ব্বিসহ দুঃখভাৰ ॥ ১
অনশনে অৰ্দ্ধাশনে অভাবে বস্ত্ৰৰ।
অপমানে পীড়নে ব্যথিত নিৰন্তৰ ॥ ২
অতুল বিভব ৰাশি আছিলে গৃহত।
নাছিলে দুৰ্ভিক্ষ দুঃখ-ভয় ভাৰতত ॥ ৩
জ্ঞানৰ প্ৰদীপ জ্বালি গুচালে আন্ধাৰ।
জগতে কৰিলে শ্ৰেষ্ঠ সভ্যতা বিস্তাৰ ॥ ৪
ধৰ্ম্মৰ প্ৰভাবে কৰি ভুবন বিজয়।
প্ৰচাৰিলে সৰ্ব্বত্ৰ উদাৰ নীতিচয় ॥ ৫
সাম্যমৈত্ৰী কৰুণা ত্যাগৰ মহাবলে।
থাপিলে প্ৰতিষ্ঠা নিজ ধৰণী মণ্ডলে ॥ ৬

প্ৰতিভা সৰ্ব্বতোমুখী দেখি ভক্তিভৰে।
পূজিছিলে যাক সবে পৃথিবী ভিতৰে॥ ৭
কালৰ প্ৰভাবে সেই ভাৰত সন্তান।
আপোনাৰ গৃহে আজি বন্দী ম্ৰিয়মান॥ ৮
শাসন সংযত মুখে মুফুটে বচন।
নীৰবে সহিছে যত দুঃখ নিৰ্য্যাতন॥ ৯
সহস্ৰ বৎসৰ বিদেশীৰ লুণ্ঠনত।
শ্মশান সদৃশ হায় সমৃদ্ধ ভাৰত॥ ১০
মামুদ তৈমুৰলঙ্গ নাদিৰ প্ৰভৃতি।
কতজনে হৰি নিলে অপাৰ বিভূতি॥ ১১
বৃটন সন্তানে আসি বাণিজ্যৰ ছলে।
থাপিলে সাম্ৰাজ্য শেষে নানা বুদ্ধি বলে॥ ১২
কাঢ়ি নিলে অস্ত্ৰ আত্মৰক্ষাৰ সম্বল।
গৃহশিল্প নাশি সবে কৰিলে দুৰ্ব্বল॥ ১৩
দুৰ্ভেদ্য কুটিল নীতি পাশে বদ্ধ কৰি।
ৰাখিছে নিৰ্জ্জীব প্ৰায় স্বাধীনতা হৰি॥ ১৪
শাসন শোষন কৰ্ম্মে দাসত্ব কাৰণ।
মনোমত বিদ্যাদান কৰে প্ৰভুগণ॥ ১৫
ৰাখে ৰুদ্ধ পথ আত্মশক্তি বিকাশৰ।
ভেদনীতি বলত বিবাদে পৰস্পৰ॥ ১৬
কৃষ্ণবৰ্ণ বুলি নিন্দে কৰে হীন জ্ঞান।
জগত সমাজে নাহি ৰাখে যোগ্যস্থান॥ ১৭


আজি ইদেশৰ শক্তি ধন-ৰত্ন বলে।
অসীম-প্ৰতাপ মানী ভুবন মণ্ডলে ॥ ১৮
নাহি কৃতজ্ঞতা হায় নকৰে বিচাৰ।
প্ৰতিদানে অপমান দুঃখমাত্ৰ সাৰ ॥ ১৯
ভাৰতে বৃটনে কৰে বিভিন্ন শাসন।
একৰ লুণ্ঠনে হয় অপৰ পালন ॥ ২০
স্বাধীন বৃটিশ-প্ৰজা-প্ৰতিনিধি-গণ।
স্বদেশ শাসন-তন্ত্ৰে সদা ৰাখে মন ॥ ২১
সন্মান সমৃদ্ধি সুখ শান্তিৰ কাৰণ।
বিবিধ উপায় নিতে হয় উদ্ভাবন ॥ ২২
নাহিকে দাৰিদ্ৰ্য পৰ আক্ৰমণ ভয়।
সুশাসনে তথা প্ৰজাগণ সুখে ৰয় ॥ ২৩
অধীন ভাৰতে বিপৰীত ব্যবহাৰ।
আপোন গৃহতে স্বত্ব নাৰাখে প্ৰজাৰ ॥ ২৪
ৰাজকাৰ্য্য চৰ্চ্চাত নিদিয়ে অধিকাৰ।
দমন নীতিৰ ভীতি ওপৰে সবাৰ ॥ ২৫
শাসিত জনৰ মত নকৰে গ্ৰহণ।
নিজ স্বাৰ্থ ৰাখে কৰি বিধি প্ৰণয়ন ॥ ২৬
নাহি সেই জ্ঞানীগণ আজি বৃটনত।
যাৰ ধৰ্ম্মবলে জন্মভূমি সমুন্নত ॥ ২৭
ভাৰতত আসি সিসবৰ পুত্ৰগণ।
পূৰ্ব্বৰ চৰিত্ৰে কৰে কলঙ্ক লেপন ॥ ২৮

প্ৰবেশি শাসন যন্ত্ৰে মোহে মুগ্ধ হয় ।
বিসৰ্জ্জি বিবেক লক্ষে ধৰ্ম্মনীতি চয় ॥ ২৯
মিলি সমভাবে দুয়ো ভাৰত বৃটন ।
উভয় মঙ্গল উভে কৰিলে সাধন ॥ ৩০
জ্ঞান শিল্প ঐশ্বৰ্য্যৰ দান প্ৰতিদানে ।
কৰিলে কৃতাৰ্থ দুয়ো দুয়োকে সমানে ॥ ৩১
প্ৰজাৰ দুৰ্দ্দশা এনে নোহে ভাৰতত ।
ঈৰ্ষা ঘৃণা নাহি জ্বলে কাৰো অন্তৰত ॥ ৩২
জেতা-জিত প্ৰভু-ভৃত্য ভেদ নাহি হয় ।
পৰস্পৰ প্ৰতি পৰস্পৰ প্ৰীতি ৰয় ॥ ৩৩
মিত্ৰ শক্তি উভয়ৰ সহযোগ বলে ।
অসাধ্য সাধন হয় এই মহীতলে ॥ ৩৪
বুজিও অবুজ হৈটো বৃটিশ শাসক ।
নোৱাৰে ত্যাজিব মোহে সামান্য স্বাৰ্থক ॥ ৩৫
ভুগুনিছে নিজ দুষ্কৰ্ম্মৰ পৰিণতি ।
লোভে অহঙ্কাৰে ছন্ন সিসবাৰ মতি ॥ ৩৬

* * *

তিলক গোখেল আদি ৰাষ্ট্ৰনীতি গুৰু ।
আছিল অধীন দেশে জ্ঞানকল্পতৰু ॥ ৩৭
অসীম সাহসে ধৰি দেশ সেৱা ব্ৰত ।
প্ৰজাৰ কল্যাণ চিন্তিছিলে সাধ্যমত ॥ ৩৮

* * *



৺বালগঙ্গাধর তিলক

বহুবৰষৰ আগে মিলি সুধি-গণ ।
কৰিলে জাতীয় কংগ্ৰেছৰ সংগঠন ॥ ৩৯
তদবধি বৎসৰান্তে কৰি আবাহন ।
শাসনকাৰ্য্যৰ তথা কৰে আলোচন ॥ ৪০
শাসিত জনৰ ন্যায্য স্বত্বৰ কাৰণ ।
শাসকে প্ৰাৰ্থনা হয় প্ৰস্তাব গ্ৰহণ ॥ ৪১
ইদৃশ যত্নৰ নধৰিলে কোনো ফল ।
অধীন দুৰ্ব্বলে দয়া নকৰে সবল ॥ ৪২

*　　*　　*

শুনি বাৰম্বাৰ মুখে অশেষ আশ্বাস ।
অন্তকাল বৃটিশত ৰাখিলোঁ বিশ্বাস ॥ ৪৩
য়ুৰোপ যুদ্ধৰ অন্তে দেখি আচৰণ ।
মানিলোঁ বিস্ময় দিলোঁ আশা বিসৰ্জ্জন ॥ ৪৪
ভঙ্গ কৰি নিজ প্ৰতিশ্ৰুতি পঞ্জাবত ।
কৰিলে ৰৌলত আইনে ক্ষুণ্ণ জনমত ॥ ৪৫
পাশব শক্তিৰ বলে লঙ্ঘি ৰাজধৰ্ম্ম ।
কৰিলে জানিলা বাগে নিদাৰুণ কৰ্ম্ম ॥ ৪৬
বৃটিশ সভাত প্ৰাৰ্থি তাৰ প্ৰতিকাৰ ।
নাপাই সুফল ক্ষুব্ধ অন্তৰ সবাৰ ॥ ৪৭
জেনিভাত জাতিসঙ্ঘে দিয়া অভিমত ।
তুৰস্ক সুলতান হস্তে নিলে খিলাফট ॥ ৪৮

আলচি ইসব মনে কৰিলোঁ নিশ্চয় ।
পুনৰপি প্ৰাৰ্থিয়া নকৰোঁ কালক্ষয় ॥ ৪৯
ঘটিল আপোন দোষে আপোন বন্ধন ।
আপোনাৰ শক্তি বিনে নহব খণ্ডণ ॥ ৫০
নিৰস্ত্ৰ দুৰ্ব্বল পৰশাসন-সংযত ।
আছে মৃতপ্ৰায় সবে নৰনাৰী যত ॥ ৫১
নাজাগিলে সুপ্ত আত্মশক্তি ইসবৰ ।
নহলে গঠিত জনমত স্বদেশৰ ॥ ৫২
নাভাঙ্গিলে মোহনিদ্ৰা নলভিলে জ্ঞান ।
পৰাধীন প্ৰজাৰ নহব পৰিত্ৰাণ ॥ ৫৩
নকৰিলে বোধ কৰ্ম্মগতি শাসনৰ ।
অসম্ভৱ শাসন সংস্কাৰ ভাৰতৰ ॥ ৫৪
স্থিৰ কৰি ইৰূপে চিন্তিলোঁ নবপথ ।
যাতহন্তে সিদ্ধিৰ সম্ভৱ মনোৰথ ॥ ৫৫
অনেক প্ৰয়াসে নাগপুৰ কংগ্ৰেছত ।
দেশভক্ত সভ্যগণ কৰি একমত ॥ ৫৬
চিন্তি দেশ কাল পাত্ৰ জনমনোভাব ।
অহিংস অসহযোগ তুলিলোঁ প্ৰস্তাব ॥ ৫৭
পঞ্জাবৰ হত্যাকাণ্ড কৰি সুবিচাৰ ।
যদবধি নাহি কৰে তাৰ প্ৰতিকাৰ ॥ ৫৮
খলিফাক খিলাফট কৰি সমৰ্পণ ।
যদবধি নোতোষে মুস্লীম ভ্ৰাতৃগণ ॥ ৫৯

পঞ্জাবে ৰৌলত আইন নোহে প্ৰত্যাহাৰ ।
যদবধি নাহি হয় শাসন সংস্কাৰ ॥ ৬০
তদবধি বৃটিশ শাসনে সহযোগ ।
বৰ্জ্জিব নীৰবে কৰি নিৰ্য্যাতন ভোগ ॥ ৬১
বচনে মননে কৰ্ম্মে হিংসা পৰিহৰি ।
লব দেশ সেৱাব্ৰত আত্মশুদ্ধি কৰি ॥ ৬২
বিবাহ ভোজন পানে ৰাখি স্বাধিকাৰ ।
দিব স্বধৰ্ম্মত মতি পালি সদাচাৰ ॥ ৬৩
মানব সমাজে দূৰ কৰি অস্পৃশ্যতা ।
বঢ়াব সবাৰ প্ৰীতি থাপিব একতা ॥ ৬৪
জাতি নিৰ্ব্বিশেষে নৰনাৰী পাব স্থান ।
ভাৰত কংগ্ৰেছ হব গণপ্ৰতিষ্ঠান ॥ ৬৫

* * * *

মোৰ ইটো প্ৰস্তাৱক সভাসদগণ ।
পৰম উৎসাহে কৰিলেক সমৰ্থন ॥ ৬৬
প্ৰচাৰিলে কংগ্ৰেছৰ বাণী কৰ্ম্মিগণ ।
উঠিলে ভাৰতব্যাপি গণ আন্দোলন ॥ ৬৭
ভাবিছিলোঁ নিৰ্য্যাতিত নৰনাৰী গণ ।
ধৰিব ধৰ্ম্মৰ পথ মুক্তিৰ কাৰণ ॥ ৬৮
হীন কৰ্ম্ম ত্যাজি পাব চৰিত্ৰৰ বল ।
মুক্তি সাধনাৰ পথে থাকিব অটল ॥ ৬৯

আত্মসন্মানৰ জ্ঞান হুইব উদয় ।
বৃথা অভিমান হিংসা পাইব বিলয় ॥ ৭০
আত্মনির্ভৰক শিকি পৰ বিসৰ্জ্জিব ।
মিছা ভেদবুদ্ধি ভুলি একত্রে মিলিব ॥ ৭১
কষ্টৰ বৰণে আত্মশক্তি বিকাশিব ।
দেশৰ দুৰ্গতি যাব সৌভাগ্য ফিৰিব ॥ ৭২
অন্যায় শাসনযন্ত্র হুইব বিকল ।
বৃটিছে বুজিব অহিংসাৰ মহাবল ॥ ৭৩
ধৰ্ম্মৰ ভেটিত হব স্বৰাজ স্থাপন ।
উদাৰ শাসন নীতি হব প্ৰণয়ন ॥ ৭৪
বৃটনে ভাৰতে হব মিত্ৰতা বন্ধন ।
সন্মান সমৃদ্ধি কাৰো নহব ভগন ॥ ৭৫
কিন্তু হায় আশা মোৰ নহল পূৰণ ।
ঘটিল বিঘিনি পথে নিষ্ফল যতন ॥ ৭৬
দাসত্বৰ শিক্ষা পৰ শাসন ফলত ।
সবাৰ অন্তৰ শক্তি নহল জাগ্ৰত ॥ ৭৭
কঠোৰ শাসন ভয়ে ভীত বহুজন ।
নধৰি মুক্তিৰ পথ ৰাখিলে বন্ধন ॥ ৭৮
বিপক্ষে লভিয়া পিচে সহযোগ বল ।
মুক্তি সাধনাৰ যত্ন কৰিলে বিফল ॥ ৭৯
নতুন দমননীতি ভাৰতে প্ৰচাৰি ।
দেশভক্তগণক ৰাখিলে বন্দী কৰি ॥ ৮০

*　　　　*　　　　*

চৌৰিচুৰা দুৰ্ঘটনা সেহি সময়ত ।
ভাঙ্গিলে উদ্যম মোৰ হলোঁ মৰ্ম্মাহত ॥ ৮১
কংগ্ৰেছৰ স্বেচ্ছাসেবী কৰ্ম্মী কতোজনে ।
অত্যাচাৰে ক্ষিপ্ত হুয়া ভাবি কিবা মনে ॥ ৮২
ভুলি অহিংসাৰ ব্ৰত লঙ্ঘি নিজ ধৰ্ম্ম ।
কৰিলে নিৰ্দ্দয়ৰূপে নৰহত্যা কৰ্ম্ম ॥ ৮৩
অসাধুজনক দিয়া দেশ সেৱা ভাৰ ।
দেখিলোঁ সাক্ষাতে কিবা পৰিণাম তাৰ ॥ ৮৪
আছিলে সংকল্প মোৰ আইন লঙ্ঘন ।
চিন্তি বহু সিবাৰ নিদিলোঁ তাত মন ॥ ৮৫
আপোনজনৰ ইটো দুষ্কৰ্ম্মৰ দায় ।
আপুনি শিৰত পাতি ললোঁ সমুদায় ॥ ৮৬
ৰলোঁ কাৰাগৃহে বন্দী প্ৰাৰ্থি ঈশ্বৰক ।
উদ্ধাৰিব দুঃখহন্তে দীন ভাৰতক ॥ ৮৭

*　　　　*　　　　*

কতদিন পৰে লভি কাৰাবাস মুক্তি ।
দেশভক্তগণে আলচিলে নানা যুক্তি ॥ ৮৮
কতোজনে কৌঞ্চিলত কৰিয়া প্ৰবেশ ।
শাসন সংস্কাৰে চিত্ত কৰিলে নিবেশ ॥ ৮৯
আনকতোজনে ধৰি পূৰ্ব্ব মহাব্ৰত ।
সাধনাত আত্মনিয়োগিলে সাধ্যমত ॥ ৯০

সি সময়ে দেহে মোৰ ব্যাধি জনমিলে ।
দয়া কৰি প্ৰভুগণে কাৰামুক্তি দিলে ॥ ৯১
সুস্থ হুয়া পুনঃ ব্ৰতীহ'লা মনেপ্ৰাণে ।
বস্ত্ৰ অস্পৃশ্যতা সমস্যাৰ সমাধানে ॥ ৯২
এইৰূপে নিজ নিজ পথে কৰ্ম্মি-গণ ।
দেশৰ কল্যাণ সাধনাত দিলে মন ॥ ৯৩

* * * *

অধীনতা পাশে বদ্ধ হস্তপদ যাৰ ।
ইৰূপ যত্নত সিদ্ধি নোহে কভু তাৰ ॥ ৯৪
কঠোৰ শাসনে ৰুদ্ধ আছে মুক্তিপথ ।
কিৰূপে কৰিব পূৰ্ণ নিজ মনোৰথ ॥ ৯৫
আছিলে বাসনা বহুজনৰ অন্তৰে ।
লভিব সৌভাগ্য থাকি সাম্ৰাজ্য ভিতৰে ৯৬
দেখি প্ৰতিপদে বাধা বিফল যতন ।
ক্ষুব্ধ চিত্তে দিলে শেষে আশা বিসৰ্জ্জন ॥ ৯৭
মাদ্ৰাজকংগ্ৰেছে পিচে মিলি সভ্যগণ ।
পুনৰপি কৰ্ম্মপন্থা কৰিলে চিন্তন ॥ ৯৮
পূৰ্ণ স্বাধীনতা হল প্ৰস্তাৱ গৃহীত ।
লাভৰ সাধনা বল অহিংস নীতিত ॥ ৯৯
সাম্ৰাজ্যৰ ভাগ্যধাতা সভা ইংলণ্ডৰ ।
গৰ্ব্বে অবহেলি অভিমত ভাৰতৰ ॥ ১০০


চাইমন প্ৰমুখ্যে সপ্ত নীতিজ্ঞ প্ৰধান।
পঠালে কৰিব দৃঢ় শাসন বিধান ॥ ১০১
সি সবৰ কাৰ্য্যে কৰা সহযোগ দান।
ভাৰত প্ৰজাৰ স্বাৰ্থহানি অপমান ॥ ১০২
এই ৰূপে আলচি চাইমন কমিচন।
কংগ্ৰেছৰ সভ্যগণে কৰিলে বৰ্জ্জন ॥ ১০৩

*　　*　　*

বিলাতে ভাৰত মন্ত্ৰী লৰ্ড বাৰ্কেনহেড।
সিকালে প্ৰচাৰি মত দিলে মনঃ খেদ ॥ ১০৪
মহাদম্ভে প্ৰকাশিয়া অজ্ঞতা নিজৰ।
ৰাজমহাসভাত কহিলে ইংলণ্ডৰ ॥ ১০৫
স্বায়ত্ব-শাসন-কামীগণে ভাৰতৰ।
নুবুজে যোগ্যতা নিজ ৰাজ্য শাসনৰ ॥ ১০৬
আত্মকলহত ব্যস্ত নোহে একমত।
নাজানিয়া কৰে চৰ্চ্চা সদা অসঙ্গত ॥ ১০৭
নোৱাৰে অদ্যাপি মিলি কৰি সুবিচাৰ।
প্ৰাৰ্থিব আমাক যোগ্যতাৰ অধিকাৰ ॥ ১০৮
ভাৰত মন্ত্ৰীৰ ইটো উক্তিৰ উত্তৰ।
দিব সৰ্ব্বদল নেতা মিলিল সত্বৰ ॥ ১০৯
লক্ষ্ণৌ নগৰত ৰহি সবে আলচিলে।
সৰ্ব্বসমস্যাৰ এক মীমাংসা কৰিলে ॥ ১১০

সিদ্ধান্ত কৰিলে যুক্তি দেখায়া বিস্তৰ ।
ঔপনিবেশিক অধিকাৰ ভাৰতৰ ॥ ১১১
খণ্ডিয়া বিতৰ্ক বিপক্ষৰ সুধি-গণ ।
ৰচিলে ৰিপোৰ্টএক কৰিয়া বৰ্ণন ॥ ১১২
মতিলাল নেহৰুৰ যত্নত সিদ্ধকাম ।
সিকাৰণে নেহৰু ৰিপোৰ্ট তাৰ নাম ॥ ১১৩
অনিচ্ছাতো চিন্তি বহু তাত দিলোঁ মত ।
যথাকালে মন্ত্ৰীৰ হইল হস্তগত ॥ ১১৪
ইসব যত্নৰ কোনো নধৰিলে ফল ।
বৃটিশ জাতিৰ ইটো কূটনীতি ছল ॥ ১১৫
ইৰূপে কৰিলে গান্ধী অতীত স্মৰণ ।
দেশৰ মঙ্গল বিনে আনে নাহি মন ॥ ১১৬
ৰচিলোঁ পৰম যত্নে গান্ধীৰ চৰিত ।
নৰনাৰী শুনি সবে শুদ্ধ কৰা চিত ॥ ১১৭

—— ০ঃ(*)ঃ০ ——



পণ্ডিত জহরলাল নেহরু



৺পণ্ডিত মতিলাল নেহরু

# সপ্তম অধ্যায় ।

## মহাত্মা গান্ধীৰ আত্মচিন্তা (৩)

একে একে কংগ্রেছ সংক্রান্ত কার্য্যচয় ।
মহাত্মাৰ স্মৃতিপথে হইল উদয় ॥ ১
নেহেৰু ৰিপোৰ্ট পঠাইয়া সুধী গণ ।
কৰিলে স্বজন মাজে বিবাদ সৃজন ॥ ২
কংগ্রেছে গৃহীত প্রস্তাবৰ বিপৰীত ।
ৰিপোৰ্টৰ নীতি দেখি হুয়া আচৰিত ॥ ৩
যুবাদল নায়ক সুভাস জোৱাহাৰ ।
মিলি দুয়ো আৰম্ভিলে প্রতিবাদ তাৰ ॥ ৪
পূৰ্ণ স্বাধীনতা কৰি প্রস্তাব গ্রহণ ।
ৰাজকাৰ্য্যে সহযোগ দিয়া বিসৰ্জ্জন ॥ ৫
আত্মনির্ভৰৰ ব্ৰত কৰি উদ্‌যাপন ।
ঈদৃশ ৰিপোৰ্টে নাহি কোন প্রয়োজন ॥ ৬

ৰিপোৰ্টে লজ্ঘিত হল কংগ্ৰেছ বিধান।
ক্ষুন্ন হল ভাৰতৰ জাতীয় সন্মান ॥ ৭
বৃটিশ সভাত স্বত্ব ভিক্ষা ই সময়।
ৰাষ্ট্ৰনেতৃগণৰ উচিত নাহি হয় ॥ ৮
প্ৰচাৰিলে ইৰূপে সৰ্ব্বত্ৰ দুইজন।
সেহি ৰিপোৰ্টক নকৰিব সমৰ্থন ॥ ৯
পিচে সিসবে যুক্তি কৰি শিৰোগত।
কংগ্ৰেছ সভ্যৰ মাজে হল ভিন্নমত ॥ ১০
দেখি ভিন্নভাব ধীৰপন্থী প্ৰৌঢ়গণ।
চিন্তিলে কিৰূপে হয় বিবাদ ভঞ্জন ॥ ১১
আপোনাৰ জনে ভেদ এহি সময়ত।
ঘটাব অনৰ্থ বহু ভাবিয়া মনত ॥ ১২
কৰিলে প্ৰচাৰ অভিপ্ৰায় ৰিপোৰ্টৰ।
অনেক প্ৰবন্ধ যুক্তি দেখায়া বিস্তৰ ॥ ১৩
ভাৰত মন্ত্ৰীৰ উক্তি কৰি সুবিচাৰ।
অবশ্য কৰ্ত্তব্য দিয়া সহুত্তৰ তাব ॥ ১৪
যোগ্যতাৰ অনুৰূপ ভাৰত প্ৰজাৰ।
ঔপনিবেশিক স্বত্ব প্ৰাপ্য অধিকাৰ ॥ ১৫
বৃটিশ সভাত ইটো কৰিলে জ্ঞাপন।
উত্তৰ স্বৰূপে নোহে কোনো অপমান ॥ ১৬
যদিবা ভাৰতে লভে এহি অধিকাৰ।
দক্ষতা শাসন কাৰ্য্যে বাঢ়িব প্ৰজাৰ ॥ ১৭

স্বত্বসংৰক্ষণ কৰ্ম্মে আতৰিব ভ্ৰম ।
পূৰ্ণ স্বাধীনতা পথ হইব সুগম ॥ ১৮
কৰিয়া বিৰোধ ইথে কিবা প্ৰয়োজন ।
দুৰ্ব্বল হইব মাত্ৰ আপোনাৰ জন ॥ ১৯
ইসব যুক্তিৰ কোনো নধৰিলে ফল ।
নেৰিলে বিৰোধ ভাব নবযুবদল ॥ ২০
কলিকতা নগৰীৰ কংগ্ৰেছ সভাত ।
মিলাইলোঁ দুয়োদল ঈশ্বৰ কৃপাত ॥ ২১
সভাত তুলিলোঁ এক নতুন প্ৰস্তাব ।
সমৰ্থিব উভয়ৰ বুজি মনোভাব ॥ ২২
বৃটিশ সভাৰ হস্তে সম্বৎসৰ কালে ।
ঔপনিবেশিক স্বত্ব ভাৰতে নাপালে ॥ ২৩
বৎসৰান্তে লাহোৰ কংগ্ৰেছে পঞ্জাবৰ ।
পুনঃ সবে নিৰ্দ্দেশ কৰিব কৰ্ত্তব্যৰ ॥ ২৪
পূৰ্ণ-স্বাধীনতা লক্ষ্য কৰি নিৰ্দ্ধাৰণ ।
বৃটিশ শাসন বিধি হইব লঙ্ঘন ॥ ২৫
অপেক্ষি দ্বাদশমাস দেখা কিবা ফল ।
ই সময়ে অহিংস যুদ্ধৰ বান্ধা বল ॥ ২৬
শান্তহুয়া সমৰ্থিলে সবে ই প্ৰস্তাব ।
আতৰিল বিৰোধ নবল ভিন্নভাব ॥ ২৭
তদৱধি নধৰিয়া অন্যপথে গতি ।
অপেক্ষি থাকিলো সবে শেষ দিন প্ৰতি ॥ ২৮

পিছে ৰাজপ্ৰতিনিধি লৰ্ড আৰউনে ।
ভাৰত প্ৰজাৰ ভাবধাৰা গুণি মনে ॥ ২৯
দেখিয়া প্ৰভাব বৰ্দ্ধমান কংগ্ৰেছৰ ।
বুজিলে সমস্যা গুৰু ৰাজ্য শাসনৰ ॥ ৩০
পৰামৰ্শ কৰিব চলিল ইংলণ্ডত ।
কিযুক্তি কৰিলে তাত নহল বেকত ॥ ৩১
ফিৰি আসি নাজানো কি ভাবি অন্তৰত ।
কৰিলে ঘোষণা ভাৰতত এনিমত ॥ ৩২
আলচিব ভাৰতৰ নতুন বিধান ।
ঘূৰণীয়া বৈঠকৰ হইব আহ্বান ॥ ৩৩
ইংলণ্ডত গৈয়া উদেশৰ জ্ঞানীগণ ।
বাঞ্ছিত বিষয় তাত কৰিয়া জ্ঞাপন ॥ ৩৪
দেশকালপাত্ৰ সব কৰি সুবিচাৰ ।
উপদেশ দান কৰা উচিত সবাৰ ॥ ৩৫
ৰাজপ্ৰতিনিধিৰ আশ্বাস প্ৰলোভন ।
নোৱাৰে মোহাব আৰু ভাৰতৰ জন ॥ ৩৬
পূৰ্ব্ব অভিজ্ঞতা মনে আনিলে সংশয় ।
বৃটিশ শাসক বাক্যে নকৰে প্ৰত্যয় ॥ ৩৭
তথাপি ঘোষণা ইটো কৰি সমাদৰ ।
সঙ্গীগণ সহমিলি দিলো সদুত্তৰ ॥ ৩৮
যদি প্ৰতিনিধি প্ৰতিশ্ৰুতি পাৰে দিব ।
অধিক কংগ্ৰেছসভ্য বৈঠকত নিব ॥ ৩৯

ভাৰতৰ বন্দী ৰাজনৈতিক সবাৰ।
কাৰাবাস মুক্তি দিয়ে নকৰি বিচাৰ॥ ৪০
ভাৰতক ঔপনিবেশিক স্বত্ব ভোগ।
দিব বৈঠকত তেবে হব সহযোগ॥ ৪১
নাহি দিলে প্ৰতিশ্ৰুতি নাপালোঁ বিশ্বাস।
বৎসৰ অতীত হল এৰিদিলো আশ॥ ৪২
অভেদ্য কুটিল ৰাজনীতি বৃটিশৰ।
মতিচ্ছন্ন কৰি ৰাখে শাসিত জনৰ॥ ৪৩
ৰক্ষণৰছলে কৰে ঐশ্বৰ্য্য শোষণ।
নিজ জন দিয়া নিজ কৰায় বন্ধন॥ ৪৪
আৰউইনৰ সাক্ষাত লভিলোঁ বহুবাৰ।
নোৱাৰিলোঁ বুজিব উদ্দেশ্য কিবা তাৰ॥ ৪৫
বৎসৰান্তে লাহোৰ কংগ্ৰেছ আৰম্ভিল।
সদস্য সকল তথা আসিয়া মিলিল॥ ৪৬
মহাতেজা সুদক্ষ নেতৃক জোৱাহাৰ।
অটল প্ৰতিজ্ঞ সত্যনিষ্ঠ গুণাধাৰ॥ ৪৭
দেখি কৰ্ম্মিগণ ভাৱধাৰা দেশকাল।
মুক্তি সাধনাৰ পথে যত আহুকাল॥ ৪৮
সভাপতি পদে তাক কৰিলোঁ বৰণ।
কৰিলে কঠোৰ সভাকাৰ্য্য সম্পাদন॥ ৪৯
শাসন, অন্যায় বিধি সমূহ লঙ্ঘন।
পূৰ্ণ স্বাধীনতা লাভ কৌঞ্চিল বৰ্জ্জন॥ ৫০

অহিংসাৰ পথে থাকি ইসব সাধন।
কংগ্ৰেছে কৰিলে সবে প্ৰস্তাব গ্ৰহণ ॥ ৫১
বিৰোধৰ ভয়ে কৰি অশেষ যতন।
নোৱাৰিলোঁ কোমন্সাব শাসকৰ মন ॥ ৫২
নবল উপায় বিনা আইন লঙ্ঘন।
জনমভূমিৰ দুঃখ মোচন কাৰণ ॥ ৫৩
ৰাখি জগতৰ ৰীতি লিখিয়া বিস্তাৰ।
ৰাজপ্ৰতিনিধিক প্ৰাৰ্থিলোঁ পুনৰ্ব্বাৰ ॥ ৫৪
একাদশ সমস্যাৰ কৰি সমাধান।
বুভুক্ষিত ভাৰতক কৰা পৰিত্ৰাণ ॥ ৫৫
কোটি কোটি দৰিদ্ৰ জনৰ ই দেশত।
লবণ কেবল মাত্ৰ ব্যঞ্জন ভাগ্যত ॥ ৫৬
নিমিলে যথেষ্ট সিও শুল্কৰ কাৰণে।
স্বাস্থ্যত বিঘিনি ঘটে কষ্ট পায় মনে ॥ ৫৭
উঠোৱা লবণে শুল্ক ৰাখা মোৰ কথা।
জুৰাক ভাৰতবাসী দাৰিদ্ৰ্যৰ ব্যথা ॥ ৫৮
অনৰ্থৰ মূল ব্যবহাৰ মাদকৰ।
অৰ্থহানি দুঃখ মোহ ইহাত বিস্তৰ ॥ ৫৯
অসংযমী লোলুপৰ ৰাখিব জীৱন।
ধৰ্ম্ম সুখ শান্তি দেশে কৰিব স্থাপন ॥ ৬০
নতুন আইন এক কৰি প্ৰণয়ণ।
মাদকৰ ব্যবহাৰ কৰা নিবাৰণ ॥ ৬১

দৰিদ্ৰ কৃষক যত আজি ভাৰতত ।
প্ৰপীড়িত ৰাজস্বৰ দুৰ্ব্বহ ভাৰত ॥ ৬২
নিয়ম বান্ধিয়া কৰা তাৰ অৰ্দ্ধ হ্ৰাস ।
দৰিদ্ৰ প্ৰজাই প্ৰাণে লভোক আশ্বাস ॥ ৬৩
পুৰুষ ৰমণী কোটি কোটি যি দেশৰ ।
নোৱাৰে মিলাব অন্ন দুবেলা পেটৰ ॥ ৬৪
সিদেশত ৰাজকৰ্ম্মচাৰীৰ বেতন ।
সবাতো অধিক কৰা নেদেখো কাৰণ ॥ ৬৫
ধৰ্ম্মনীতি ৰাখি কৰা অৰ্দ্ধহ্ৰাস তাৰ ।
দৰিদ্ৰ প্ৰজাৰ হৌক লঘু দুঃখ ভাৰ ॥ ৬৬
স্বভাবে সহিষ্ণু সদা প্ৰজা ভাৰতৰ ।
আক্ৰমণ আশঙ্কা নেদেখোঁ অপৰৰ ॥ ৬৭
তথাপি যুদ্ধৰ সম্ভাৱে অতব্যয় ।
অনুচিত কাৰ্য্য মাত্ৰ বৃথা অৰ্থক্ষয় ॥ ৬৮
হ্ৰাস কৰি সৈন্য ব্যয় ৰক্ষা কৰি ধন ।
ভাৰত প্ৰজাৰ কৰা মঙ্গল সাধন ॥ ৬৯
অন্ন কিংবা সমমূল্য নহলে বস্ত্ৰৰ ।
নাদৰে নিৰ্ব্বোধজনে ভাবিয়া নিজৰ ॥ ৭০
বিদেশী বস্ত্ৰত কৰি কৰ নিৰ্দ্ধাৰণ ।
ভাৰত বস্ত্ৰৰ কৰা উন্নতি সাধন ॥ ৭১
আইন কৰিয়া নিলে সজুলি হাতৰ ।
আত্মত্ৰাণে অসমৰ্থ প্ৰজা ভাৰতৰ ॥ ৭২

প্ৰত্যাহাৰ কৰিলোৱা অস্ত্ৰৰ আইন ।
আপোনাৰ জনে নাহি ভীতিৰ কাৰণ ॥ ৭৩
ভাৰতক দিয়া ঔপনিবেশিক স্বত্ব ।
যোগ্যতা ইদেশে তাৰ কৰিছে আয়ত্ত ॥ ৭৪
চিৰস্থায়ী বন্দোবস্তে নাহি প্ৰয়োজন ।
দুঃখ অপমান ভুগে প্ৰজা সাধাৰণ ॥ ৭৫
অবিলম্বে কৰি তাৰ উচ্ছেদ সাধন ।
প্ৰজাৰ ৰাখিবা ভূমি-স্বত্ব মান ধন ॥ ৭৬
কংগ্ৰেছ ৰাষ্ট্ৰীয়-কাৰ্য্য চৰ্চ্চা অনুষ্ঠান ।
ভাৰত প্ৰজাৰ চিন্তে সতত কল্যাণ ॥ ৭৭
নিশ্চয় দেশৰ সবে নৰনাৰী যত ।
মানিয়া চলিব কংগ্ৰেছৰ অভিমত ॥ ৭৮
ঘূৰণীয়া মেজৰ বৈঠকে সিকাৰণ ।
অধিক কংগ্ৰেছ সভ্য কৰা নিমন্ত্ৰণ ॥ ৭৯
ৰাজনীতি অপৰাধছলে আনি ধৰি ।
যি সবক ৰাখিছা কাৰাত বন্দী কৰি ॥ ৮০
মুক্তকৰা সিসবক নকৰি বিচাৰ ।
বন্ধকৰা পুলিচৰ যত অত্যাচাৰ ॥ ৮১
এহি একাদশ নিবেদিলোঁ সমস্যাক ।
যাৰ সমাধানে সুখী কৰিব প্ৰজাক ॥ ৮২
ইৰূপে বৰ্ণিয়া পঠাইলোঁ পত্ৰখান ।
ভাবিছিলোঁ পাবোঁ তাৰ শুভ সন্নিধান ॥ ৮৩

ৰাজপ্ৰতিনিধি তাৰ নিদিলে উত্তৰ ।
অবজ্ঞা কৰিলে মোৰ প্ৰাৰ্থনা কাতৰ ॥ ৮৪
স্বাৰ্থলোভে অভিমানে নাৰাখে প্ৰাৰ্থনা ।
ইতো চিৰৰীতি বৃটিশৰ আছে জানা ৮৫
এতেক চিন্তিয়া গান্ধী প্ৰাৰ্থি ঈশ্বৰক ।
আলচিলে মনে পাচে শেষ কৰ্ত্তব্যক ॥ ৮৬
মহাত্মা চৰিত ইটো পবিত্ৰ উদাৰ ।
শুনিসবে শুদ্ধকৰা চিত্ত আপোনাৰ ॥ ৮৭
কাৰাগাৰে বিৰচিলোঁ মই মন্দমতি ।
ক্ষমিব দোষক সন্তে কৰিলোঁ মিনতি ॥ ৮৮
হিংসা ঘৃণা স্বাৰ্থ ভুলি লোৱা সেৱাব্ৰত ।
নাৰাখিবা পাপলিপ্সা কদাপি মনত ॥ ৮৯
ঈশ্বৰ চৰণে কৰি আত্মসমৰ্পণ ।
ৰিপুগণ দমিবা ৰাখিবা শুদ্ধমন ॥ ৯০
বিপ্লৱীজনৰ বাক্যে নকৰিবা ধৰ্ম্ম ।
সদাচাৰপূত হুয়া কৰা শুভকৰ্ম্ম ॥ ৯১
জিতেন্দ্ৰিয় সত্যনিষ্ঠ উদাৰচৰিত ।
জনেহে সাধিব পাৰে নিজপৰ হিত ॥ ৯২
মহাত্মাৰ উপদেশে আত্মশুদ্ধি কৰি ।
দেশৰ কল্যাণ কৰা নিজে যোৱা তৰি ॥ ৯৩

# অষ্টম অধ্যায়।

## লবণ আইন লঙ্ঘনৰ উদ্যোগ।

সৰ্ব্বসিদ্ধিদাতা ঈশ্বৰক চিন্তি
পিচে গান্ধী মহামতি।
নকৰি বিলম্ব চিত্ত নিয়োগিলে
আপোন কৰ্ত্তব্য প্ৰতি ॥ ১

অম্বুজ প্ৰতিম প্ৰিয় সহচৰ
মহাদেব দেশাইক।
ডাকিয়া সমীপে সম্বোধি বুলিলে
শুনা মোৰ ইটো বাক ॥ ২

লবণ আইন কৰিব লঙ্ঘন
কৰিছোঁ সংকল্প স্থিৰ।
কৰ্ম্মী কতজন সুচল সন্ধানে
পঠোৱা সমুদ্ৰ তীৰ ॥ ৩

দয়ালু বিধাতা জগতৰ পিতা
ৰাখিব জীৱৰ প্ৰাণ।
ভূমিৰ ভিতৰে সমুদ্ৰৰ নীৰে
কৰিলে লবণ দান ॥ ৪
পৰম মঙ্গল প্ৰভুৰ বিধান
সবে সম অধিকাৰ।
নিজ পৰিশ্ৰমে কৰিলে উদ্ধাৰ
যথেচ্ছ-সম্ভোগ তাৰ ॥ ৫
লঙ্ঘি সি বিধান কাঢ়ি অধিকাৰ
বৃটিশ শাসকগণ।
শুল্ক নিৰ্দ্ধাৰণ লবণত কৰি
হৰিছে প্ৰজাৰ ধন ॥ ৬
বাকী কি ৰাখিছে দৰিদ্ৰ প্ৰজাৰ
আজি এই ভাৰতত।
কৰৰ কাৰণে হয় নিঃশেষিত
যাৰ উপাৰ্জ্জন যত ॥ ৭
অন্ন উদৰৰ বস্ত্ৰ শৰীৰৰ
নোৱাৰে মিলাব হায়।
কোটি কোটি জন কৰে হাহাকাৰ
আছে অৰ্দ্ধমৃত প্ৰায় ॥ ৮
অযুক্তিবৰ্দ্ধিত শাসন ব্যয়ৰ
দুৰ্ব্বহ ভাৰক বহি।

## গান্ধী চৰিত

দুৰ্ভিক্ষপীড়িত দৰিদ্ৰ প্ৰজাই
আৰু কত দিন ৰব সহি ॥ ৯
লুব্ধ শাসকৰ অসঙ্গত আশা
বহুমুখে বাঢ়ি গল ।
তাৰ ফলে হায় সমৃদ্ধ ভাৰত
শ্মশানৰ প্ৰায় হল ॥ ১০
কমাইবে ব্যয় কৰি অনুনয়
নাপাইলোঁ সমিধান ।
অধীন জনৰ মুখক নাচাহে
এনে নিদাৰুণ প্ৰাণ ॥ ১১
ভুগি নিৰ্য্যাতন লভিছে চেতন
ভাৰত সন্তান যত ।
এৰি দিছে আশা মাগি পাব ভিক্ষা
বৃটিশৰ দুৱাৰত ॥ ১২
এহি সময়ত কাৰ্য্য সমুচিত
অৱশ্য কৰ্ত্তব্য মোৰ ।
কৰিলে বিলম্ব জানিছোঁ নিশ্চয়
আহিব বিপদ ঘোৰ ॥ ১৩
বৃটন ভাৰত দুয়োৰে কল্যাণ
অন্তৰত কৰি ধ্যান ।
কৰিছোঁ সংকল্প যত হব দুয়ো
সমস্যাৰ সমাধান ॥ ১৪

বিৰোধৰ ভয়ে যতেক কৰিলোঁ
সকলো বিফল হল
প্ৰজা শাসকৰ প্ৰীতি মিলনৰ
ভৰষা দূৰত গল ॥ ১৫
বৈদেশিকগণে দুঃখ নিবেদনে
দম্ভে নাপাতিলে কাণ।
তাৰ প্ৰতিফলে নিৰস্ত্ৰৰ হাতে
চূৰ্ণহব অভিমান ॥ ১৬
পৰম দুৰ্জ্জয় বৃটিশ শাসক
নাহি তাতে কোনো ভয়।
জগত স্ৰষ্টাৰ আছে আশীৰ্ব্বাদ
অৱশ্য লভিম জয় ॥ ১৭
বচনে মননে কিংবা নিজকৰ্ম্মে
হিংসাক নিদিলে স্থান।
অসীম শকতি আহিব আপুনি
থাকিব সবল প্ৰাণ ॥ ১৮
যাৰ মহিমাত সৃষ্টি স্থিতি লয়
সেই অগতিৰ গতি।
বহু দুঃখ অন্তে হল সুপ্ৰসন্ন
দীন ভাৰতৰ প্ৰতি ॥ ১৯
ঈশ্বৰৰ নীতি লঙ্ঘিছে যি জনে
তাৰ নীতি লঙ্ঘি আমি।

অভিম বিজয় ইকাৰ্য্যে সহায়
হব জগতৰ স্বামী ॥ ২০
আইন লঙ্ঘনে বহু বিঘ্ন পাব
সংযমী সেবক সবে।
নিৰ্ভীক হৃদয়ে ক্ৰমে অতিক্ৰমি
ৰাখিব দৃষ্টান্ত ভবে ॥ ২১
আশ্ৰমৰ হন্তে লৈয়া সঙ্গীগণ
যাম সমুদ্ৰৰ পাৰ।
অহিংস যুদ্ধৰ অভিযানে হব
আৰম্ভণি সাধনাৰ ॥ ২২
ৰাজপ্ৰতিনিধি সমীপে প্ৰাৰ্থিয়া
নোহে কোন কাৰ্য্য সিদ্ধি ;
তথাপি তাহাক জনাই উচিত
ৰাখা সংসাৰৰ বিধি ॥ ২৩
এতেক চিন্তিয়া মহাত্মা গান্ধীয়ে
লিখনি হাতৰে ধৰি।
বিনয় প্ৰকাশি লিখিলেক পত্ৰ
শেষৰ কৰ্ত্তব্য কৰি ॥ ২৪
মানি ! শক্তিশালি ৰাজপ্ৰতিনিধি
ৰাখিবা মিনতি মোৰ।
অধীন প্ৰজালৈ কৃপা দৃষ্টি কৰা
নানিবা বিপদ ঘোৰ ॥ ২৫

প্ৰজা শোষণৰে শাসন ব্যয়ৰ
যিটো ৰীতি ভাৰতত ।
বিচাৰ-বিহীন ঘৃণনীয় এনে
কতো নাই জগতত ॥ ২৬

প্ৰতিজনে দিনে পাচোঁটি কেবল
পইচা আৰ্জ্জন কৰি ।
নিচলা প্ৰজাই মহাৰ্ঘকালত
আছে কষ্টে প্ৰাণধৰি ॥ ২৭

ইহেন দৰিদ্ৰ বুভুক্ষু প্ৰজাৰ
নানাবিধ কৰ আনি ।
অত্যধিক ব্যয়ে শাসন চালনা
ধৰ্ম্মবিবেকৰ গ্লানি ॥ ২৮

বিয়াল্লিশ গুণে কৰিয়া আৰ্জ্জন
বিলাতৰ প্ৰজাগণে ।
নাজানে দুৰ্ভিক্ষ সুখ সম্ভোগত
বঞ্চে কাল ৰঙ্গমনে ॥ ২৯

সমৃদ্ধ বৃটনে শাসন কাৰ্য্যত
কৰে পৰিমিত ব্যয় ।
আপোন প্ৰজাৰ সুখ স্বচ্ছন্দতা
সিকাৰণে ভাত ৰয় ॥ ৩০

ন্যায্য-স্বত্ব-হীন ভাৰতৰ প্ৰজা
পৰশাসনত চলে ।

তাৰ অৰ্থ শোষি পৰে বিতৰণ
কোন ধৰ্ম্মনীতি বলে ॥ ৩১
সাম্ৰাজ্য শাসক প্ৰধান মন্ত্ৰীৰ
যত উপাৰ্জ্জন হয় ।
দৰিদ্ৰ প্ৰজাৰ শাসক তোমাত
তাৰ পঞ্চগুণে ব্যয় ॥ ৩২
ইৰূপে সকলো ৰাজকৰ্ম্মিগণে
অৰ্থ অপব্যয় কৰে ।
নিচলা প্ৰজাই সমস্ত সমৰ্পি
দুঃখে অনশনে মৰে ॥ ৩৩
নত জানু হই কৰিছো কাকুতি
ৰাখা মোৰ শেষ কথা ।
দৰিদ্ৰ প্ৰজাৰ মাৰ যাক অশ্ৰু
জুৰাক হিয়াৰ ব্যথা ॥ ৩৪
লবণ আইন কৰিয়া ৰহিত
কৰা শুল্ক নিবাৰণ ।
বিলাস দ্ৰব্যৰ বিদেশী বস্ত্ৰৰ
কৰে পাবা সিটো ধন ॥ ৩৫
মাদকৰ আয় দিয়া বিসৰ্জ্জন
নাই প্ৰয়োজন তাৰ ।
মদ কানি ভাঙ নিষেধি দেশত
গুচোৱা পাপৰ ভাৰ ॥ ৩৬

সৈন্য ৰক্ষণত বহুব্যয় হয়
নাই তাত কোনো যুক্তি ।
হ্রাস কৰা তাক ৰায়তে লভক
দুর্ব্বহ দুঃখৰ মুক্তি ॥ ৩৭

কৰ্ম্মীৰ বেতন হ্রাস কৰা অর্দ্ধ
স্বচ্ছন্দতা ৰব তাতে ।
সুখী দুঃখী ভেদ প্রজাগণ মাজে
কিছু দূৰ হয় যাতে ॥ ৩৮

শাসন সংস্কাৰ উপলক্ষ্য কৰি
কৰিয়া দেশৰ কাজ ।
যত দেশভক্ত কাৰাগাৰে আছে
সিসবক কৰা বাজ ॥ ৩৯

ঘূৰণীয়া মেজ বৈঠকত নিবা
বেছি সভ্য কংগ্রেছৰ ।
সি সবৰ মত মানিহে চলিব
যত প্রজা ভাৰতৰ ॥ ৪০

ইসব প্রার্থনা ব্যর্থ নকৰিবা
এৰা ক্ষুদ্র স্বার্থ মোহ ।
ৰাজধৰ্ম্মনীতি ৰাখি সাধা প্রীতি
নিচিন্তিবা প্রজা দ্রোহ ॥ ৪১

অধীন প্রজাৰ খণ্ডোৱা দুর্গতি
নামাগোঁ অধিক ভিক্ষা ।

ন্যায্য অধিকাৰ সামান্য বিতৰি
কৰা ভাৰতক ৰক্ষা ॥ ৪২
সামান্য ত্যাগত হানি নাভাবিবা
থাকিব অতুট শক্তি।
যশস্যা বাঢ়িব ভাৰত প্ৰজাৰ
ৰহিব অচলা ভক্তি ॥ ৪৩
যিটো মহাধৰ্ম্মে থাপি জগতক
পালিছে সততে প্ৰভু।
উল্লঙ্ঘি সি ধৰ্ম্ম আপোন প্ৰতিষ্ঠা
চিৰস্থায়ী নোহে কভু ॥ ৪৪
পৰপ্ৰবঞ্চনা পৰম অধৰ্ম্ম
তাত স্বাৰ্থ নাহি ৰয়।
অতীত বুৰঞ্জী আছে তাৰ সাক্ষী
শেষত নিজৰ ক্ষয় ॥ ৪৫
বিৰোধ নবাঞ্ছো জানে অন্তৰ্য্যামী
সিকাৰণে প্ৰাৰ্থো আজি।
নকৰি বিলম্ব দিবা সমিধান
সামান্য স্বাৰ্থক ত্যাজি ॥ ৪৬
গৰ্ব্বে অবহেলি যদি নিবেদন
নিদিয়া সুফল তাৰ।
সুদূষিবা মোক আইন লঙ্ঘন
কৰিছোঁ সংকল্প সাৰ ॥ ৪৭

তোমাৰ বিপুল যুদ্ধৰ সম্ভাৰ
অন্তৰীক্ষে জলে স্থলে।
অতুল প্ৰতাপ সমগ্ৰ জগতে
ধন বুদ্ধি সৈন্য বলে ॥ ৪৮
সবাতো দুৰ্ব্বল দীন ক্ষীণ মই
নাজানোঁ যুদ্ধৰ ৰীতি।
কি সাধ্যে লঙ্ঘিম বৃটিশ শক্তিৰ
সুদৃঢ় শাসন নীতি ॥ ৪৯
ইটো গৰ্ব্ব কৰি ধৰ্ম্ম নলঙ্ঘিবা
মানিবা শেষৰ কথা।
ঈশ্বৰৰ কৃপা থাকে ধৰ্ম্মে সদা
যথা ধৰ্ম্ম জয় তথা ॥ ৫০
ইৰূপে বৰ্ণিয়া লিখি পত্ৰ খানি
আলোচিলে গান্ধী মনে।
ৰাজপ্ৰতিনিধি সমীপত তাক
নিয়া যায় কোন জনে ॥ ৫১
মুগ্ধ হুয়া গুণে চৰিত্ৰ মাহাত্ম্যে
গান্ধীৰ উদাৰ কামে।
আশ্ৰমত আছে ইংৰাজ যুবক
ৰেইনেলাড্ ৰোণাল্ চ্ নামে ॥ ৫২
সুশীল সুদক্ষ জ্ঞানী শুদ্ধমতি
আত্মপৰে সমজ্ঞান।

যোগ্যপাত্ৰ বুজি তেওঁক পঠালে
ৰাজপ্ৰতিনিধি স্থান ॥ ৫৩
পত্ৰৰ উত্তৰে নাপাই ভৰশা
পিচে গান্ধী মহামতি ।
ত্যাজি সব আশা চিত্ত নিয়োগিলে
আপোন সংকল্প প্ৰতি ॥ ৫৪
কৰ্ম্মিগণ লই আসিলে দেখিয়া
উপকূলে সমুদ্ৰৰ ।
ডাণ্ডিনামে স্থানে হইব সুচল
ইটো কাৰ্য্য সাধনৰ ॥ ৫৫
আদেশিলে গান্ধী যাব আশ্ৰমৰ
কৰ্ম্মী উনআশী জন ।
সঙ্গত তাহাৰ সমুদ্ৰৰ পাৰ
জীৱনক কৰি পণ ॥ ৫৬
অহিংস যুদ্ধৰ নব অভিযানে
নব প্ৰেম প্ৰেৰণাত ।
আনন্দে উৎসুক হুয়া সঙ্গীগণ
ৰল যাত্ৰা প্ৰতীক্ষাত ॥ ৫৭
ইটো বাৰ্ত্তা শীঘ্ৰে জগতে ব্যাপিল
মানিলে সবে বিস্ময় ।
অপেক্ষি থাকিল দেখিব কিৰূপে
অসাধ্য সাধন হয় ॥ ৫৮

শুনা সৰ্ব্ব জন      স্থিৰ কৰি মন
এৰা ক্ষুদ্ৰ স্বাৰ্থ মোহ ।
মহাত্মাৰ বাক্য      হেলাত উলঙ্ঘি
নাচৰিবা আত্মদ্ৰোহ ॥ ৫৯
বিসৰ্জ্জি মাদক      বিদেশৰ বস্ত্ৰ
কৰি নিজে নিজ কাম ।
আপুনিও তৰা      দেশকো উদ্ধাৰা
ৰাখা পৃথিৱীত নাম ॥ ৬০

---

# নৱম অধ্যায় ।

## সাবৰ্ম্মতী আশ্ৰমত মহাত্মাৰ বিদায় গ্ৰহণ ।

আঠাইশ ফাগুণ প্ৰভাত সময়ে
সমুদ্ৰক লক্ষ্য কৰি ।
যাত্ৰা আৰম্ভিব মহাত্মা গান্ধীয়ে
সকলোকে পৰিহৰি ॥ ১

হৰষ বিষাদ হল একেঠাই
সাবৰ্ম্মতী আশ্ৰমত ।
অভিযাত্ৰীগণ প্ৰফুল্লিত মন
নিৰানন্দ আন যত ॥ ২

জননী স্বৰূপা জনম ভূমিৰ
মুক্তিৰ মন্ত্ৰক স্মৰি ।
অপূৰ্ব্ব প্ৰেমৰ নব উদ্দীপনা
উঠিছে হৃদয় ভৰি ॥ ৩

দুঃখে কি মৰণে ভীতি নাহি মানে
ৰাখে লক্ষ্যে মতি স্থিৰ।
সাৰ্থক কৰিব মনুষ্য জনম
অহিংস যুদ্ধৰ বীৰ ॥ ৪

ইহেন সৌভাগ্যে বঞ্চিত জনৰ
হিয়াত বাজিলে ব্যথা।
দুঃখৰ আবেগে কণ্ঠৰুদ্ধ হল
মুখে নুফুটিল কথা ॥ ৫

জানি মহাত্মাই আশ্ৰমৰ যত
সবাকে ডাকিয়া আনি।
স্নেহে সম্ভাষিয়া বুজাবে লাগিলে
বুলি সাৰগৰ্ভ বাণি ॥ ৬

কঠোৰ সাধনা সম্মুখত আজি
তোমাসাৰ উপস্থিত।
ইকালৰ কাৰ্য্য নকৰি বিচাৰ
দুঃখ কৰা অনুচিত ॥ ৭

সমগ্ৰ ভাৰত অপেক্ষি ৰহিছে
এই আশ্ৰমৰ প্ৰতি।
ইবেলা নিশ্চয় সামান্য ত্ৰুটিয়ে
কৰিব অসীম ক্ষতি ॥ ৮

একেটি মহান উদ্দেশ্যক সবে
কৰিছা সততে ধ্যান।

তাৰ সাধনাত ৰাখিছা সংকল্প
ত্যাজিব আপোন প্ৰাণ ॥ ৯
যাৰ যি কৰ্ত্তব্য হইব নিৰ্দ্দেশ
তাতে দিবা স্থিৰ মন ।
সকলোতে আছে সমান গৌৰব
যদি কৰা প্ৰাণ পণ ॥ ১০
ঊনআশীজন সঙ্গে লৈয়া যাম
উপকূলে সমুদ্ৰৰ ।
বাকী সকলোৱে কৰিবা সম্প্ৰতি
যত কৰ্ম্ম আশ্ৰমৰ ॥ ১১
নাভাবিবা মনে অহিংস যুদ্ধৰ
শীঘ্ৰে হব অবসান ।
ভাৰত মাতৃৰ বন্ধন মোচন
দুদিনতে হোৱা টান ॥ ১২
যেতিয়া যি কাৰ্য্য আহিব তেতিয়া
কৰিবা একাগ্ৰ মনে ।
যাত্ৰাৰ আদেশ নাপাই বিষাদ
নকৰিবা কোনো জনে ॥ ১৩
মহাত্মাৰ বাক্যে হুইয়া আশ্বস্ত
আশ্ৰমৰ কৰ্ম্মীগণ ।
সম্বৰিলে দুঃখ দিলে গই সবে
নিজ নিজ কৰ্ম্মে মন ॥ ১৪

*        *        *

মন্ত্ৰৰ সাধন কৰিব ইবাৰ
কৰিছে সংকল্প সাৰ।
নতুবা গান্ধীয়ে ত্যাজিব জীৱন
নহব খণ্ডন তাৰ ॥ ১৫

ইটো সমাচাৰ দেশে কি বিদেশে
পশিল সবাৰ কাণে।
চিন্তি পৰিণাম শ্বেতাঙ্গ গণৰ
উঠিল আতঙ্ক প্ৰাণে ॥ ১৬

চাওঁতে চাওঁতে আঠাইশ ফাগুণ
আহিল চাপিয়া কাষ।
পিচৰ দিবসে কৰিব গমন
ত্যাজিয়া আশ্ৰম বাস ॥ ১৭

মহাত্মাৰ শেষ দৰশন আশে
নৰনাৰী শত শত।
চতুৰ্দ্দিশ হন্তে আসিয়া মিলিলে
পূৰ্ব্বদিনা আশ্ৰমত ॥ ১৮

বাপু যাব চলি অহিংস ৰণৰ
কালি কৰি অভিযান।
নিসিজিলে কাম নাহিব উভটি
সমুদ্ৰে ত্যাজিব প্ৰাণ ॥ ১৯

অটল প্ৰতিজ্ঞা মহাত্মা গান্ধীৰ
নহব লঙ্ঘন তাৰ ।
কি আছে ভাগ্যত নৰনাৰী সবে
চিন্তিয়া নাপালে পাৰ ॥ ২০
গভীৰ বিষাদে হল সকলোৰে
মলিন গম্ভীৰ মুখ ।
আহাৰ নিদ্ৰাত মন নবহিল
নাথাকিল শান্তি সুখ ॥ ২১
আকৌ ছুনাই নহব বাপুৰ
আশ্ৰমত পদাৰ্পণ ।
কিজানিবা হায় আছে কপালত
এয়ে শেষ দৰশন ॥ ২২
বৃদ্ধ বয়সত তাহাৰ ভাগ্যত
এয়ে কি আছিল হায় ।
দেশৰ সেৱাত অবশেষে যাই
সমুদ্ৰে ভাসিব কায় ॥ ২৩
কাৰ পৰশত ৰহিব সতত
পবিত্ৰ আশ্ৰম খানি ।
কোনেনো শুনাব আশ্ৰম বাসীক
উদাৰ অমৃত বাণি ॥ ২৪
হীন দৰিদ্ৰৰ নয়নৰ . অশ্ৰু
কোনে আৰু মছি দিব ।

ঘৃণ্য অস্পৃশ্যক মৰমে আদৰি
কোনেনো সাবটি নিব ॥ ২৫
পৰৰ হিয়াৰ দাৰুণ ব্যথালৈ
কোনেনো পাতিব কাণ।
পৰৰ কল্যাণে আপোন জীৱন
কোনেনো কৰিব দান ॥ ২৬
পৰম শত্ৰুৰো দেখিলে বিপদ
কাৰ হিয়া পমি যাব।
কৃতঘ্ন জনেও সঙ্কট কালত
কাৰ অনুগ্ৰহ পাব ॥ ২৭
হৰষে বিষাদে সদা সম কাৰ
প্ৰশান্ত অন্তৰ খান।
শত নিৰ্য্যাতনে শত অপমানে
কদাপি নহয় ম্লান ॥ ২৮
জগতে অতুল চৰিত্ৰ মহিমা
সুগভীৰ তত্ত্বজ্ঞান।
কাৰ এনে আছে পৰদুঃখে পমা
কুসুম কোমল প্ৰাণ ॥ ২৯
শিশুৰ সাৰল্য যুবাৰ উদ্যম
বৃদ্ধৰ গভীৰ চিন্তা।
একাধাৰে পূৰ্ণ কৰি মহাত্মাত
থাপিছে জগৎ পিতা ॥ ৩০

অচল-প্ৰতিষ্ঠ ধৰ্ম্ম-মূৰ্ত্তিমান্
সত্যব্ৰত গুণ ধাম ।
সৰ্ব্বশ্ৰেষ্ঠ নৰ বুলি আজি যাৰ
সংসাৰে ঘোষিছে নাম ॥ ৩১
সেই মহাত্মাৰ মহান আদৰ্শ
আছিল আগতে জ্বলি ।
কৰি অন্ধকাৰ সাবৰ্ম্মতী ধাম
যাব সমুদ্ৰক চলি ॥ ৩২
আইন লঙ্ঘন কৰিব ডাণ্ডিত
নহব খণ্ডন কভু ।
কিবা পৰিণাম ইটো সংকল্পৰ
জানে দয়াময় প্ৰভু ॥ ৩৩
পদব্ৰজে যাব অতি দীৰ্ঘ পথ
কৰি লৈছে অঙ্গীকাৰ ।
পথ ভ্ৰমনৰ পৰিশ্ৰম ভয়ে
নকৰে অন্যথা তাৰ ॥ ৩৪
দুঃখৰ উপৰি দুঃখ আহি আছে
কতনো সহিব হায় ।
বৃদ্ধ বয়সৰ দুৰ্ব্বল দেহাতো
কষ্টৰ অবধি নাই ॥ ৩৫
ত্যাজি গৃহ সুখ পুত্ৰ পৰিবাৰ
ঐশ্বৰ্য্য বিভূতি যত ।

সামান্য কৌপিন কৰি পৰিধান
ধৰিছে কঠোৰ ব্ৰত ॥ ৩৬
ছাগ দুগ্ধ পান ফলাহাৰে মাত্ৰ
ৰাখে শৰীৰত প্ৰাণ।
নাজানোঁ কিবলে কৰিব গান্ধীয়ে
সমুদ্ৰৰ অভিযান ॥ ৩৭
ইৰূপ চিন্তিয়া হইল আকুল
যত নৰনাৰীগণ।
ৰহিল কেৱল আনন্দে উৎফুল্ল
সঙ্গী ঊনআশী জন ॥ ৩৮

* * *

অনুদ্বিগ্ন মনে একেটি নিয়মে
নিত্যকৰ্ম্ম কৰি ধীৰ।
আবেলি পৰত হল উপগত
সাবৰ্ম্মতী নদী তীৰ ॥ ৩৯
নীৰবে সম্বোধি কহিলে মনতে
স্ৰোতস্বতী ফালে চাই।
তোমাৰ তীৰৰ স্নিগ্ধ সমীৰণ
আৰু কিবা ভাগ্যে নাই ॥ ৪০
তৃণ তৰু লতা পশু পক্ষী নৰ
এই আশ্ৰমৰ যত।

কতনা প্ৰকাৰে অযাচিত দানে
তোষি আছা অবিৰত ॥ ৪১
কৃতজ্ঞতা মোৰ কৰিলোঁ জ্ঞাপন
বিদায় মাগিলোঁ আজি ।
এয়ে কিবা দেখা কালি প্ৰভাততে
যাম তপোবন ত্যাজি ॥ ৪২
যাৰ আদেশত সেবি জীৱ গণ
সাৰ্থক কৰিছা সৃষ্টি ।
অবিশ্ৰান্ত গতি আছা কৰ্ত্তব্যত
নাই আন ফালে দৃষ্টি ॥ ৪৩
সেই বিধাতাৰ মঙ্গল আদেশে
সেবিব দৰিদ্ৰ দেশ ।
সমুদ্ৰৰ তীৰে হৈয়া উপস্থিত
কৰিম সাধনা শেষ ॥ ৪৪
মাগিয়া বিদায় আসি প্ৰবেশিলে
আশ্ৰমৰ উপবনে ।
একে একে ক্ৰমে ফুৰালে নয়ন
তৃণ তৰু লতা গণে ॥ ৪৫
শিশিৰৰ অন্তে নগ্ন প্ৰকৃতিক
মলয়ে পৰশ কৰি ।
কোনোবা স্বৰ্গৰ গুপ্ত আভৰণ
দিছিল অঞ্জলি ভৰি ॥ ৪৬

অভিনব সাজ অপূৰ্ব্ব সৌৰভ
তৰুলতা পুষ্প গণে।
স্বৰ্গৰ উৎসব ধৰাত নামিছে
বসন্তৰ আগমনে ॥ ৪৭

মধুৰ ঝঙ্কাৰ তুলি পক্ষী গণে
ডালে ডালে উড়ি গায়।
যেন বসন্তৰ পাৱৰ নুপূৰ
কণু জুনু বাজি যায় ॥ ৪৮

চৰণৰাগৰ পৰশে ৰঞ্জিত
নবীন মঞ্জৰী চয়।
উল্লাসে হাঁহিছে বিটপী লতাত
চালে চকু লাগি ৰয় ॥ ৪৯

লোধ্র কোবিদাৰ তমাল মন্দাৰ
মাধবী লতিকা পুঞ্জ।
অশোক বকুল কৰবী চম্পক
নানা ব্ৰততীৰ কুঞ্জ ॥ ৫০

জক মক কৰি আছে ফুলি ফুলি
ৰূপে হয় মুগ্ধ মন।
মধুলোভে অন্ধ কুসুম নিকৰে
উড়িপৰে অলিগণ ॥ ৫১

আম্ৰ মুকুলিত ফলে সুশোভিত
ডাড়িম্ব কদলী চয়।

নানা ৰাগে ৰঞ্জি তৰুলতা পুঞ্জে
শোভে নব কিশলয় ॥ ৫২
কোকিলৰ স্বনে ভ্ৰমৰ গুঞ্জনে
মুখৰিত তপোবন ।
কুসুম সৌৰভ ভৰত মন্থৰ
ধীৰে বহে সমীৰণ ॥ ৫৩
প্ৰকৃতি দেৱীয়ে নব বসন্তত
কৰি সব আয়োজন ।
ৰূপ ৰস গন্ধ স্পৰ্শ উপচাৰে
পূজিছে বিভু চৰণ ॥ ৫৪
স্বৰ্গীয় সুষমা কৰিয়া দৰ্শন
পিচে গান্ধী মহামতি ।
ভাবাবেশে স্তব্ধ হৈয়া মনে মনে
কহিলে সবাৰ প্ৰতি ॥ ৫৫
তৰু লতা পুষ্প ভ্ৰমৰ বিহঙ্গ
যাৰ আদেশক স্মৰি ।
থাকি থৰে থৰে সেবিছা জগৎ
অমৃত অঞ্জলি ধৰি ॥ ৫৬
সেই চৰাচৰ বিশ্ব-বিধাতাৰ
প্ৰেৰণা লভিছোঁ প্ৰাণে ।
সমুদ্ৰৰ পাৰে লবণ আইন
লঙ্ঘিব জীবন দানে ॥ ৫৭

কিজানিবা ভাগ্যে          তোমাসাৰ সঙ্গে
নাহি হৰ দৰ্শন।
কালি প্ৰভাততে          কৰিম গমন
ত্যাজি এই তপোবন ॥ ৫৮
গগণে পৱনে          স্থাৱৰে জঙ্গমে
সহসা শোকৰ ৰেখা।
উঠিল ফুটিয়া          গান্ধীৰ হৃদয়ে
তাৰ ছবি ৰল লেখা ॥ ৫৯
বিচ্ছেদ বিষাদে          প্ৰকৃতিৰ ক্ষণে
ঢাকিলে মোহন বেশ।
কৃতাঞ্জলি হৈয়া          মহাত্মা বিনয়ে
মাগিলে বিদায় শেষ ॥ ৬০
বিহগৰ গানে          ভ্ৰমৰ গুঞ্জনে
নীৰৱে পাতিয়া কাণ।
পৱন কম্পিত          পল্লৱ মৰ্ম্মৰে
পালে তাৰ সন্নিধান ॥ ৬১
ইদৰে ঘূৰিয়া          আশ্ৰম চৌপাশে
কুটিৰে প্ৰৱেশ কৰি।
সন্ধ্যাসমাগমে          বিশ্বপতি পদ
ৰহিল মনত স্মৰি ॥ ৬২
কাৰাগাৰে বসি          মহাত্মা গান্ধীৰ
উদাৰ চৰিত অতি।

বিৰচিলোঁ ছন্দে শুনি সৰ্ব্বজনে
ৰাখিবা ধৰ্ম্মত মতি ॥ ৬৩
সবাৰে কল্যাণ সাধনাৰ হেতু
আছে উগ্ৰতপ কৰি।
কতনো ভুগিলে দুঃখ নিৰ্য্যাতন
হৃদয় বিদৰে স্মৰি ॥ ৬৪
অম্লান বদনে তথাপিতো পুনঃ
ধৰিলে কঠোৰ ব্ৰত।
ইহেন জনৰ বাক্য নলঙ্ঘিবা
থাকা দেশকৰ্ম্মে ৰত ॥ ৬৫

———০ঃ০ঃ০———

# দশম অধ্যায়।

## সহযাত্ৰী সকলৰ প্ৰতি
## মহাত্মাৰ উপদেশ।

গোধূলিৰ নিত্যকৰ্ম্ম কৰি সমাপন।
মহাত্মা আনিলে মাতি নৰনাৰী গণ ॥ ১
আগন্তুক গণসহ আশ্ৰমৰ যত।
কুটিৰ সম্মুখে আসি হল উপগত ॥ ২
চিত্ৰৰ পুতলি প্ৰায় নিশ্চল হুইয়া।
ৰহিল গান্ধীৰ সবে মুখ নিৰখিয়া ॥ ৩
অভিযাত্ৰী গণক প্ৰথমে সম্বোধিয়া।
বুলিবে লাগিলে গান্ধী তত্ত্ব বিস্তাৰিয়া ॥ ৪
যদ্যপি সঙ্গত মোৰ কৰিবা গমন।
অধিক কহিব কোনো নাহি প্ৰয়োজন ॥ ৫
তথাপি যাত্ৰাৰ পূৰ্ব্বে বক্তব্য উচিত।
কহিলোঁ শুনিবা সবে স্থিৰ কৰি চিত ॥ ৬

কঠোৰ কৰ্ত্তব্য কৰি আছা অঙ্গীকাৰ ।
নোৱাৰে হইব কভু অন্যথা তাহাৰ ॥ ৭
সমগ্র ভাৰতে আছে আজি পথ চাই ।
দৰ্শাব লাগিব আহিঁ নিজ কৰ্ম্মে যাই ॥ ৮
সাধনাৰ সামান্য ক্রুটিয়ে ইসময় ।
ঘটাব অনৰ্থ বহু জানিবা নিশ্চয় ॥ ৯
মুক্তি সাধনাৰ পথ পৰম দুৰ্গম ।
সহস্র বিঘিনি তাত বিপদ বিষম ॥ ১০
ধৈৰ্য্য বল হোৱে নাশ আহে অবসাদ ।
সুদক্ষজনৰো ঘটে বিবিধ প্রমাদ ॥ ১১
কৰিব প্ৰয়াস পশু নানা ছলে বলে ।
উপায় আলচি আছে শাসক সকলে ॥ ১২
দৰশাব নানা ভীতি দিব নিৰ্য্যাতন ।
কিজানিবা হুয়া ক্রুদ্ধ নাশিব জীবন ॥ ১৩
আহিছে পৰীক্ষা অতকাল তপস্যাৰ ।
চিন্তিবা মনত কোনমতে হবা পাৰ ॥ ১৪
ৰাখিবা অচলা ভক্তি বিভুৰ চৰণে ।
কদাচিতো দম্ভক নিদিবা স্থান মনে ॥ ১৫
বচনে মননে কিংবা আপোন কৰ্ম্মত ।
হিংসাক কৰিবা দূৰ হবা সুসংযত ॥ ১৬
হিংসা অপগমে ক্রোধ মোহ পাব লয় ।
তেবে ৰব সদা শান্ত নিষ্পাপ হৃদয় ॥ ১৭

নির্ম্মল হৃদয় পদ্মে লইয়া আসন ।
চলাব ধর্ম্মৰ পথে প্রভু ভগবান ॥ ১৮
প্রাণত অসীম শক্তি দিব দয়াময় ।
নাথাকিব দুঃখ নির্য্যাতন মৃত্যুভয় ॥ ১৯
যত বাধা বিঘ্ন পাবা পথে বিপক্ষৰ ।
ক্রমে অতিক্রমি সব হবা অগ্রসৰ ॥ ২০
শিৰত পাতিয়া লবা যত অত্যাচাৰ ।
নীৰবে সহিবা নকৰিবা প্রতিকাৰ ॥ ২১
যদিবা বিপক্ষহাতে ঘটয় মৰণ ।
নাহিকে তাহাত কোনো দুঃখৰ কাৰণ ॥ ২২
জনম অবধি লাগি আছে মৃত্যু ভয় ।
কোনে জানে কেতিয়া জীৱন অন্ত হয় ॥ ২৩
ইহেন অনিত্যদেহ দিয়া বিসর্জ্জন ।
কৰিব পাৰিলে ধর্ম্ম কার্য্যৰ সাধন ॥ ২৪
হইব সার্থক নৰ জন্ম গ্রহণৰ ।
চৰণে আশ্রয় অন্তে পাব ঈশ্বৰৰ ॥ ২৫
এই মুক্তিপথ অনুসৰি ভাৰতৰ ।
লক্ষ লক্ষ নৰনাৰী হব অগ্রসৰ ॥ ২৬
লভিছে ভাৰতে নব প্রেমৰ পৰশ ।
নাৰাখিব আৰু অধীনতা অপযশ ॥ ২৭
অন্যায় আইন লঙ্ঘি ৰুদ্র শাসনৰ ।
দেখাব জগতে শক্তি অহিংস ধর্ম্মৰ ॥ ২৮

যাতনা সহনে মহাত্যাগে জীৱনৰ ।
শত্ৰুৰ ভাঙ্গিব ঘোৰ মোহ অন্তৰৰ ॥ ২৯
অহিংস ব্ৰতৰ পৰাক্ৰম বুজি পাব ।
বিবেক উদিব অহঙ্কাৰ দূৰে যাব ॥ ৩০
জানিব কৰ্ত্তব্য দীন ভাৰতৰ প্ৰতি ।
বুজিব আপোন দুষ্কৰ্ম্মৰ পৰিণতি ॥ ৩১
কৰি দূৰ দৰিদ্ৰ প্ৰজাৰ নিষ্পেষণ ।
ভাৰতৰ ন্যায্য স্বত্ব কৰি উদ্ধৰণ ॥ ৩২
সৰ্ব্বস্ব শোষণ পথ ভেটি দৃঢ়কৰি ।
অসহ্য লাঞ্ছনা অন্ন-বস্ত্ৰ-দুঃখ হৰি ॥ ৩৩
হইব অহিংস সংগ্ৰামৰ অবসান ।
ইহাৰ অধিক অভিলাষ নাহি আন ॥ ৩৪
ভাৰত বৃটন মাজে প্ৰীতি উভয়ৰ ।
বাঞ্ছিয়া যতেক যত্ন কৰোঁ নিৰন্তৰ ॥ ৩৫
তথাপি ইবাৰ যদি নকৰে বিচাৰ ।
বৃটন সম্বন্ধ ত্যাগ হব জানা সাৰ ॥ ৩৬
এই পথ অনুসৰি যত প্ৰজাগণ ।
সমস্ত শাসনবিধি কৰিব লঙ্ঘন ॥ ৩৭
বৃটিশ শাসন যন্ত্ৰ হইব বিকল ।
নোৱাৰিব দৰ্শাব আৰু কূটনীতি ছল ॥ ৩৮
পূৰ্ণ স্বাধীনতা লাভ হব ভাৰতৰ ।
নাহিবব কোন দিনা আশা মিলনৰ ॥ ৩৯

ভাৰতৰ কোটি কোটি নৰনাৰী হায়।
অন্যায় শাসন ফলে নানা কষ্ট পায় ॥ ৪০
ৰোগে শোকে অনশনে দুঃখে অপমানে।
কিৰূপে ধৰিছে প্ৰাণ সৰ্ব্বজনে জানে ॥ ৪১
কিঞ্চিৎ কৰিব লঘু দুঃখ কষ্ট ভাৰ।
কতনা প্ৰাৰ্থিলোঁ ফল নধৰিলে তাৰ ॥ ৪২
অবশেষে এই পথ কৰি আছোঁ সাৰ।
ইটো হন্তে হব ভাৰতৰ সমুদ্ধাৰ ॥ ৪৩
নাহি প্ৰতিহিংসা মনে বৃটিশৰ প্ৰতি
জানে অন্তৰ্য্যামী প্ৰভু জগতৰ পতি ॥ ৪৪
বিপন্ন জনৰ কল্যাণক লক্ষ্য কৰি।
ধৰিলোঁ ই পথ অহিংসাৰ নীতি ধৰি ॥ ৪৫
প্ৰভুৰ আশীষ আছে নাহি কোনো ভয়।
ঈশ্বৰে বিশ্বাস ৰাখা লভিবা বিজয় ॥ ৪৬
ঈশ্বৰে বিশ্বাস অস্ত্ৰ অহিংস ৰণৰ।
ঈশ্বৰে বিশ্বাস মহা শকতি প্ৰাণৰ ॥ ৪৭
ঈশ্বৰে বিশ্বাস বৰ্ম্ম শৰীৰ ৰক্ষক।
ঈশ্বৰে বিশ্বাস সৰ্ব্ববিঘ্ন বিনাশক ॥ ৪৮
ঈশ্বৰ বিশ্বাসে দূৰে নিব অবসাদ।
ঈশ্বৰ বিশ্বাসে যত শুচাব প্ৰমাদ ॥ ৪৯
ঈশ্বৰে বিশ্বাস কৰা পথৰ সম্বল।
ঈশ্বৰে বিশ্বাস মাত্ৰ দুৰ্ব্বলৰ বল ॥ ৫০

কৰ্ম্মফল দাতা প্ৰভু আছে ভগবান।
বিশ্বাস ৰাখিয়া সবে হবা আগুৱান ॥ ৫১
কালি প্ৰভাততে হব সমুদ্ৰে গমন।
ত্যাজি আন চিন্তা সবে তাত দিয়া মন ॥ ৫২
এতেক কহিয়া পিচে গান্ধী মহামতি।
কৰিলে স্নেহৰ দৃষ্টি আন সব প্ৰতি ॥ ৫৩
মহাত্মাৰ কীৰ্ত্তি কথা অতি মনোৰম।
শুনিলে সংসাৰ কৰ্ম্মে গুচে চিত্তভ্ৰম ॥ ৫৪
কাৰাগাৰে বিৰচিলোঁ মই মন্দমতি।
শুনি প্ৰজাগণে কৰা ধৰ্ম্ম কৰ্ম্মে ৰতি ॥ ৫৫
মহাত্মাৰ উপদেশ পালি সযতনে।
জনম ভূমিৰ মুক্তি সাধা প্ৰাণপণে ॥ ৫৬

# একাদশ অধ্যায়।

## উপস্থিত জন সমূহৰ প্ৰতি
## মহাত্মা গান্ধীৰ উপদেশ।

পিচে মহামতি মধুৰ বচনে
সম্ভাষি আন সবাক।
বিদায়ৰ ছলে কহিবে লাগিলে
যথা কলোচিত বাক ॥ ১
কঠোৰ কৰ্ত্তব্য সম্মুখে সবাৰ
বীৰোচিত ধৈৰ্য্য ধৰি।
কৰি সম্পাদন ৰাখিবা সম্মান
নাথাকিবা পিচ পৰি ॥ ২
হুই সচেতন চোৱা চকু মেলি
মানব জাতিৰ প্ৰতি।
এই পৃথিবীৰ শ্ৰেষ্ঠ জীব গণে
কোন পথে কৰে গতি ॥ ৩

বিশ্ব মানৱৰ উদাৰ প্ৰেমৰ
বন্ধনক কৰি ছিন্ন ।
এখনি ধৰাকে ভিন ভিন কৰি
পাতি লৈছে ৰাজ্য ভিন্ন ॥ ৪
একোটি সীমাৰ ভিতৰে একোটি
জাতিৰ প্ৰতিষ্ঠা কৰি ;
ভোগ বিলাসৰ পথে চলি যায়
নিয়তিৰ গতি ধৰি ॥ ৫
বিশ্ব প্ৰকৃতিয়ে অক্ষয় ভাণ্ডাৰ
ৰাখে সদা মুকলাই ।
অবাৰিত দ্বাৰ সম অধিকাৰ
কাৰো প্ৰতি বাধা নাই ॥ ৬
নিজ পুৰুষাৰ্থে কৰিলে আৰ্জ্জন
ধন মান জ্ঞান সুখ ।
আপোনাৰ গুণে নৰ ধন্য হয়
দূৰে যায় সৰ্ব্ব দুঃখ ॥ ৭
কিম্বা পৰস্পৰ দান প্ৰতিদানে
ৰাখিলে মৰম প্ৰীতি ।
আত্মপৰ স্বাৰ্থ সমভাবে ৰয়
নাথাকে বিপদে ভীতি ॥ ৮
ব্যক্তি কি জাতিয়ে একেটি নীতিক
মানিয়া চলিলে সদা ।

নোহে বিপর্য্যয় সংসারৰ কর্ম্মে
নাহে দুঃখ মোহ কদা ॥ ৯
জ্ঞান বিজ্ঞানৰ সাধিয়া উৎকর্ষ
পূর্ণতাৰ পথে যায় ।
প্রভুৰ বিধানে এই ধৰাধামে
স্বর্গৰ আনন্দ পায় ॥ ১০
কিন্তু পাপে হায় পৰশি নৰক
বোধিলে জ্ঞানৰ দৃষ্টি ।
ভুলালে সুপথ হল দুঃখময়
প্রভুৰ মঙ্গল সৃষ্টি ॥ ১১
মান সমৃদ্ধিৰ দুস্পূৰ আকাঙ্ক্ষা
লৈছে হৃদয়ত তুলি ।
নীতিৰ মর্য্যাদা লঙ্ঘে বলে ছলে
গৈছে ঈশ্বৰক ভুলি ॥ ১২
শিক্ষা সভ্যতাৰ আবৰণে ঢাকি
দস্যু তস্কৰৰ মূর্ত্তি ।
পৰস্ব লুণ্ঠনে লুব্ধ নৰগণে
নিজ স্বার্থ কৰে পূর্ত্তি ॥ ১৩
বলী দুর্ব্বলৰ ধনী নির্দ্ধনৰ
গুণী নির্গুণৰ মাজে ।
মহা বৈষম্যৰ বেদনা উঠিছে
ধর্ম্ম লুকাইছে লাজে ॥ ১৪

পৰস্পৰ দ্বেষী জাতি সমূহৰ
প্ৰতিযোগিতাৰ ফলে ।
সংগ্ৰাম সামগ্ৰী সদা সাজু আছে
অন্তৰীক্ষে জলে স্থলে ॥ ১৫
বিজ্ঞান বুদ্ধিৰ উৎকৰ্ষ সাধিছে
মাৰণৰ যন্ত্ৰ কৰি ।
মুবুজিছে অন্ধে কৰিছে গমন
মৰণৰ পথ ধৰি ॥ ১৬
তামস-উন্মাদ কিংবা জড়তাত
কাৰো সুখ শান্তি নায় ।
আনন্দৰ পুৰী এই ধৰাধাম
হৈছে শ্মশানৰ প্ৰায় ॥ ১৭
প্ৰলয় হুঙ্কাৰ উঠিছে চৌদিশে
সমগ্ৰ জগৎ জুৰি ।
হিংসাৰ অনল জ্বলে অহনিশি
মৰিব অচিৰে পুৰি ॥ ১৮
অতুল ঐশ্বৰ্য্য আছিল ভাৰতে
নাছিল দুৰ্ভিক্ষ ভয় ।
দস্যু তস্কৰৰ আতঙ্ক নাছিল
সততে আনন্দ ময় ॥ ১৯
ধৰ্ম্ম বিশ্বাসৰ মেলা দুৱাৰেদি
প্ৰবেশি বিবিধ বেশে ।

বিদেশী সকলে সৰ্ব্বস্বক লুটি
কঙ্গাল কৰিলে শেষে ॥ ২০
বাকী কি ৰাখিছে ভাৰত প্ৰজাৰ
আছে অস্থি চৰ্ম্ম সাৰ।
ৰোগে অনশনে হৃদয় বিদাৰী
তোলে সদা হাহাকাৰ ॥ ২১
পৃথিবীত আজি বৃটন সন্তান
জ্ঞানে মানে শ্ৰেষ্ঠ অতি।
তাৰ শাসনতো অধীন প্ৰজাৰ
এনে শোচনীয় গতি ॥ ২২
নানা ছলে বলে অজ্ঞ ৰায়তৰ
ন্যায্য অধিকাৰ নাশি।
শোষণৰ পথ নিৰাপদ কৰি
হৰি নিছে অৰ্থ ৰাশি ॥ ২৩
শাসন সংযত দৰিদ্ৰ প্ৰজাৰ
মুখত নুফুটে কথা।
পায় অপমান কি আছে শকতি
প্ৰকাশে মনৰ ব্যথা ॥ ২৪
অধীন প্ৰজাৰ দুঃখ দুৰ্গতিক
নিদিলে সমূলি কাণ।
আৰু কত কাল নীৰবে সহিব
দুঃখ কষ্ট অপমান ॥ ২৫

সিকাৰণে শেষে কৰিছোঁ সংকল্প
যাম সমুদ্ৰৰ পাৰ ।
শাসন কলঙ্ক লবন আইন
উচ্ছেদ উদ্দেশ্যে তাৰ ॥ ২৬
বিপক্ষৰ ভীতি বাধা অৱহেলি
নিজহাতে লোণ কৰি ।
দিলে বিতৰিয়া ইটো আইনৰ
বন্ধন ছিন্দিব পৰি ॥ ২৭
অহিংস নীতিত থাকি সুসংযত
ইৰূপে কুনীতি যত ।
খণ্ডিলে সকলো শাসন সংস্কাৰ
তেবে হব ভাৰতত ॥ ২৮
উৎকণ্ঠিত হয়া আছে অপেক্ষিয়া
বহু কৰ্ম্মী স্বদেশৰ ।
অবিলম্বে গৈয়া লাগিব দেখাব
আহি কৰ্ম্ম সাধনৰ ॥ ২৯
লুব্ধ অভিমানী বিদেশী শাসকে
সামান্য স্বাৰ্থৰ ক্ষতি ।
নোৱাৰে সহিব ঘটাব বিঘিনি
ধাৱিব কৰ্ম্মৰ গতি ॥ ৩০
অহিংস সংগ্ৰাম হল অনিবাৰ্য্য
প্ৰজা শাসকৰ মাজে ।

জয় পৰাজয় প্ৰভুৰ হাতত
দেখাৰ ধৰ্ম্মৰ কাজে ॥ ৩১
কালি প্ৰভাততে যাম সমুদ্ৰক
ত্যাজি সাবৰ্ম্মতী ধাম।
নিফিৰোঁ ঘূৰাই জানিবা নিশ্চয়
যদি নোহোঁ পূৰ্ণ-কাম ॥ ৩২
নহলে খণ্ডন মাতৃৰ বন্ধন
সুতুটিলে দুঃখ ভাৰ।
কিবা প্ৰয়োজন ৰাখি ই জীৱন
বেদনা কেৱল সাৰ ॥ ৩৩
নহলে ইবাৰ মন্ত্ৰৰ সাধন
পৰাণে মেলানি পাৰ।
মোৰ ই শৰীৰ সাগৰত উটি
অনন্তত মিলি যাব ॥ ৩৪
জগৎ পিতাৰ চৰণত সদা
ৰাখিবা বিমল মতি।
তন্দ্ৰা আলস্যত উদাস নহবা
আপোন কৰ্ত্তব্য প্ৰতি ॥ ৩৫
কৰ্ম্মই জীৱন জানিবা নৰৰ
কৰ্ম্মৰ অবধি নাই।
কালৰ কৰ্ত্তব্য কালে কৰি যাবা
জ্ঞানেৰে বিচাৰি চাই ॥ ৩৬

নতুন যুগৰ হইছে সূচনা
আজি এই ভাৰতৰ ।
নতুন ভাবৰ বহিছে প্ৰবাহ
ভাঙ্গিছে প্ৰাচীন গড় ॥ ৩৭
সুনীতি মাৰ্গত নিয়ন্ত্ৰিত হই
নবীন যাত্ৰীৰ দল ।
চলিব লাগিব উন্নতি বাটত
বঢ়াই নৈতিক বল ॥ ৩৮
যথেচ্ছাচাৰিতা নোহে স্বাধীনতা
মহা অনৰ্থৰ মূল ।
কৰ্ম্ম জীৱনৰ সাধনা পথত
লগায় বিষম ভুল ॥ ৩৯

* * *

নব্য প্ৰাচীনৰ বিষম সংঘৰ্ষ
ভীষণ মূৰতি ধৰি ।
আজি ভাৰতৰ ঢাকিছে আকাশ
প্ৰলয় সঙ্কেত কৰি ॥ ৪০
বহু শতাব্দীৰ বহু পুণ্যকীৰ্ত্তি
ভাৰতে অতীতত থৈ ।
নিয়তি চক্ৰৰ অমোঘ গতিত
পৰিছিল বিবশ হৈ ॥ ৪১

নোৱাৰি ৰাখিব পাৰ্থিব সম্পদ
সকলোকে ত্যাজি দিলে।
আধ্যাত্মিকতাৰ নিজস্ব সম্বল
বুকুত সাবটি নিলে ॥ ৪১

সংৰক্ষণ-শীল সংস্কাৰৰ গড়
আপোন চৌপাশে তুলি।
জাগিও তন্দ্ৰাৰ ভাবত আছিল
কালত উঠিব বুলি ॥ ৪৩

শত বজ্ৰপাত শত পদাঘাত
দুঃখ দৈন্যে নাহি ভয়।
প্ৰাণৰ বস্তুটি কৰিলে পৰশ
ব্যথাত ব্যাকুল হয় ॥ ৪৪

ৰাখিছে যতনে আৰ্য্য সভ্যতাৰ
উজ্জ্বল হীৰাৰ খনি।
সঙ্কট সময় আহিছে ধৰাৰ
দিব যোগ্য পাত্ৰ গণি ৪৫

বহু শতাব্দীৰ ৰুদ্ধ প্ৰবাহৰ
মৰিছা ধৰিছে গাত।
নিয়তিৰ গতি নোৱাৰা ফিৰাব
দোষ আৰোপিবা কাত ॥ ৪৬

পূৰ্ব্ব ইজিপ্তৰ ইটালী গ্ৰীচৰ
নাই সভ্যতাৰ চিন।

ভাবি চাবা মনে হল কিকাৰণে
কালৰ সোঁতত লীন ॥ ৪৭
যুগ যুগান্তৰ ধৰি ভাৰতৰ
বিপ্লৱৰ অন্ত নাই।
কতনা লুণ্ঠন কতনা শাসন
কতনা বিপদ যায় ॥ ৪৮
তথাপি কালৰ বিবৰ্ত্তক ঠেলি
অতকাল ৰক্ষা পালে।
সত্যে প্ৰতিষ্ঠিত ভাৰত সভ্যতা
নমৰিব কোনো কালে ॥ ৪৯
ভাৰতৰ দান পৃথিবীৰ প্ৰতি
মহামূল্য অনুপম।
জিঘাংসু জগৎ লভি শান্ত হব
গুচাব মনৰ ভ্ৰম ॥ ৫০

* * *

ঈশ্বৰ চিন্তাৰ চিত্ত সংযমৰ
সম্বন্ধ বিহীন শিক্ষা।
লভি ভাৰতৰ নবীন যুৱকে
লৈছে অধৰ্ম্মত দীক্ষা ॥ ৫১
বিপ্লৱ ধুমুহা আহি পৰশিছে
চমকি মেলিছে আখি।

নীতিৰ মৰ্য্যাদা উল্লংঘিয়া যেন
উড়িব লগাই পাখি ॥ ৫২
শয়নে ভোজনে কথনে ভ্ৰমনে
পঠনে চিন্তনে কৰ্ম্মে ।
যথেচ্ছাচাৰিতা কৰিছে সংগতে
জলাঞ্জলি দিছে ধৰ্ম্মে ॥ ৫৩
আয়ুবীৰ্য্যহীন ক্ষীণ বল দীন
হিংসা ব্যভিচাৰে ৰত ।
বিলাসিতা প্ৰিয় ভীৰু কাপুৰুষ
নাজানে ধৰ্ম্মৰ মত ॥ ৫৪
দুৰ্ব্বল মস্তিস্ক নোৱাৰে চিন্তিব
গভীৰ তত্ত্বৰ কথা ।
অহঙ্কাৰ বলে দিয়ে উড়ুৱাই
সমস্ত প্ৰাচীন প্ৰথা ॥ ৫৫
নাজানি শাস্ত্ৰক কৰে আলোচন
লোকৰ দুকথা শুনি ।
এনে দুষ্কৰ্ম্মৰ কিবা পৰিণাম
নেদেখে কদাপি গুণি ॥ ৫৬
মোহে অভিমানে ৰাখিছে আবৰি
নাজাগে প্ৰকৃত বোধ ।
আপোন মতক ভাবে অখণ্ডিত
বিপৰীতে জ্বলে ক্ৰোধ ॥ ৫৭

যতন কেৱল উচ্চক নমাই
কৰিব আপোন সম।
নীচক সাদৰি ধৰিব সাবটি
কদাপি নকৰে শ্ৰম ॥ ৫৮
হিংসা কপটতা ৰাখি অন্তৰত
সাধুৰ মূৰতি ধৰে।
আপোন স্বাৰ্থত পৰিলে আঘাত
সকলো প্ৰকাশি পৰে ॥ ৫৯
নিজৰ দোষক নকৰে বিচাৰ
পৰৰ দোষক দেখে।
নিজে ভণ্ড হৈয়া কিনো আচৰিত
পৰৰ ভণ্ডতা লেখে ॥ ৬০
সাম্য উদাৰতা প্ৰচাৰি কথাত
সকলো সমান কৰে।
সামান্য ত্যাগৰ আহিলে পৰীক্ষা
দূৰতে আতৰি পৰে ॥ ৬১
নিজে অসংযত তথাপিতো দিয়ে
সংযমৰ উপদেশ।
নোৱাৰে সাধিব নিজ পৰ হিত
ধৰে মাত্ৰ ছদ্মবেশ ॥ ৬২
ইসবকো কৰি সুনীতি সংযত
নিয়োগি দেশৰ কাজে।

অৱশ্যে লাগিব সাধিব উন্নতি
নিৰুপায় তাত বাজে ॥ ৬৩

* * *

জগতৰ গতি নকৰি বিচাৰ
সংৰক্ষণশীল গণে।
সংস্কাৰ পাশত বদ্ধ হৈয়া সবে
আছিল উদাস মনে ॥ ৬৪
প্ৰাচীন গৃহৰ বান্ধা দুৱাৰত
প্ৰভাতৰ শিঙা বাজি।
উঠিছে সঘনে নেৰিছে নতুনে
নাভাঙ্গি টোপনি আজি ॥ ৬৫
আলোকে আন্ধাৰে ঢাকিছে আকাশ
বিজুলী চমকে ঘনে।
ধুমুহা বহিছে বজ্ৰ গৰজিছে
প্ৰাচীনে প্ৰমাদ গণে ॥ ৬৬
বহুদিন ধৰি ৰাখিছিল কৰি
চলন্ত গতিক বোধ।
বহু শতাব্দীৰ লব একেলগে
প্ৰকৃতিয়ে পৰিশোধ ॥ ৬৭
তামস-জড়তা শান্তিৰূপ ধৰি
ৰাখিছিল চকু ঢাকি।

নব আলোকত তন্দ্ৰা আতৰিছে
বুজিছে মোহৰ ফাকি ॥ ৬৮
আৰ্য্যৰ সন্তান উঠিব লাগিব
পূৰ্ব্বৰ গৌৰব স্মৰি ।
ৰুদ্ধ প্ৰবাহৰ বদ্ধ মলা কঁহ
সকলো আতৰ কৰি ॥ ৬৯
বিমল জ্ঞানৰ শান্তি বাৰি ঢালি
বিপ্লব অগনি নাশি ।
কৰিব লাগিব জীৱন্ত মূৰতি
শ্মশানৰ ভস্মৰাশি ॥ ৭০
নবীনে প্ৰাচীনে একেলগে গাব
ধৰ্ম্মৰ বিজয় গান ।
গৌৰৱৰ ৰবি ভাৰত আকাশে
লভিব পূৰ্ব্বৰ স্থান ॥ ৭১

* * *

দিবস ৰজনী ব্ৰহ্মাণ্ড পতিৰ
চৰণত ৰাখি মতি ।
নিষ্কাম ভাৱত কাম কৰি যাবা
বুজি জগতৰ গতি ॥ ৭২
সৃষ্টিৰ বৈচিত্ৰ্যে কিবা মহা সত্য
উজ্জ্বলি উঠিছে সদা ।

চিন্তিয়া দেখিলে সংসাৰৰ কাজে
নাথাকিব ভ্ৰান্তি কদা ॥ ৭৩
বিকাশৰ মুখে বহু ভেদ হয়
ইটো প্ৰকৃতিৰ ধৰ্ম্ম ।
সমতা বিচাৰি মিছা দ্বন্দ্ব কৰে
কুবুদ্ধি সৃষ্টিৰ মৰ্ম্ম ॥ ৭৪
প্ৰকৃতিৰ একে চৌব্বিশ তত্ত্বেৰে
জীৱগণ সৃষ্ট জানি ।
মিছা ভেদ দৃষ্টি ঘৃণা অভিমান
ত্যাজে সংসাৰত জ্ঞানী ॥ ৭৫
লঘু গুৰু উচ্চ নীচ শ্বেত কৃষ্ণ
সহস্ৰ ভেদৰ মাজে ।
জ্ঞানী সাধুজনে ৰাখিয়া মিলন
উন্নতি সাধিব কাজে ॥ ৭৬
সমষ্টিৰ হিতে লক্ষ্য ৰাখি যদি
ব্যক্তিয়ে কৰ্ম্মত ৰয় ।
স্বভাবে বিভিন্ন মানব গণত
নাথাকে বিবাদ ভয় ॥ ৭৭

* * *

নিন্দা অত্যাচাৰ নীৰবে সহিবা
ৰবা নীতি সুসংযত ।৹
বিপক্ষ জনৰো চিন্তিবা কল্যাণ
নুভুলিবা নিজ ব্ৰত ॥ ৭৮

বৃটিশৰ প্ৰতি ঘৃণা প্ৰতিহিংসা
নাৰাখিবা অন্তৰত ।
স্বৰ্গীয় প্ৰেমৰ অমৃতৰ ধাৰা
প্ৰবহাবা ভাৰতত ॥ ৭৯
নিমিলিলে মত পৰক নিন্দিয়া
নাই কোনো প্ৰয়োজন ।
আপোন চৰিত্ৰ ত্যাগ সহনেৰে
মুহিবা সবাৰ মন ॥ ৮০
নাপালে পৰশ পবিত্ৰ প্ৰেমৰ
নহলে ত্যাগ সংযম ।
নাথাকিলে ধৈৰ্য্য আইন লঙ্ঘনে
নকৰিবা বৃথা শ্ৰম ॥ ৮১
নহলে সমৰ্থ থাকিবা আতৰি
নাসাজিবা মিছা ভণ্ড ।
হীন দৰিদ্ৰৰ শান্তিৰ সাধনা
নকৰা অযথা পণ্ড ॥ ৮২
নীতিজ্ঞ প্ৰাচীন আব্বাস তোয়েবিজ
ইয়াতে থাকি সম্প্ৰতি ।
কালৰ কৰ্ত্তব্য কৰিব নিৰ্দ্দেশ
আশ্ৰমে সবাৰ প্ৰতি ॥ ৮৩
মিচ্ মীৰাবাই ৰেইনেল্ড্ বোনেল্চ
নালাগে সমুদ্ৰে যাব ।

আছে বহু কাৰ্য্য সাধিব লাগিব
যেতিয়া আদেশ পাব ॥ ৮৪
এতেক কহিয়া মহাত্মা গান্ধীয়ে
প্ৰত্যেককে দিয়া মাত ।
মাগিলে বিদায় উঠিয়া সকলে
বল যোৰ কৰি হাত ॥ ৮৫
মহাত্মাৰ কীৰ্ত্তি চিন্তি অন্তৰত
বিৰছিলোঁ যত্নে অতি ।
শুনি উপাখ্যান ভাৰতৰ প্ৰজা
ৰাখিবা ধৰ্ম্মত মতি ॥ ৮৬
কানি মদ ভাঙ এৰি দিয়া সবে
কৰিলোৱা নিজ বস্ত্ৰ ।
ঈশ্বৰ বিশ্বাস সাৰ কৰি লোৱা
অহিংস ৰণৰ অস্ত্ৰ ॥ ৮৭

# দ্বাদশ অধ্যায়।

## মহাত্মা গান্ধীৰ ডাণ্ডি যাত্ৰা।

ক্লান্তি দূৰ কৰি          শ্ৰান্ত জগতক
অৰ্পি দিব সৰকৰে।
ধৰণী আৱৰা          অঞ্চল সামৰি
ৰজনী গমন ধৰে॥ ১
প্ৰভাত হলেই          মহাত্মা গান্ধীয়ে
চলিব আশ্ৰম ত্যাজি।
অজানা ভাবৰ          ঢৌৱত উঠিল
কঁপি তৰু-লতা ৰাজি॥ ২
বিহগ কণ্ঠৰ          উষাৰ সঙ্গীত
উঠিল কৰুণ সুৰে।
বিষাদে পবন          হুমুনিয়া কাঢ়ি
থমকি চলিল দূৰে॥ ৩
অকস্মাৎ যেন          সাবৰ্ম্মতী ধাম
শোকে গদ্গদ হল।

বিচ্ছেদ ব্যথাৰ বিননীত তাৰ
ছন্দ ভাঙ্গি ভাঙ্গি গল ॥ ৪
ভাঙ্গা সুৰ আহি কৰিলে প্ৰবেশ
শায়িত গান্ধীৰ কাণে ।
নিদ্ৰা ভঙ্গ কৰি জাগ্ৰত কৰিলে
স্পন্দন তুলিলে প্ৰাণে ॥ ৫
পিচে মহামতি উঠি লৰালৰি
কুটীৰৰ বাহিৰে গৈ ।
কিজানি কিভাবে উদ্যানৰ ফাকে
চালে একে থিৰে বৈ ॥ ৬
কম্পিত পল্লব অঙ্গুলী সঙ্কেতে
আহ্বানিলে বনস্পতি ।
নীৰব আদেশ বুজি মহাত্মাই
সমীপে কৰিলে গতি ॥ ৭
পিচে তৰুবৰ ভৃঙ্গ বিহগৰ
গুমৰি অস্ফুট স্বৰে ।
ফল পত্ৰ পুঞ্জে আনমিত শিৰে
নিবেদিলে ভক্তি ভৰে ॥ ৮
ভাবৰ লহৰী উঠে মোৰ প্ৰাণে
বেদনাৰ সুৰ তুলি ।
প্ৰাণতে ৰাখিছোঁ বিদায়ৰ দিনা
তোমাক কবলৈ বুলি ॥ ৯

যাৰা মতিমান ত্যাজি ই আশ্ৰম
আৰু কাক কম কথা।
কোনে পতিয়াব জ্ঞানেৰে বিচাৰি
আমাৰ দাৰুণ ব্যথা ১০
উদ্‌ভিদ্ আমাৰো জড় শৰীৰত
চেতনাৰ ধাৰা বয়।
সুখ আনন্দৰ দুঃখ বিষাদৰ
পৰাণে স্পন্দন হয় ॥ ১১
উপজি উধাওঁ কাল পালে মৰোঁ
বিভূতি বিলাওঁ ভবে।
উল্লাসত নাচোঁ বিপদে বিষাদে
বিনাওঁ অস্ফুট ৰবে ॥ ১২
শ্ৰেষ্ঠ জীৱ ভাবি মানবক আমি
যুগ যুগান্তৰ ধৰি।
ৰূপ ৰস গন্ধ স্পৰ্শ উপচাৰে
পূজোঁ সমাদৰ কৰি ॥ ১৩
বিষপান কৰি অমৃত উগাৰোঁ
ৰাখোঁ মনুষ্যৰ প্ৰাণ।
সহি নানা ক্লেশ ফল ফুল ছায়া
কৃতঘ্নকো কৰোঁ দান ॥ ১৪
তথাপিতো হায় অকৃতজ্ঞ নৰে
নিচিন্তে আমাৰ প্ৰতি।

অচেতন ভাবি হকে বা বিহঙ্কে
দিয়ে নির্য্যাতন অতি ॥ ১৫
আৰ্য্য ঋষি গণে সূক্ষ্ম দৃষ্টি বলে
দেখি সকলোতে প্ৰাণ ।
কৰিছিল দয়া উদ্ভিদে জঙ্গমে
ৰাখিছিল সম জ্ঞান ॥ ১৬
যজ্ঞৰ কাৰণে কৰিলে ছেদন
কোনো শাখা সমীধৰ ।
মন্ত্ৰে প্ৰলেপণে কৰিছিল শান্তি
বেদনা ক্ষত অঙ্গৰ ॥ ১৭
প্ৰাৰ্থিবা ধীমান জগত স্ৰষ্টাক
আছে যাতে পূৰ্ব্বদিন ।
ভাৰত ভূমিত পুনঃ জ্বলি উঠে
আৰ্য্য সভ্যতাৰ চিন ॥ ১৮

* * *

নব ভাবাবেশে পৰম গম্ভীৰ
ধৰিয়া ধীৰ গমন ।
কুটীৰত আহি কৰিলে মহাত্মা
প্ৰাতঃকৃত্য সমাপন ॥ ১৯
প্ৰত্যুষতে উঠি সহ যাত্ৰী গণে
স্নান নিত্যকৰ্ম্ম কৰি ।

সমুদ্ৰ গমনে সাজুহল সবে
ব্ৰহ্মাণ্ড পতিক স্মৰি ॥ ২০
বস্ত্ৰৰ টোপলি পিঠিত বান্ধিলে
সঙ্গী উনআশী জন ।
পথৰ সম্বল ললে গীতা শাস্ত্ৰ
প্ৰতিজনে একো খন ॥ ২১
মহাত্মাৰ সঙ্গে একত্ৰে মিলিল
কুটিৰত শুভক্ষণে ।
সহস্ৰ কণ্ঠৰ মঙ্গল উৰুলি
উঠিল আশ্ৰমে ঘনে ॥ ২২
শোকক সম্বৰি যত নৰনাৰী
হাতে মাঙ্গলিক ধৰি ।
সবে সিসবৰ সমীপত হল
উপগত শীঘ্ৰ কৰি ॥ ২৩
যাত্ৰীগণ সহ ভূমে জানু পাতি
যোৰ কৰি দুয়োকৰ ।
গান্ধী মহামতি প্ৰাৰ্থিলে স্বামীক
চৰাচৰ জগতৰ ॥ ২৪
বিশ্বৰ নিয়ন্তা তুমি সৰ্ব্বদ্ৰষ্টা
ভূতভাবী বৰ্ত্তমান ।
কিআছে অজ্ঞাত জনাম তোমাক
আমি নৰ অল্পজ্ঞান ॥ ২৫

বিপন্ন প্ৰজাৰ ত্ৰাণৰ উপায়
মনে কৰি সাব্যস্ত।
সমুদ্ৰৰ তীৰে লৱণ আইন
লঙ্ঘনক ললে৷ ব্ৰত ॥ ২৬
মহা পৰাক্ৰমী বৃটিশ শাসকে
বাধিব কৰ্ম্মৰ গতি।
কিসাধ্যে সাধিম তুমি দীন বন্ধু
নিদিলে প্ৰাণত শক্তি ॥ ২৭
নাহিব বিপদ দুঃখ বাধা বিঘ্ন
নাপ্ৰাৰ্থোঁ ইটো তোমাত।
মহা মহাজনে নিকাৰ ভুঞ্জিছে
কি আছে ক্ষুদ্ৰ আমাত ॥ ২৮
হৃদয়ত পাতি তোমাৰ আসন
চলাবা মনৰ গতি।
সঙ্কট কালত গুচাবা প্ৰমাদ
ৰাখিবা বিমল মতি ॥ ২৯
সহিব শত্ৰুৰ দুঃখ নিৰ্য্যাতন
হৃদয়ত দিবা শক্তি।
দুঃখে কি মৰণে তোমাৰ চৰণে
ৰাখিবা অচলা ভক্তি ॥ ৩০
অহে দয়াময়! অগতিৰ গতি
কৰা কৃপা বিতৰণ।

তোমাৰ প্ৰসাদে ভাৰত প্ৰজাৰ
হক দুঃখ বিমোচন ॥ ৩১
এইৰূপে প্ৰাৰ্থি ব্ৰহ্মাণ্ড নাথক
ঠিয় দিলে যাত্ৰি-গণ ।
শুভাকাঙ্ক্ষী সবে মঙ্গলাচৰণ
আৰম্ভিলে তেতিক্ষণ ॥ ৩২
জলে পূৰ্ণ কুম্ভ ধানে পূৰ্ণ পাত্ৰ
আন মাঙ্গলিক যত ।
ৰাখি বিধিমতে ধূপ দীপ ধুনা
জ্বলাইলে সম্মুখত ॥ ৩৩
দূৰ্ব্বাক্ষত আনি শিৰত সিঞ্চিলে
জয়মাল দিলে গলে ।
অহিংস যুদ্ধৰ বীৰ যাত্ৰী সবে
বিনয়ে সাদৰি ললে ॥ ৩৪
সেইক্ষণে এক বৃদ্ধা ভক্তিমতী
চন্দনৰ পাত্ৰ ধৰি ।
গান্ধীৰ ললাটে তিলক পিন্ধালে
সম্মুখক অগ্ৰসৰি ॥ ৩৫
শঙ্খ ঘণ্টা ৰব মঙ্গল উৰুলি
জয়ধ্বনি ঘনে ঘন ।
উঠিলে একত্ৰে তাৰ তৰঙ্গত
মুখৰিত তপোবন ॥ ৩৬

অঞ্জলি ভৰিয়া পুষ্প বৰষিলে
শিৰে নৰনাৰী গণ ।
লভি মাঙ্গলিক ইৰূপে সবাৰ
আনন্দেউৎফুল্ল মন ॥ ৩৭

ভাৰতৰ মুক্তি জগতৰ শান্তি
সাধনাৰ আৰম্ভণ ।
কৰিয়া দৰ্শন নিজ অধিষ্ঠানে
আনন্দিত দেৱগণ ॥ ৩৮

সপ্তাশ্ব ৰথত উঠি অংশুমালী
প্ৰসাৰি সহস্ৰ কৰ ।
নিশি শিশিৰাশ্ৰু মছি আশ্বাসিলে
তৰু লতা আশ্ৰমৰ ॥ ৩৯

নদীতৰঙ্গৰ জলবিন্দু গণে
অৱগাহি সমীৰণ ।
পুষ্পৰ সৌৰভ বহি আনি ধীৰে
সন্তৰ্পিলে যাত্ৰী গণ ॥ ৪০

পক্ষীৰ কুজনে ভ্ৰমৰ গুঞ্জনে
সলালে বিষাদ সুৰ ।
মঙ্গল সূচনা কৰি ঘনে ঘনে
কামনা কৰিলে পূৰ ॥ ৪১

এই যাত্ৰা হন্তে পৃথিবীত তাৰ
চিৰ পুণ্য কীৰ্ত্তি ৰল ।

চিন্তি ইটো যেন সাবৰ্মতী পুনঃ
গৌৰবে গম্ভীৰ হল ॥ ৪২
সাৰি সাৰি হৈয়া অহিংস বাহিনী
উদ্যত হল গমনে ।
লভিলে ইঙ্গিত সেনানী গান্ধীৰ
আৰম্ভিব ততিক্ষণে ॥ ৪৩
ইহেন সময়ে জনতাৰ প্ৰান্তে
ক্ৰন্দনৰ এটী সুৰ ।
উঠি মহাত্মাৰ চিত্ত আকৰ্ষিলে
সহসা কৰি আতুৰ ॥ ৪৪
দীনা নিৰাশ্ৰয়া অস্পৃশ্য বালিকা
আছিল পথত পৰি ।
আশ্ৰমত আনি স্নেহে মহাত্মাই
পালিছিল যত্ন কৰি ॥ ৪৫
আজি হন্তে কিবা আছে কপালত
চিন্তি অতি দুঃখ ভৰে ।
বস্ত্ৰৰ অঞ্চলে ঢাকি মুখ শোকে
কান্দিলে করুণ স্বৰে ॥ ৪৬
দেখি মহামতি স্নেহে বালিকাক
ডাকি আনি সমীপত ।
মধুৰ বচনে কৰিলে আশ্বস্ত
বুজাইয়া বহু মত ॥ ৪৭

আশ্ৰম বাসিনী ফৰাচী কুমাৰী
অতি দয়াবতী শ্লেড ।
তাহাক সমৰ্পি দিয়া দুঃখিনীৰ
গুচালে মনৰ খেদ ॥ ৪৮

বৃদ্ধ মহামন্ত্ৰ আৰবাস তোয়েৱজি
এই অৱসৰ জানি ।
সমীপত যাই বিনয় প্ৰকাশি
গান্ধীক বুলিলে বাণি ॥ ৪৯

বহু আশাকৰোঁ সঙ্গত তোমাৰ
যাম সমুদ্ৰৰ পাৰ ।
ৰাখা মোৰ কথা নিদা মনোব্যথা
নকৰা অন্যথা তাৰ ॥ ৫০

সসম্ভ্ৰমে গান্ধী দিলে সদুত্তৰ
কৰি যুক্তি প্ৰদৰ্শন ।
আশ্ৰমত থাকি কাৰ্য্য সাধনৰ
আছে বহু প্ৰয়োজন ॥ ৫১

সম্প্ৰতি সবাক চলাবা আশ্ৰমে
ৰবা সদা সাবধান ।
আহিব সময় দ্বিতীয় দলেৰে
হব তব অভিযান ॥ ৫২

ইদৰে প্ৰবোধি সমুচিত বাক্যে
পিছে গান্ধী ধীৰ মতি ।
সঙ্গীগণ সহ যাত্ৰা আৰম্ভিলে
স্মৰি জগতৰ পতি ॥ ৫৩

পৃথিবীৰ শ্ৰেষ্ঠ নৰে এইৰূপে
অহিংস ৰণত গল ।
গগণ তপন পবন দিক্‌পতি
নীৰবে নিৰখি ৰল ॥ ৫৪
মাঙ্গলিক ধ্বনি কৰি ঘনে ঘনে
সঙ্গে যত নাৰীনৰ ।
গৈয়া কত দূৰ ক্ষান্ত হল সবে
বাহিৰিয়া আশ্ৰমৰ ॥ ৫৫
নিৰখিয়া থাকি পিচে কতক্ষণ
উলটিলে তপোবনে ।
দৃষ্টিৰ পথক অতিক্ৰমি যেৱে
চলিগল যাত্ৰী গণে ॥ ৫৬
আশ্ৰমৰ হন্তে সমুদ্ৰৰ তীৰে
ডাণ্ডি দীৰ্ঘপথ অতি ।
দুশতো অধিক পঞ্চাশ মাইল
পদব্ৰজে হল গতি ॥ ৫৭
পঞ্চ পঞ্চ ক্ৰোশ গমন গান্ধীৰ
প্ৰতিদিনে হল স্থিৰ ।
জানি প্ৰজাগণে বিশ্ৰামৰ স্থানে
ৰাখিলে কৰি শিবিৰ ॥ ৫৮
শিশু যুবা বৃদ্ধ পুৰুষ মহিলা
মিলি তথা অগণণ ।
উৎকণ্ঠিত মনে থাকে অপেক্ষিয়া
মহাত্মাৰ আগমন ॥ ৫৯

পুষ্পমাল্য হাতে আহি আগবাঢ়ি
কতোজনে কালস্মৰি ।
যথাযোগ্য মানে অভ্যথি সবাক
নিয়া যায় সমাদৰি ॥ ৬০
জয়ধ্বনি মাজে প্ৰবেশি শিবিৰে
আতিথ্য কৰি গ্ৰহণ ।
বসি কতক্ষণ পথশ্ৰান্তি দূৰ
কৰে অভিযাত্ৰী গণ ॥ ৬১
বিশ্ৰামৰ অন্তে জনতাৰ মাজে
আহি গান্ধী গুণ ধাম ।
নীতি উপদেশ দিয়া সবাকাৰ
পূৰ্ণ কৰে মনস্কাম ॥ ৬২
অহিংসাৰ নীতি বস্ত্ৰ অস্পৃশ্যতা
মাদকৰ ব্যৱহাৰ ।
মন্দ শাসনৰ সহযোগ ফল
দাৰিদ্ৰ্য দুঃখ প্ৰজাৰ ॥ ৬৩
ইসব সমস্যা বুজায়া বিবৰি
সংশয় ছেদি মনৰ ।
জন মণ্ডলীক কৰে সুদীৰিত
মুক্তি মন্ত্ৰে ভাৰতৰ ॥ ৬৪
নিশি সমাগমে উপাসি ঈশ্বৰ
কৰিকৃত্য সমাপন ।
শয়ন ৰচিয়া শিবিৰত সবে
কৰে ৰাত্ৰি উদ্‌যাপন ॥ ৬৫

প্ৰভাতত উঠি স্নান নিত্যকৰ্ম্ম
আহাৰাদি সমাপিয়া ।
অভিযাত্ৰী গণে পুনঃ যাত্ৰা কৰে
ঈশ্বৰক প্ৰনামিয়া ॥ ৬৬

এইৰূপে গৈয়া গান্ধী একদিনা
সমীপত শিবিৰৰ ।
দেখিলেক বৃদ্ধা পুষ্পমাল্য হাতে
আসে হৈয়া অগ্ৰসৰ ॥ ৬৭

আগভেটি ধৰি কৰযোৰ কৰি
বোলে বৃদ্ধা মহাত্মাক ।
বহু আশাকৰি কৰিব দৰ্শন
আছিলোঁ আজি তোমাক ॥ ৬৮

শতেক বছৰ বয়স কটালোঁ
মৰণ চাপিছে কাষ ।
দেহ পৰিহৰি অচিৰে চলিম
এৰি সংসাৰৰ আশ ॥ ৬৯

সাৰ্থক জীৱন হল মোৰ আজি
হলোঁ পূৰ্ণ-মনস্কাম ।
দেখিলোঁ সাক্ষাতে অতদিন মই
শুনিছিলোঁ মাত্ৰ নাম ॥ ৭০

বাপু তুমি মোৰ ৰাখিবা মিনতি
নিদিবা দেহত কষ্ট ।
হীন দৰিদ্ৰৰ শান্তিৰ সাধনা
নকৰা অকালে নষ্ট ॥ ৭১

অস্পৃশ্যৰ গৃহে জনম লভিলোঁ
কি কম দুঃখৰ কথা ।
ঘৃণা অপমান যতেক সহিলোঁ
শুনিলে পাইবা ব্যথা ॥ ৭২

শুনিছোঁ তোমাক কৰিলে পৰশ
নাহি ধৰা অপৰাধ ।
সিকাৰণে প্ৰাৰ্থো আৰু এটি মোৰ
পূৰ্ণ কৰা মনঃ সাধ ॥ ৭৩

কি আছে কি দিম পৰম দুঃখিনী
তুমি শ্ৰেষ্ঠজন অতি ।
পৰৰ কল্যাণে অপাৰ বিভূতি
ত্যাজি দিলা মহামতি ॥ ৭৪

অতি ভক্তি ভৰে গাঁথি পুষ্পমালা
আনিছোঁ কৰি যতন ।
পাইলে আদেশ তোমাৰ কণ্ঠত
নিজে কৰো সমৰ্পণ ॥ ৭৫

মৰ্ম্মস্পৰ্শী বাণী শুনি মহাত্মাই
আনত কৰিলে শিৰ ।
কণ্ঠে মাল্যদানে বৃদ্ধাৰ নয়নে
ঝৰিলে আনন্দ নীৰ ॥ ৭৬

আদৰে সম্ভাষি পিছে ধীৰমতি
তোষিলে বৃদ্ধাৰ মন ।
সৰল বচনে বাসনা পূৰালে
কৰি নানা আলাপন ॥ ৭৭

ইৰূপে মহাত্মা কৰিলে গমন
লক্ষ্যে ৰাখি স্থিৰ মন।
পবিত্ৰ প্ৰেমৰ ধাৰা প্ৰবহাই
তাতে প্লাবি প্ৰজাগণ ॥ ৭৮

জগতৰে দৃষ্টি হল সমাকৃষ্ট
এই অভিযান প্ৰতি।
পৰম উৎসুকে চাই বল সবে
কিবা তাৰ পৰিণতি ॥ ৭৯

নানা দেশ হন্তে সাংবাদিক গণ
মিলিলে আহি সঙ্গত।
দিনৰ সংবাদ দিনে যথাযথ
প্ৰচাৰিলে সমস্তত ॥ ৮০

পঁচিশ দিনত চলি দীৰ্ঘ পথ
গান্ধী লৈয়া সঙ্গীগণ।
সমুদ্ৰৰ পাৰে ডাণ্ডিনাম স্থানে
কৰিলেক পদাৰ্পণ ॥ ৮১

নামানে ভাগৰ পথ ভ্ৰমনৰ
সতত প্ৰফুল্ল মন।
আইন লঙ্ঘনে হইল তৎপৰ
সুসংযত বীৰগণ ॥ ৮২

নাৰীকুল, মণি সৰোজিনী নাইডু
দেশহিত ব্ৰতে ৰতা।
মুক্তি সংগ্ৰামৰ সহযোগ আশে
হল আসি উপগতা ॥ ৮৩



সরোজিনী নাইডু

অত্যন্ত অধিক লবণত কৰ
কৰিলোৱা তাক নিদি।
ভাৰত প্ৰজাৰ নাই অধিকাৰ
ইটো বৃটিশৰ বিধি ॥ ৮৪
দল বল সহ মহাত্মা গান্ধীয়ে
নিজহাতে লোণ কৰি।
দৰিদ্ৰে বিতৰি লজ্ঘিলে সি বিধি
অহিংসাৰ ব্ৰত ধৰি ॥ ৮৫
পৰম উৎসুকে আছিলে অপেক্ষি
দেশ সেৱা ব্ৰতী গণে।
লভিলে আদেশ কালৰ কৰ্ত্তব্য
আৰম্ভিব তেতিক্ষণে ॥ ৮৬
কংগ্ৰেছৰ হস্তে হইল ঘোষণা
যথাকালে সমস্ততে।
লবণ আইন কৰিব লঙ্ঘন
গান্ধীৰ নিৰ্দ্দেশ মতে ॥ ৮৭
সহস্ৰ সহস্ৰ নৰনাৰী গণে
ত্যাজি দুঃখ মৃত্যু ভয়।
মুক্তিৰ সাধনা ৰঙ্গে আৰম্ভিলে
সমগ্ৰ ভাৰত ময় ॥ ৮৮
মহা অভিমানী শাসক সকলে
কৰি নানা আস্ফালন।

জনম ভূমিৰ সেৱক গণৰ
দলনত দিলে মন ॥ ৮৯
হিংসা অহিংসাৰ বিষম সঙ্ঘর্ষ
প্ৰচণ্ড মূৰতি ধৰি ।
হিমাদ্ৰি কুমাৰী সদিয়া কৰাচী
কপাঁইলে থৰ থৰি ॥ ৯০
গান্ধী চৰিতৰ এহি মাত্ৰ ৰচি
সামৰিলোঁ মন্দমতি ।
হইব সপূৰ্ণ কৃপা কৰি মোক
শক্তি দিলে জগৎ পতি ॥ ৯১
ভাৰতৰ প্ৰজা ৰবা কতকাল
মোহ টোপনিত পৰি ।
অহিংস যুদ্ধৰ জয় শঙ্খ বাজে
উঠা শয্যা পৰিহৰি ॥ ৯২
মোহা ক্ষুদ্ৰহীন ভাৰত সন্তান
পূৰ্ব্বপৰাক্ৰম স্মৰা ।
আছে মহাশক্তি সুপ্ত অন্তৰত
তাৰ জাগৰণ কৰা ॥ ৯৩
মোহে ব্যাভিচাৰে অধীনতা পাশে
বান্ধিছে আবৰি জ্ঞান ।
মহত্মাৰ বাক্যে ধৰ্ম্মপথ ধৰা
স্নেহে পাবা পৰিত্ৰাণ ॥ ৯৪

আত্মশুদ্ধি কৰি পৰম উৎসাহে
কৰা শুভকৰ্ম্ম চয় ।
নিজ দৈৱী শক্তি প্ৰকাশিব লাগি
পশু বৃত্তি পাব লয় ॥ ৯৫
জাগ্ৰত ভাৰতে নতুন উৎসাহে
ধৰিলে মুক্তিৰ পথ ।
কাৰ সাধ্য আছে কৰে গতিৰোধ
ভঙ্গকৰে মনোৰথ ॥ ৯৬
বহু যুদ্ধ অন্তে পৰিশ্ৰান্ত হব
পৃথিবীৰ জাতি সব ।
ভাৰত সন্তানে লাগিব দেখাব
শান্তিপথ অভিনৱ ॥ ৯৭
কাল চলি যায় নকৰা বিলম্ব
এৰা ক্ষুদ্ৰ স্বাৰ্থ মোহ ।
মহাত্মাৰ বাক্য হেলায় উলঙ্ঘি
নাচৰিব আত্মদ্ৰোহ ॥ ৯৮
বিসৰ্জ্জি মাদক হাতে সূতা কাটা
কৰি লোৱা নিজ বস্ত্ৰ ।
ঈশ্বৰে বিশ্বাস ৰাখিবা সততে
জিনিবা নধৰি অস্ত্ৰ ॥ ৯৯
ত্যাজি হিংসা ঘৃণা স্বাৰ্থ কপটতা
লবা দেশ সেৱা ব্ৰত ।

উদার্গীর বাক্যে ধর্ম্ম লঙ্ঘিয়া
যবা সদাচারে রত ॥ ১০০
যি সব আচারে মুক্তি পথ রোধে
জ্ঞানযো বাধে বিকাশ।
আগে করি স্থির পিছে উল্লঙ্ঘিবা
নহলে পাইবা নাশ ॥ ১০১
ঈশ্বর চরণে আত্ম সমর্পিয়া
রাখি সদা শুদ্ধমন।
কাম করি যাবা জনম ভূমির
দুঃখ হর বিমোচন ॥ ১০২